
सत्यमेव जयते
Government of Assam

# অসম বাজেট

২০২৫- ২৬




বাজেট ভাষণ

**শ্ৰীমতী অজন্তা নেওগ**

**বিত্তমন্ত্ৰী, অসম চৰকাৰ**

১০ মাৰ্চ, ২০২৫

# অংশ-I

*মাননীয় অধ্যক্ষ মহোদয়,*

(১) মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গতিশীল আৰু দূৰদৰ্শী নেতৃত্বত মই গভীৰ দায়িত্ব আৰু একান্ত দায়বদ্ধতাৰে ৰাজ্যৰ পঞ্চমখন পূৰ্ণাংগ বাজেট দাখিল কৰিবলৈ এই পৱিত্ৰ সদনত থিয় হৈছোঁ। অসমক অধিক সমৃদ্ধি আৰু প্ৰগতিৰ দিশত লৈ যোৱাৰ বাবে পথ নিৰ্ধাৰণ কৰাৰ গুৰুত্বপূৰ্ণ সময়ত এয়া মোৰ বাবে এক পৰম সৌভাগ্য।

(২) ৰাজ্যখনৰ প্ৰথমগৰাকী মহিলা বিত্তমন্ত্ৰী হিচাপে মই একেৰাহে পঞ্চমখন বাজেট দাখিল কৰি গৌৰৱ অনুভৱ কৰাৰ লগতে বিৰল সন্মান লাভ কৰিছোঁ। এই সন্মানে আমাৰ ৰাজ্যখনত নাৰী শক্তিৰ অদম্য ক্ষমতাকে প্ৰতীয়মান কৰে। মই দৃঢ়ভাৱে বিশ্বাস কৰো যে আমাৰ চৰকাৰে বিগত চাৰিটা বছৰত প্ৰতিখন বাজেটত "*Yatra naryastu pujyante ramante tatra devatah*"– "য'ত নাৰীক সন্মান কৰা হয়, তাত দেৱতাসকলে বাস কৰে।" —এই চিৰাচৰিত আপ্ত বাক্যশাৰী মনত ৰাখি কাম কৰি আহিছে।

(৩) আমাৰ চৰকাৰৰ কাৰ্যকালত ৰাজ্যখনত অভূতপূৰ্ব বিকাশ আৰু উন্নয়ন পৰিলক্ষিত হৈছে। দেশৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অকুণ্ঠ সমৰ্থন আৰু মাৰ্গ দৰ্শনত আমাৰ ৰাজ্যখনত এই উল্লেখযোগ্য পৰিৱৰ্তন সাধন হৈছে। তেখেতে নিজকে আমাৰ ৰাজ্যখন তথা অঞ্চলটোৰ ব্ৰেণ্ড এম্বেছাদৰ বুলি ঘোষণা কৰাটোৱে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি থকা তেখেতৰ গভীৰ স্নেহকেই প্ৰতিফলিত কৰিছে।

(৪) মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণ কৰাৰ লগতে আমাৰ ৰাজ্যখনলৈ ৬৭ গৰাকী মিছন মুৰব্বী (Heads of Mission)ক

এডভাণ্টেজ আছাম ২.০ৰ অংশীদাৰ কৰি এই বন্ধনক পুনৰবাৰ সুদৃঢ় কৰিলে, যিয়ে সমগ্ৰ অসমবাসীকে অপৰিসীম গৌৰৱ আৰু প্ৰেৰণাৰে ওপচাই পেলাইছে। তেখেতৰ অপৰিসীম সমৰ্থনে অসমৰ বিকাশৰ গতিপথ গঢ়ি তোলাত, বিশেষকৈ এডভাণ্টেজ আছাম ২.০-বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন ২০২৫ৰ দৰে যুগান্তকাৰী পদক্ষেপসমূহক আগুৱাই নিয়াত যথেষ্ট সহায় কৰিছে। তেখেতে সদায় অসমৰ কাষত থিয় হোৱাৰ বাবে তেখেতক মই অন্তৰৰ পৰা গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

(৫) শেহতীয়াকৈ আমি বড়ো শান্তি চুক্তি (২০২০), কাৰ্বি শান্তি চুক্তি (২০২১), আদিবাসী শান্তি চুক্তি (২০২২), আলফা শান্তি চুক্তি (২০২৩) আৰু মেঘালয় (২০২২) তথা অৰুণাচল প্ৰদেশ (২০২৩)ৰ সৈতে আন্তঃৰাজ্যিক সীমান্ত চুক্তিত স্বাক্ষৰ কৰিছোঁ। ফলস্বৰূপে ৰাজ্যখনত এক সুস্থিৰ আৰু শান্তিপূৰ্ণ পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যখনত স্থায়ী শান্তি স্থাপনৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বাবে মই মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেখেতৰ অকুণ্ঠ সমৰ্থন অবিহনে এয়া কেতিয়াও সম্ভৱ নহ'লহেঁতেন।

(৬) ৰাজ্যখনত শান্তি নিশ্চিত কৰাৰ লগতে, আমাৰ চৰকাৰে যোৱা বছৰবোৰত প্ৰগতিৰ নতুন যুগৰ সূচনা কৰিছে। যোৱা বছৰ আমি মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহলৈ বিশেষ সাহায্য আঁচনি (SASCI)ৰ বাবে ভাৰত চৰকাৰৰ পৰা সৰ্বাধিক বিশেষ সাহায্য লাভ কৰা দেশৰ অন্যতম ৰাজ্য হিচাপে পৰিগণিত হৈছিলো, যিয়ে ৰাজ্যখনক মূলধন গঠনৰ দিশত চালিত কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষৰ পৰা মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহলৈ বিশেষ সাহায্য আঁচনি (SASCI)ৰ জৰিয়তে আমি ১৮,৫০০ কোটি টকাৰ অৰ্থসাহায্য লাভ কৰিছো। এয়া সম্ভৱ হৈছে মাননীয় কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীয়ে আগবঢ়োৱা নিৰন্তৰ সহায়-সমৰ্থন আৰু পৰামৰ্শৰ বাবে। অসমৰ অৰ্থনৈতিক গাঁথনি

সুদৃঢ় কৰাত আগবঢ়োৱা অৰিহণাৰ বাবে মই তেখেতৰ প্ৰতি গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো।

(৭) দশকজুৰি দেশৰ অন্য অংশৰ দ্ৰুত বিকাশৰ বিপৰীতে অসমৰ প্ৰগতি স্থবিৰপ্ৰায় হৈ আছিল। সেই অৱস্থাৰ ৰূপান্তৰৰ বাবে ৰাজ্যখনত এক উৎসৰ্গীকৃত আৰু দক্ষ কৰ্ম সংস্কৃতিৰ প্ৰয়োজন আছিল। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি এই সময়ছোৱাত সেই কৰ্মস্পৃহা সফলতাৰে পুনৰুজ্জীৱিত কৰিবলৈ সক্ষম হ'লোঁ। মই ৰাজ্যখনত এক নতুন কৰ্ম সংস্কৃতিৰ পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হোৱা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

(৮) এটা বিৰামহীন কঠোৰ পৰিশ্ৰমৰ ফলস্বৰূপে অসমৰ বাজেটৰ আকাৰ আৰু ইয়াৰ প্ৰয়োগ ক্ৰমাগতভাৱে বৃদ্ধি পাইছে।

*তালিকা-১ ঃ বিগত কেইটামান বছৰত অসমত বাজেট ব্যয়*

*(কোটি টকা হিচাপত)*

| বিত্তীয় বৰ্ষ | বাজেট প্ৰাক্কলন | সংশোধিত প্ৰাক্কলন | মুঠ ব্যয় | বাজেট ব্যৱহাৰ | মূলধনী ব্যয় |
|---|---|---|---|---|---|
| ২০১৫-১৬ | ৬৬,১৪২ | ৭৪,৮১৮ | ৪১,৯৩১ | ৬৩% | ২,৯৫১ |
| ২০২১-২২ | ১,০৭,৫৫৬ | ১,৩৬,৫৫৫ | ১,০৬,৩০৫ | ৭৮% | ২০,২৩০ |
| ২০২২-২৩ | ১,১৯,৫৫১ | ১,৫৬,৫২৫ | ১,২৭,২৮৩ | ৮১% | ১৬,৩৩৮ |
| ২০২৩-২৪ | ১,৩৯,৭৫৫ | ১,৬৯,৯৬৬ | ১,৩৬,৩১৬ | ৮০% | ২১,৫০৯ |
| ২০২৪-২৫* | ১,৪৩,৮৯১ | ১,৬৮,৬৭৩ | ১,৪১,৫২৯ | ৮৫% | ২৪,৯৬৪ |

** ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ২০২৫ৰ ৬ মাৰ্চলৈকে প্ৰকৃত ব্যয়ৰ ওপৰত কৰা পূৰ্বানুমান।*

(৯) ১০ বছৰতকৈ কম সময়ৰ ভিতৰত ২৫০ শতাংশ ব্যয় বৃদ্ধি হোৱাটো সম্ভৱতঃ আমাৰ দেশৰ বিত্তীয় ইতিহাসত অন্যতম।

(১০) ২০১৫-১৬ বিত্তীয় বৰ্ষত আমাৰ মূলধনী ব্যয় আছিল মাত্ৰ ২,৯৫১ কোটি টকা। আজি এই সংখ্যা প্ৰায় ৮ গুণতকৈ অধিক বৃদ্ধি হৈ আনুমানিক ২৫,০০০ কোটি টকালৈ বৃদ্ধি পাইছে।

(১১) প্ৰতিদিনে প্ৰায় ১৩ কিঃমিঃতকৈও অধিক পকীপথ (Paved road) আৰু প্ৰায় এখন পকী দলং নিৰ্মাণ কৰি অসমত শেহতীয়া আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত আমি এখন উল্লেখনীয় সাফল্যৰ ছবি প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছো।

(১২) কেন্দ্ৰীয় খণ্ডৰ আঁচনিসমূহ (CSS)ৰ জৰিয়তে গ্ৰাম্য আন্তঃগাঁথনি বিনিয়োগত আমি উল্লেখযোগ্য বৃদ্ধি কৰিছো। উদাহৰণস্বৰূপে, যোৱা চাৰি বছৰতকৈও কমসময়ৰ ভিতৰত জল জীৱন মিছনে গ্ৰাম্য পৰিয়ালসমূহৰ মাজত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা ১০ শতাংশৰ পৰা আজি ৮১ শতাংশলৈ বৃদ্ধি কৰি মানুহৰ জীৱনৰ ৰূপান্তৰ সাধন কৰিছে।

(১৩) গ্ৰামীণ গৃহৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (PMAY-G) ৰ অধীনত ২০২১ ৰ পৰা ২০২৪ চনলৈ অসমে ১৩.০৩ লাখ গৃহৰ আবণ্টন লাভ কৰিছিল আৰু ইয়াৰে ১২.৫৫ লাখ গৃহ ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে অতিৰিক্ত ৫,৫৯,০৫১ গৃহ আবণ্টন দিয়া হৈছে আৰু ২০২৬ চনৰ মাৰ্চৰ ভিতৰত এই গৃহসমূহ সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। ২০২৫ চনৰ ২৩ মাৰ্চত ৩,৮৮,৩৫৮ গৰাকী নতুন হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (PMAY-G) পুঁজিৰ মঞ্জুৰী পত্ৰ আৰু প্ৰথমটো কিস্তি লাভ কৰিব। PMAY-Gৰ বাবে ভাৰত চৰকাৰৰ পৰা এতিয়ালৈকে আমি ২০,৬৪৩ কোটি টকা লাভ কৰিছো আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত আন ৪ লাখতকৈ অধিক গৃহ আবণ্টনৰ আশা কৰিছো।

(১৪) নিৰ্দ্ধাৰিত মূলধনী প্ৰকল্পসমূহৰ বাবে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF) আৰু বহিঃসাহায্য প্ৰকল্প (EAP) আমাৰ ৰাজ্যই সফলতাৰে ব্যৱহাৰ কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত ২,৬৯৮ কোটি টকাৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে ৫,১০৯ কোটি টকাৰে প্ৰায় দুগুণ ব্যয় কৰি বহিঃসাহায্য প্ৰকল্প পূৰ্ণগতিত ৰূপায়ণ কৰা হৈছে। ৪৪,৩৪৮ কোটি টকা ব্যয় সাপেক্ষে চলি থকা ১৮ টা প্ৰকল্পৰ ৰূপায়ণ আৰু ১৬,৭২৯ কোটি টকা ব্যয় সাপেক্ষে ৯ টা প্ৰকল্পৰ দ্ৰুত ৰূপায়ণে এই অগ্ৰগতিত শক্তি যোগাইছে। বিগত পাঁচ বছৰত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত পুঁজি আহৰণ ৮০ শতাংশলৈ বৃদ্ধি পাইছে।

(১৫) যদিও মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহলৈ বিশেষ সাহায্য (SASCI), বহিঃসাহায্য প্ৰকল্প (EAP) আৰু গ্ৰাম্য আন্তঃগাঁথনি পুঁজি (RIDF)ৰ বাবে ঋণ লোৱা হৈছে, এই কথাত নিশ্চিতি প্ৰদান কৰিছো যে আমাৰ দূৰদৰ্শী বিত্তীয় ব্যৱস্থাপনাৰ জৰিয়তে অসমৰ ঋণৰ পৰিমাণ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP)ৰ ওপৰত নিৰ্দ্ধাৰিত ৩২ শতাংশতে সীমাবদ্ধ থাকিব।

i. মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপাতে গ্ৰহণ কৰা ঋণৰ হাৰৰ ক্ষেত্ৰত আমি ভাৰতৰ ভিতৰত আটাইতকৈ তলৰ স্থানৰ ৰাজ্যসমূহৰ ভিতৰত আছোঁ। ২০২৩-২৪ বিত্তীয় বৰ্ষত অসমতকৈ দেশৰ ১৮ খন ৰাজ্যই মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন অনুপাতে ঋণ গ্ৰহণৰ তালিকাত উচ্চ স্থানত আছে।

*তালিকা-২ ঃ ঋণৰ পৰিমাণত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন,*
*বিত্তীয় বৰ্ষ ২০২৩-২৪*

| ক্ৰমিক নং | ৰাজ্য | ঋণৰ পৰিমাণত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ হাৰ |
|---|---|---|
| ১ | পাঞ্জাৱ | ৪১.৪ |
| ২ | হিমাচল প্ৰদেশ | ৪১.১ |
| ৩ | অৰুণাচল প্ৰদেশ | ৩৬.৫ |
| ৪ | মণিপুৰ | ৩৫.৯ |
| ৫ | পশ্চিমবংগ | ৩৪.৫ |
| ৬ | কেৰেলা | ৩৪.২ |
| ৭ | নাগালেণ্ড | ৩৪.১ |
| ৮ | ৰাজস্থান | ৩২.৬ |
| ৯ | মেঘালয় | ৩২.৬ |
| ১০ | বিহাৰ | ৩১.৬ |
| ১১ | অন্ধ্ৰপ্ৰদেশ | ৩০.৯ |
| ১২ | ছিকিম | ২৯.৪ |
| ১৩ | মিজোৰাম | ২৯.৩ |
| ১৪ | উত্তৰ প্ৰদেশ | ২৮.০ |
| ১৫ | ত্ৰিপুৰা | ২৭.৬ |
| ১৬ | হাৰিয়ানা | ২৭.৫ |
| ১৭ | তামিলনাডু | ২৬.৬ |
| ১৮ | মধ্যপ্ৰদেশ | ২৫.৭ |
| ১৯ | অসম | ২৪.৩ |

ii. আমাৰ ঋণৰ পুঁজি দৰমহা আৰু আন ৰাজহ ব্যয়ৰ সলনি মূলধনী ব্যয়ৰ ক্ষেত্ৰতহে উৎসৰ্গিত কৰা হৈছে।

(১৬) অসমৰ অৰ্থনৈতিক বিকাশে নতুন মাত্ৰা লাভ কৰাটোৱে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন আৰু জনমুৰি আয়ৰ বৃদ্ধিকে প্ৰতিফলিত কৰিছে।

*তালিকা-৩ ঃ অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন আৰু জনমুৰি আয়*

| বিত্তীয় বৰ্ষ | মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন* (কোটি টকা) | জনমুৰি আয়ৰ হিচাপত* (টকা) | জনমুৰি আয়ৰ হিচাপত বছৰেকীয়া বৃদ্ধিৰ হাৰ* |
|---|---|---|---|
| ২০১৫-১৬ | ২,২৭,৯৫৯ | ৬০,৮১৭ | ১৫% |
| ২০২১-২২ | ৪,১১,৪৫৪ | ১,০৩,৩৭০ | ১৯% |
| ২০২২-২৩ | ৪,৯৩,১৬৭ | ১,১৯,১৯২ | ১৫% |
| ২০২৩-২৪ | ৫,৭০,৯৪৪ | ১,৩৯,৭৮৩ | ১৭% |
| ২০২৪-২৫ | ৬,৪৩,৬৬৭ | ১,৫৪,২২২ | ১০% |

- *বৰ্তমান মূল্যত*

*টেবুল ৪ ঃ ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (GDP) বৃদ্ধিৰ তুলনাত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) বৃদ্ধিৰ হাৰ*

| বিত্তীয় বৰ্ষ | অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) বৰ্ষ হিচাপত বৃদ্ধি | ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (GDP) বৰ্ষ হিচাপত বৃদ্ধি |
|---|---|---|
| ২০১৫-১৬ | ১৭ শতাংশ | ১১ শতাংশ |
| ২০২১-২২ | ২১ শতাংশ | ১৯ শতাংশ |
| ২০২২-২৩ | ১৭ শতাংশ | ১৪ শতাংশ |
| ২০২৩-২৪ | ১৯ শতাংশ | ১০ শতাংশ |
| ২০২৪-২৫ | ১৩ শতাংশ | ১০ শতাংশ |

- *বৰ্তমান মূল্যত*

(১৭) ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) ১৯ শতাংশ আৰু জনমূৰি আয় ১৭ শতাংশ বৃদ্ধিৰে[১] দ্ৰুতগতিত বিকাশ হোৱা ৰাজ্যৰ ভিতৰত অসমে স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

(১৮) নিটি আয়োগৰ শেহতীয়া প্ৰতিবেদন অনুসৰি আমাৰ চৰকাৰৰ ব্যাপক প্ৰচেষ্টাৰ ফলস্বৰূপে অসমত প্ৰায় ৪৬.৮৭ লাখ লোক ভিন্ন স্তৰৰ দৰিদ্ৰতাৰ পৰা হাত সাৰিবলৈ সক্ষম হৈছে।

(১৯) অসমত শ্ৰমিকৰ অংশগ্ৰহণৰ হাৰ (LFPR)[2] লক্ষণীয়ভাৱে বৃদ্ধি পাইছে। এই হাৰ ২০২০ চনৰ ছেপ্টেম্বৰ মাহৰ ৩৫.৬ শতাংশৰ পৰা ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত ৪২.৭ শতাংশলৈ বৃদ্ধি হৈছে। একে সময়তে ৰাজ্যৰ নিবনুৱাৰ হাৰ ৯.৯ শতাংশৰ পৰা ৭.৯ শতাংশলৈ হ্ৰাস পাইছে। সমান্তৰালভাৱে পৰিলক্ষিত হোৱা শ্ৰমিকৰ অংশগ্ৰহণৰ হাৰ বৃদ্ধি আৰু হ্ৰাস পোৱা নিবনুৱাৰ সংখ্যাই অসমৰ নিয়োগ ক্ষেত্ৰত এক ইতিবাচক ধাৰাক প্ৰতিফলিত কৰিছে।

(২০) ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ সমিতি (SLBC)ত বৰ্ধিত নিৰীক্ষণ আৰু পৰ্যালোচনাৰ দ্বাৰা পৰিচালিত হৈ অসমৰ ঋণ-জমা (CD)ৰ অনুপাত ২০২১ চনৰ ডিচেম্বৰ মাহৰ ৫৬.২৬ শতাংশৰ পৰা ২০২৪ চনৰ ডিচেম্বৰ মাহত ৭২.৫৬ শতাংশলৈ বৃদ্ধি পাইছে। ফলস্বৰূপে আমাৰ ৰাজ্যৰ অগ্ৰাধিকাৰপ্ৰাপ্ত খণ্ডসমূহক ১,৫৯,৫৫২ কোটি টকাৰ ঋণ প্ৰদান কৰা হৈছে।

(২১) চৰকাৰী ই-বজাৰ (Goverment e-Marketplace–GeM)ৰ মাধ্যমেৰে ক্ৰয় কৰাৰ ফলত অসমত চৰকাৰী ক্ৰয় প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু কাৰ্যদক্ষতা উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। GeM ৰ মাধ্যমেৰে কৰা ক্ৰয়ৰ অৰ্ডাৰ মূল্যৰ পৰিমাণ ২,০০০ শতাংশ বৃদ্ধিৰে ২০২১-২২ বিত্তীয় বৰ্ষৰ ১৭৬ কোটি টকাৰ পৰা চলিত বিত্তীয় বৰ্ষৰ

---

[১] *অৰ্থনৈতিক সমীক্ষা ২০২৪ অনুসৰি*

[২] *পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ তথ্য অনুসৰি*

এতিয়ালৈকে ৩,৮৩৪ কোটি টকা হৈছে। বৰ্তমান বিত্তীয় বৰ্ষত, উত্তৰ প্ৰদেশ, গুজৰাট আৰু মহাৰাষ্ট্ৰৰ পিছতেই অসমে দেশৰ ভিতৰত ক্ৰয় মূল্যৰ ক্ষেত্ৰত চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

(২২) 'ছফ্‌ট পাৱাৰ'ৰ ক্ষেত্ৰতো এখন উদীয়মান ৰাজ্য হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ আমি সক্ষম হৈছোঁ। ভাষা, সংস্কৃতি, ঐতিহ্য আৰু ক্ৰীড়া আদি ক্ষেত্ৰৰ সংৰক্ষণৰ দিশতো আমি প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ। মাননীয় ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত ইতিমধ্যেই এই সফলতাসমূহৰ বিষয়ে উল্লেখ কৰিছে—

i. ইউনেস্ক' বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ঐতিহাসিক চৰাইদেউ মৈদামৰ স্বীকৃতি লাভ।

ii. ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ স্বীকৃতি লাভ।

iii. নিউয়ৰ্ক টাইমছ্‌ৰ '২০২৫ বৰ্ষত ভ্ৰমণ কৰিবলগীয়া শীৰ্ষৰ ৫২খন স্থান' তালিকাত অসমৰ শীৰ্ষৰ চতুৰ্থ স্থান লাভ।

iv. ২০২৩ বৰ্ষত সৰ্ববৃহৎ বিহু উদ্‌যাপনৰ বিশ্ব অভিলেখকাৰী অনুষ্ঠানটোৱে 'ঝুমইৰ বিনন্দিনী'ৰো বাট মুকলি কৰে। অসমৰ চাহৰ দুশ বছৰীয়া চহকী ঐতিহ্য উদ্‌যাপনেৰে আমাৰ চাহ জনজাতি সম্প্ৰদায়ৰ প্ৰায় ৮,০০০ গৰাকী অংশগ্ৰহণকাৰীয়ে ঝুমইৰ নৃত্যৰ এই বৃহৎ অনুষ্ঠানটো সফল কৰি তোলে।

(২৩) ৭০ লাখতকৈ অধিক পৰিয়ালক পৰিয়াল পৰিচয়-পত্ৰ প্ৰদানেৰে চৰকাৰে ২.৪৫ কোটি ব্যক্তিক প্ৰধানমন্ত্ৰী গৰীব কল্যাণ যোজনাৰ আওঁতালৈ আনিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি, প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত বিনামূলীয়া ৰন্ধন গেছৰ সংযোগো তেওঁলোকলৈ আগবঢ়োৱা হৈছে। আয়ুষ্মান ভাৰত জন আৰোগ্য যোজনা (AB-PMJAY) আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনা (AA-MMJAY)ৰ অধীনত স্বাস্থ্য বীমাৰ সুবিধা আগবঢ়োৱাৰ লগতে ৰেচন কাৰ্ডক জন আৰোগ্য যোজনাৰ সৈতে সংযোগ কৰি

কাৰ্যসূচীটোক সাৰ্বজনীন স্বাস্থ্য বীমা আঁচনিলৈ ৰূপান্তৰ কৰা দেশৰ কেইখনমান ৰাজ্যৰ ভিতৰত অসম অন্যতম।

(২৪) ২০২৪ বৰ্ষৰ ২৫ আগষ্টত অসম মন্ত্ৰীসভাই এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰি বিধানসভা সমষ্টি ভিত্তিত ৭৮ খন নতুন সম-জিলা গঠনৰ প্ৰস্তাৱত অনুমোদন জনায়। প্ৰশাসনিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ উল্লেখযোগ্য পদক্ষেপৰূপে প্ৰথম পৰ্যায়ত ইতিমধ্যে ৩৯খন সমজিলা উদ্বোধন কৰা হৈছে।

(২৫) প্ৰশাসন আৰু জনসাধাৰণৰ মাজৰ দূৰত্ব হ্ৰাস কৰি প্ৰশাসন যন্ত্ৰক জনতাৰ আৰু অধিক ওচৰ চপাই নিয়াৰ উদ্দেশ্যে ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয় উদ্বোধন কৰা হৈছে। লগতে বৰাক উপত্যকাত মিনি সচিবালয় আৰু তেজপুৰত নিৰ্মীয়মাণ ৰাজভৱনে ভৌগোলিক দূৰত্ব সংকুচিত কৰি ৰাজ্যৰ প্ৰশাসনীয় ব্যৱস্থাৰ সৈতে প্ৰতিটো অঞ্চলৰ জনসাধাৰণৰ সুচল সংযোগ সম্ভৱ কৰি তুলিবলৈ সক্ষম হ'ব। এক ঐতিহাসিক পদক্ষেপ ৰূপে ষষ্ঠ অনুসূচী অঞ্চলসমূহৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ প্ৰতিফলন হিচাপে এইবাৰ অসম বিধান সভাৰ বাজেট অধিৱেশনৰ প্ৰথমবাৰৰ বাবে কোকৰাঝাৰত অনুষ্ঠিত হয়।

(২৬) ২০২৪-২৫ বৰ্ষৰ বাজেটত কৰা ঘোষণা অনুসৰি, আমি গোলকীয় বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ 'এড্‌ভাণ্টেজ অসম ২.০' সফলতাৰে আয়োজন কৰিলোঁ।

i. এই সন্মিলনত সন্মানীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী, মাননীয় কেন্দ্ৰীয় মন্ত্ৰীসকল, বিভিন্ন মিছন মুৰব্বীসকল আৰু আগশাৰীৰ উদ্যোগপতিসকলে অংশগ্ৰহণ কৰে।

ii. অসমে ৫,১৮,২৭২ কোটি টকা বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত আন্তঃগাঁথনি খণ্ডত ভাৰত চৰকাৰে বিনিয়োগ কৰিবলগীয়া ১,২৪,৯০০ কোটি টকাও অন্তৰ্ভুক্ত হৈ আছে।

iii. অসমৰ দৰে এখন ৰাজ্যৰ বাবে এনেধৰণৰ অংশীদাৰসকলৰ সমাৰেশ আমাৰ ইতিহাসত অভূতপূৰ্ব।

iv. আমি আশা কৰিছোঁ যে অসমে এতিয়া বিকাশ আৰু ঔদ্যোগীকৰণৰ এক নতুন যাত্ৰা আৰম্ভ কৰিব।

(২৭) টাটা ইলেক্ট্ৰনিক্স প্ৰাইভেট লিমিটেডৰ ২৭,০০০ কোটি টকাৰ বিনিয়োগেৰে অসমে ৰাজ্যখনৰ ঔদ্যোগিক ক্ষেত্ৰত এক ঐতিহাসিক পৰিৱৰ্তনৰ সাক্ষী হৈছে। এয়া হৈছে স্বাধীনতাৰ ৭৫ বছৰত অসমত ব্যক্তিগত খণ্ডৰ সৰ্ববৃহৎ বিনিয়োগ। এই বিনিয়োগে নতুন বিকাশ আৰু সুযোগৰ পথ মুকলি কৰি ২৭,০০০ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্ম সংস্থাপনৰ সৃষ্টি কৰিব। টাটা গ্ৰুপে অসমত শীঘ্ৰে সমপৰিমাণৰ বিনিয়োগ কৰিব বুলি এড্‌ভাণ্টেজ অসম ২.০ সন্মিলনত ঘোষণা কৰিছে। তদুপৰি আন শীৰ্ষ উদ্যোগপতিসকলেও অসমত বিনিয়োগৰ বাবে অভূতপূৰ্ব ঘোষণা কৰিছে।

(২৮) ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত প্ৰস্তাৱিত নামৰূপৰ পৰিৱেশ অনুকূল ইউৰিয়া সাৰ কাৰখানাই ৰাজ্যখনৰ ঔদ্যোগিক প্ৰগতিক অধিক উৎসাহিত কৰিছে। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ কৃষি আৰু অৰ্থনীতিৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াব পৰাকৈ বাৰ্ষিক ইউৰিয়া উৎপাদন ২ লাখ মেট্ৰিক টনৰ পৰা ১২.৭ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাব। ১২,০০০ কোটি টকা বিনিয়োগেৰে অসমৰ বিকাশৰ বৰ্ণিল যাত্ৰাক অধিক শক্তিশালী কৰাৰ এই মহৎ পদক্ষেপৰ বাবে মই মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**বিকশিত অসমৰ এক ভৱিষ্যৎ পৰিকল্পনা**

***সামগ্ৰিক বিকাশৰ বুনিয়াদ সবলীকৰণ***

(২৯) এই বছৰৰ বাজেট হৈছে অসমৰ স্বকীয় পৰিচয়, ঐতিহ্য আৰু সাংস্কৃতিক সুৰক্ষা নিশ্চিত কৰি উন্নয়নৰ বুনিয়াদ সবলীকৰণ, অধিক সংস্কাৰ আৰু সুযোগৰ সম্প্ৰসাৰণৰ দিশত এক নিৰ্ণায়ক পদক্ষেপ।

(৩০) এই বাজেটে মূলতঃ, আমাৰ বুনিয়াদী বিষয়বোৰৰ— বিশেষকৈ, অসমৰ চহকী সাংস্কৃতিক পৰম্পৰাৰ সংৰক্ষণৰ বাবে থকা আমাৰ প্ৰতিশ্ৰুতি দোহাৰি অসম চুক্তিৰ ৬ নং দফাৰ ৰূপায়ণৰ বাবে বিশেষ ৰূপৰেখা প্ৰস্তুতৰ ক্ষেত্ৰত সতৰ্কতাৰে দিক্‌নিৰ্ণয় কৰিব। একে সময়তে সমাজৰ সকলো শ্ৰেণীৰ সবলীকৰণ নিশ্চিত কৰা এক সৰ্বাংগীণ অৰ্থনৈতিক কাৰ্যসূচী ই শক্তিশালী আৰু বিস্তৃত কৰিব। ছাত্ৰী আৰু উদ্যোগী মহিলাসকল আমাৰ ভৱিষ্যৎ পৰিকল্পনাৰ আধাৰ হৈ থাকিব। উন্নত শিক্ষা, দক্ষতাৰ বিকাশ আৰু নিয়োগৰ সুবিধাৰ জৰিয়তে যুৱ সমাজ উপকৃত হোৱাৰ বিপৰীতে কৃষকসকল ধান, মাকৈ আৰু সৰিয়হৰ সমৰ্থন মূল্যৰ জৰিয়তে অধিক লাভান্বিত হ'ব। আমি চাহ জনগোষ্ঠীকে ধৰি পিছপৰা শ্ৰেণীৰ উত্তৰণৰ বাবেও দায়বদ্ধ। লগতে বিদ্যুৎ অধিক সুলভ কৰা আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত লোকৰ সংখ্যা বৃদ্ধিৰে সাধাৰণ লোকৰ জীৱন-ধাৰণ সহজ কৰা হ'ব।

(৩১) সৰ্বোপৰি ই হৈছে জনমুখী কল্যাণকামী বাজেট। ভৱিষ্যৎ প্ৰজন্মৰ বাবে সম্পদ সুৰক্ষিত কৰিবলৈ শক্তিশালী বিত্তীয় দায়বদ্ধতা ৰক্ষা কৰিও প্ৰতিগৰাকী নাগৰিকক সুৰক্ষা আৰু ৰক্ষাকৱচ প্ৰদানৰ বাবে বাজেটখন প্ৰস্তুত কৰা হৈছে। সচেতন পৰিকল্পনা আৰু দায়বদ্ধ দৃষ্টিভংগীৰে প্ৰতিটো টকা উৎপাদনশীল খণ্ড আৰু আন্তঃগাঁথনিত কৌশলী বিনিয়োগ কৰা হ'ব, যিয়ে অসমৰ বিনিয়োগ পৰিৱেশ, চাকৰি সৃষ্টি আৰু আভ্যন্তৰীণ সম্পদ সৃষ্টি অধিক সবল কৰিব।

(৩২) এই বাজেটৰ জৰিয়তে আমি গভীৰতৰ সংস্কাৰ, প্ৰগতিৰ সুদৃঢ়কৰণ আৰু ভাৰতৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত এখন হোৱাৰ বাবে অসমৰ যাত্ৰা দ্ৰুত কৰাৰ পদক্ষেপ লৈছোঁ। *বিকশিত অসম* কেৱল এক ভৱিষ্যৎ পৰিকল্পনা হৈ থকা নাই, *বিকশিত ভাৰত*ৰ গৌৰৱময় অৱদানকাৰী হিচাপে অসমৰ উত্থান নিশ্চিত কৰি ই হৈ পৰিছে এক নিকট বাস্তৱ।

(৩৩) এই ৰূপান্তকাৰী প্ৰাপ্তিসমূহৰ জৰিয়তে আমাৰ চৰকাৰ অসমৰ সামগ্ৰিক বিকাশ ত্বৰান্বিত কৰিবলৈ পূৰ্বতকৈ অধিক বদ্ধপৰিকৰ হৈছোঁ আৰু নতুন অংগীকাৰেৰে এক উজ্বল ভৱিষ্যতৰ দিশে অসমক লৈ যোৱাৰ বাবে উৎসৰ্গিত এই বাজেটলৈ মই আগবাঢ়িছো।

(৩৪) অধ্যক্ষ মহোদয়, নাগৰিক সবলীকৰণ, বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰসাৰ আৰু বহনক্ষম অৰ্থনৈতিক উন্নয়নৰ দিশত আমাৰ চৰকাৰৰ বাবে প্ৰেৰণাৰ মূল উৎস হ'ল স্বপ্নদ্ৰষ্টা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ধাৰণাৰে গঢ় লৈ উঠা 'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা' আঁচনিখন। এই পৰম্পৰাৰ ভিত্তিতেই মই ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ ঘোষণা কৰিব বিছাৰিছোঁ।

## I. অৰুণোদয় ৩.০

(৩৫) মহোদয়, অৰুণোদয় মাথোঁ এখন আঁচনিয়ে নহয়, মহিলা সবলীকৰণ আৰু অৰ্থনৈতিক অন্তৰ্ভুক্তিকৰণৰ দিশত ই এক গণ আন্দোলন, যি অৰ্থনৈতিকভাৱে পিছপৰা লাখ লাখ পৰিয়ালৰ বিত্তীয় সুৰক্ষা আৰু মৰ্যাদা সুনিশ্চিত কৰিছে। বিভিন্ন লাভালাভক একত্ৰ কৰি এই আঁচনিৰ অধীনত মাহিলি ১,২৫০ টকাকৈ আগবঢ়োৱা নগদ ধনে অসংখ্য পৰিয়ালক স্বাস্থ্য, পৰিপুষ্টি আৰু অত্যাৱশ্যকীয় প্ৰয়োজনীয়তা পূৰণৰ ক্ষেত্ৰত নিজস্ব অগ্ৰাধিকাৰ অনুসৰি ব্যয় কৰাৰ স্বাধীনতা প্ৰদান কৰিছে আৰু ইয়াৰ ফলত এই পৰিয়ালসমূহে অধিক সুৰক্ষিত অনুভৱ কৰাৰ লগতে নতুন আত্মবিশ্বাসেৰে উদ্বুদ্ধ হ'বলৈ সক্ষম হৈছে।

(৩৬) তৃণমূল পৰ্যায়ৰ উপান্ত শ্ৰেণীৰ লোকসকলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বৰ্তমানলৈ ভাৰতৰ বহু ৰাজ্যই এই অৰুণোদয় আঁচনিখনক আৰ্হি হিচাপে গ্ৰহণ কৰিছে। প্ৰকৃতাৰ্থত, এই ক্ষেত্ৰত অসমে আন ৰাজ্যসমূহৰ বাবে বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰাৰ লগতে সমগ্ৰ দেশখনৰ বাবে এক উল্লেখনীয় দৃষ্টান্ত হিচাপে বিবেচিত হৈছে।

(৩৭) মই আজি এই ঘোষণা কৰিবলৈ পাই অত্যন্ত সুখী যে বিধৱাসকলৰ পেঞ্চন যাতে অৰুণোদয়ৰ সমপৰ্যায়ৰ হয় সেয়া নিশ্চিত কৰিবলৈ আমাৰ চৰকাৰে ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনিৰ হিতাধিকাৰীলৈ ট'প-আপ পেঞ্চন আগবঢ়াব।

(৩৮) মহোদয়, আমি ২০২০ চনত অৰুণোদয় আৰম্ভ কৰি ১৮ লাখ মহিলাক সামৰি লৈছিলো, যিটো ২০২৩ চনৰ ডিচেম্বৰলৈ বৃদ্ধি হৈ ২৪ লাখ হয়গৈ। মই ঘোষণা কৰিলোঁ যে ২০২৫-২৬ বিত্তীয় বৰ্ষত অৰুণোদয় ৩.০ৰ অধীনত আমি হিতাধিকাৰীৰ সংখ্যা ৩৭.২ লাখলৈ বৃদ্ধি কৰিম। ২০২৫ বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত বড়োলেণ্ড প্ৰাদেশীয় অঞ্চলৰ বাহিৰে অন্যান্য অঞ্চলৰ বাবে আমি হিতাধিকাৰীৰ এখন চূড়ান্ত তালিকা প্ৰস্তুত কৰিব পাৰিম বুলি আশা কৰিছোঁ আৰু তাৰ বাবে সঠিক সময়ত আমি

হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰিম। মই আঁচনিখনৰ বাবে ৫,০০০ কোটি টকা আছুতীয়াকৈ ৰখাৰ প্ৰস্তাৱ ল'লো।

## II. মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান (MMUA)

(৩৯) অধ্যক্ষ মহোদয়, অসমত আজিলৈকে গ্ৰহণ কৰা আত্ম-সংস্থাপনমূলক আঁচনিসমূহৰ ভিতৰত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান (এম এম ইউ এ) খনেই হ'ল সৰ্ববৃহৎ।

(৪০) প্ৰাৰম্ভিক মূলধন হিচাপে ১০,০০০ টকাৰ উদ্যমিতা পুঁজি আগবঢ়াই আমি গ্ৰামাঞ্চলৰ ৩০ লাখ আত্মসহায়ক গোট আৰু নগৰাঞ্চলৰ ২ লাখ আত্মসহায়ক গোটৰ সদস্যক সামৰি ল'ম।

(৪১) এই পুঁজিৰ সদ্ব্যৱহাৰ কৰিবলৈ সক্ষম হ'লে বেংকৰ জৰিয়তে ২৫,০০০ টকাৰ ঋণ আগবঢ়োৱা হ'ব। এই ঋণৰ বিপৰীতে ৰাজসাহায্য আগবঢ়োৱাৰ মই ঘোষণা কৰিলোঁ।

(৪২) ২০২৫ বৰ্ষৰ ১ এপ্ৰিলত বিহালী বিধানসভা সমষ্টিৰ পৰা এই আঁচনিখন শুভাৰম্ভ কৰাৰ কথা অৱগত কৰিবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ বাবে আমাৰ চৰকাৰে ৩,০৩৮ কোটি টকা ব্যয় কৰিব।

## III. মুখ্যমন্ত্ৰীৰ নিযুত মইনা

(৪৩) মহাশয়, 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা' আঁচনিয়ে শিক্ষা সমাপ্ত নকৰাকৈয়ে বিদ্যালয় ত্যাগ কৰা ছাত্ৰীৰ হাৰ হ্ৰাস তথা বাল্য বিবাহৰ দৰে কু-সংস্কাৰ ৰোধ কৰি স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। এই আঁচনিখন লিংগ সমতা আৰু ব্যাপক উন্নয়নৰ প্ৰতি থকা আমাৰ দায়বদ্ধতাৰ প্ৰতীক।

(৪৪) ১০ মাহৰ বাবে প্ৰতিমাহে একাদশ শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে ১,০০০ টকা, স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰীসকলৰ বাবে ১,২৫০ টকা আৰু স্নাতকোত্তৰ তথা বি এডৰ প্ৰথম বৰ্ষৰ ছাত্ৰীসকললৈ ২,৫০০ টকাকৈ প্ৰদান কৰি স্ত্ৰী শিক্ষাক আগুৱাই নিয়াৰ লক্ষ্যৰে আমি এই আঁচনিখন আৰম্ভ কৰিছোঁ।

যোৱা বৰ্ষত এই পদক্ষেপৰ জৰিয়তে প্ৰায় ১.৮ লাখ ছাত্ৰী উপকৃত হৈছিল।

(৪৫) অধ্যক্ষ মহোদয়, মই অতি সন্তুষ্টিৰে ঘোষণা কৰোঁ যে এই বৰ্ষত আমি ৪.৩ লাখ ছাত্ৰীলৈ নিযুত মইনা আঁচনিখন সম্প্ৰসাৰণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছোঁ। এই সম্প্ৰসাৰণে দ্বিতীয় বৰ্ষলৈ উত্তীৰ্ণ হোৱা ছাত্ৰীসকলক উপকৃত কৰাৰ লগতে প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰীসকলকো ই সামৰি ল'ব।

(৪৬) তদুপৰি, চৰকাৰী শৈক্ষিক প্ৰতিষ্ঠানত নিজ ব্যয়ৰে পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীসকললৈ এই সুবিধা সম্প্ৰসাৰণ কৰিবলৈ মই প্ৰস্তাৱ লৈছোঁ।

(৪৭) প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (DBT)ৰ জৰিয়তে ছাত্ৰীসকলক এই লাভালাভ সঠিক সময়ত মুকলি কৰি দিয়াটো নিশ্চিত কৰিবলৈ মই ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩৯১ কোটি টকা আবণ্টন কৰিলোঁ।

## IV. বিদ্যালয় প্ৰাদেশিকীকৰণ

(৪৮) অধ্যক্ষ মহোদয়, মঞ্জুৰী নথকাৰ বাবে অসম শিক্ষা (শিক্ষকৰ সেৱাৰ প্ৰাদেশিকীকৰণ আৰু শিক্ষা প্ৰতিষ্ঠান পুনৰ গঠন) আইন ২০১৭ৰ ২০১৮ চনত হোৱা সংশোধনীৰ অধীনত প্ৰাদেশিকীকৰণ কৰিব নোৱাৰা ১ জানুৱাৰী, ২০০৬ বা তাৰ পূৰ্বে স্থাপিত শিক্ষা প্ৰতিষ্ঠানৰ প্ৰাদেশিকীকৰণৰ মই প্ৰস্তাৱ আগবঢ়াইছোঁ।

(৪৯) ইয়াৰ বাবে আপত্তি বিহীন প্ৰমাণপত্ৰ/অনুমতি/স্বীকৃতি/অন্তৰ্ভুক্তি/মঞ্জুৰী আৰু শিক্ষা অনুষ্ঠানখনৰ নামত ১ জানুৱাৰী, ২০০৬ বা তাৰ পূৰ্বে মাটি থকা বুলি উপযুক্ত কৰ্তৃপক্ষই দিয়া প্ৰমাণপত্ৰ গ্ৰহণ কৰাৰ বাবে মই প্ৰস্তাৱ দিলোঁ।

(৫০) প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াৰ সময়ত শিক্ষানুষ্ঠান বাছনিৰ বাবে শৈক্ষিকভাৱে পিছপৰা খণ্ড আৰু ষষ্ঠ অনুসূচীৰ জিলাসমূহত কিছু যোগ্যতাৰ মাপকাঠি শিখিল কৰা হ'ব। ইয়াৰ বাবে আইন প্ৰণয়ন কৰিবলৈ শিক্ষা বিভাগে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

(৫১) মই লগতে ঘোষণা কৰো যে যিসকল টিউটৰে সংশোধিত অসম শিক্ষা (শিক্ষকৰ সেৱাৰ প্ৰাদেশিকীকৰণ আৰু শিক্ষা অনুষ্ঠানৰ পুনৰ গঠন) আইন, ২০১৭ অনুসৰি শৈক্ষিক আৰু পেছাগত অৰ্হতা পাঁচ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব তেওঁলোকক শিক্ষকৰ পদলৈ উন্নীতকৰণ অব্যাহত থাকিব।

## V. মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা

(৫২) মহোদয়, যুৱ প্ৰজন্মক সমৰ্থ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখি শিক্ষা সামৰি নিয়োগ বিচৰা স্নাতকসকলক সহায়ৰ বাবে আমি দায়বদ্ধ। তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰক স্বীকৃতি দি চাকৰি সন্ধান কৰাৰ সময়ছোৱাত তেওঁলোকক সুস্থিৰতা আৰু উৎসাহ দিবলৈ আমি এক বিত্তীয় সহায়ৰ কাৰ্যসূচী আৰম্ভ কৰিছোঁ। এই পদক্ষেপ নিবনুৱা ভাত্তা নহয়। ই হৈছে প্ৰতিযোগিতামূলক পৰীক্ষা, সাক্ষাৎকাৰ আৰু উদ্যমিতা ক্ষেত্ৰলৈ সাজু কৰাত সহায়ৰ বাবে এক অনুপ্ৰেৰণামূলক সমৰ্থন।

(৫৩) মই আনন্দৰে ঘোষণা কৰোঁ যে অসমৰ চৰকাৰী বিশ্ববিদ্যালয়/ মহাবিদ্যালয়ৰ পৰা ২০২৫ চনত উত্তীৰ্ণ হোৱা স্নাতকলৈ এবছৰৰ বাবে প্ৰতি মাহে ২,৫০০ টকাকৈ *মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা*ৰ অধীনত প্ৰদান কৰা হ'ব।

(৫৪) ইয়াৰ উপৰি, জিলা আয়ুক্তৰ পৰামৰ্শ মৰ্মে মাহে ২,৫০০ টকাৰ পৰিৱৰ্তে ২৫,০০০ টকাৰ এককালীন বিত্তীয় সাহায্য আমি আগবঢ়াম।

(৫৫) মহোদয়, মই ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছোঁ যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ মৰমৰ ভাগিনসকলৰ বাবে এই উৎসৰ্গিত পদক্ষেপ গ্ৰহণ কৰা হৈছে।

(৫৬) এই আঁচনিৰ অধীনত শৈক্ষিক উৎকৃষ্টতাক উৎসাহিত কৰাৰ এক উদ্ভাৱনীমূলক পদক্ষেপৰ কথা মই লগতে আনন্দেৰে ঘোষণা কৰিছোঁ। ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ বিশ্ববিদ্যালয়ৰ গৱেষক শিক্ষাৰ্থীৰ বাবে লিংগ নিৰ্বিশেষে ২৫,০০০ টকা আৰু দিব্যাংগ গৱেষক শিক্ষাৰ্থীৰ বাবে

৫০,০০০ টকাৰ এককালীন অনুদান আগবঢ়োৱাৰ মই প্ৰস্তাৱ দিলোঁ।

(৫৭) এই আঁচনিৰ বাবে কেৱল অসমৰ স্থায়ী বাসিন্দাহে যোগ্য বিবেচিত হ'ব। *মুখ্যমন্ত্ৰীৰ নিযুত মইনাৰ* পূৰ্বৰ, বৰ্তমানৰ আৰু ভৱিষ্যতৰ হিতাধিকাৰীসকল ইয়াৰ বাবে বিবেচিত নহ'ব।

(৫৮) মই আনন্দেৰে জনাওঁ যে আমি *মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা* ২০২৫ চনৰ অক্টোবৰ মাহত আৰম্ভ কৰিম। ইয়াৰ ৰূপায়ণৰ বাবে মই ২৫ কোটি টকা ধাৰ্য্য কৰিলোঁ।

## VI. মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA)

(৫৯) মহোদয়, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) হৈছে এটা ৰূপান্তৰকাৰী পদক্ষেপ, যাৰ লক্ষ্য হৈছে অসমৰ অতি ক্ষুদ্ৰ উদ্যমীসকলক আনুষ্ঠানিক ক্ষেত্ৰলৈ আগুৱাই অনা।

(৬০) মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ত ইতিমধ্যে প্ৰায় ২৫,০০০ হিতাধিকাৰীক বিত্তীয় সাহায্যৰে সমৰ্থন আগবঢ়োৱা হৈছে। প্ৰতিজন উদ্যমী হিতাধিকাৰীয়ে প্ৰথমে ৭৫,০০০ টকা আৰু দ্বিতীয় পৰ্যায়ত ২৫,০০০ টকা লাভ কৰে।

(৬১) মহোদয়, মই এই কথা ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে এই বছৰ, প্ৰথম পৰ্যায়ৰ মূল্যায়নৰ অন্তত, আমি এই ২৫,০০০ হাজাৰৰো অধিক হিতাধিকাৰীক দ্বিতীয় পৰ্যায়ত একলাখকৈ টকা প্ৰদান কৰিম । তদুপৰি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান ২.০ ৰ অধীনত আমি ৭৫,০০০ নতুন হিতাধিকাৰীক এইবছৰ সামৰি ল'ম। ইয়াৰ সৈতে, এই এক লাখ যোগ্য যুৱক-যুৱতীৰ প্ৰতিজনে ২ লাখ টকাকৈ আৰ্থিক সাহায্য লাভ কৰিব।

(৬২) তদুপৰি, যিসকলে বৃত্তিগত ডিগ্ৰী সম্পূৰ্ণ কৰিছে তেওঁলোকে ৫ লাখ টকাকৈ অৰ্থ-সাহায্য লাভ কৰিবলৈ যোগ্য বিবেচিত হয়।

(৬৩) সকলোৰে সামগ্ৰিক বিকাশৰ প্ৰতি আমাৰ চৰকাৰে প্ৰদান কৰা গুৰুত্বৰ আধাৰত মই এই আঁচনিৰ মুঠ হিতাধিকাৰীৰ চাৰি শতাংশ দিব্যাংগজনৰ

বাবে সংৰক্ষিত ৰখাৰ কথা ঘোষণা কৰিলোঁ।

(৬৪) এই ধ্বজাবাহী কাৰ্যসূচীৰ বাবে মই এই বছৰটোত ৭৭৩ কোটি টকা উপলব্ধ কৰিম।

## VII. এক লক্ষাধিক নিযুক্তি প্ৰদান

(৬৫) মাননীয় অধ্যক্ষ মহোদয়, মই অতি গৌৰৱেৰে জনাব বিচাৰিছো যে অসম চৰকাৰে যুৱক-যুৱতীসকলক দিয়া এক লাখ নিযুক্তি প্ৰদানৰ প্ৰতিশ্ৰুতি সফলভাৱে সম্পন্ন কৰিবলৈ সক্ষম হৈছে। ২০২৫ চনৰ জানুৱাৰী মাহলৈ স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তে ১,১৯,৮৯৯ গৰাকী যুৱক-যুৱতীৰ নিযুক্তি সম্পূৰ্ণ কৰা হৈছে।

*তালিকা ৫ ঃ ২০২১ চনৰ পৰা বিভিন্ন বিভাগ অনুসৰি নিযুক্তিৰ বিৱৰণ*

| ক্ৰমিক নং | বিভাগ/স্বায়ত্তশাসিত পৰিষদ/ সঞ্চালকালয়/ৰাজহুৱা খণ্ডৰ উদ্যোগ | নিযুক্তিৰ সংখ্যা |
|---|---|---|
| ১ | প্ৰশাসনিক সংস্কাৰ, প্ৰশিক্ষণ আৰু ৰাজহুৱা ওজৰ আপত্তি বিভাগ | ৩৭ |
| ২ | কৃষি বিভাগ | ১৫৩ |
| ৩ | পশু পালন আৰু পশু চিকিৎসা বিভাগ | ১,৯১১ |
| ৪ | বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদ | ৩,৮৮২ |
| ৫ | সীমা সুৰক্ষা আৰু উন্নয়ন বিভাগ | ৬ |
| ৬ | সমবায় বিভাগ | ৩৭১ |
| ৭ | সাংস্কৃতিক পৰিক্ৰমা বিভাগ | ১০৩ |
| ৮ | নিৰ্বাচন বিভাগ | ১২ |
| ৯ | পৰিবেশ আৰু বন বিভাগ | ৩,৩৯৫ |
| ১০ | আবকাৰী বিভাগ | ৩৩৭ |
| ১১ | বিত্ত বিভাগ | ১,৫৬১ |
| ১২ | মীন বিভাগ | ১৫৫ |
| ১৩ | খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ | ২৯৭ |
| ১৪ | সাধাৰণ প্ৰশাসন বিভাগ | ১,৫০৩ |
| ১৫ | ৰাজ্যপালৰ সচিবালয় বিভাগ | ১০ |

| | | |
|---|---|---|
| ১৬ | হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগ | ৬২০ |
| ১৭ | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ | ৫,৫২২ |
| ১৮ | উচ্চ শিক্ষা বিভাগ | ৪,১১২ |
| ১৯ | পাৰ্বত্য অঞ্চল বিভাগ | ৫ |
| ২০ | গৃহ আৰু ৰাজনৈতিক বিভাগ | ১৭,৯৮০ |
| ২১ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ | ৪০৪ |
| ২২ | খিলঞ্জীয়া তথা জনজাতি বিশ্বাস আৰু সংস্কৃতি বিভাগ | ৫০ |
| ২৩ | উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ | ২৮৭ |
| ২৪ | তথ্য প্ৰযুক্তি বিভাগ | ৬ |
| ২৫ | তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগ | ১০০ |
| ২৬ | জলসিঞ্চন বিভাগ | ১,৬৯৪ |
| ২৭ | ন্যায়িক বিভাগ | ১২ |
| ২৮ | কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ | ৮৪২ |
| ২৯ | শ্ৰমিক কল্যাণ বিভাগ | ২৫১ |
| ৩০ | বিধায়িনী বিভাগ | ২৩ |
| ৩১ | চিকিৎসা বিজ্ঞান শিক্ষা আৰু গৱেষণা বিভাগ | ৩,২৭৯ |
| ৩২ | খনি আৰু খনিজ সম্পদ বিভাগ | ৯৯ |
| ৩৩ | উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদ | ৭৬৭ |
| ৩৪ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ | ২,১৫৯ |
| ৩৫ | কৰ্মচাৰী বিভাগ | ২৭১ |
| ৩৬ | শক্তি বিভাগ | ৪৯৮ |
| ৩৭ | জনস্বাস্থ্য কাৰিকৰী বিভাগ | ৮২২ |
| ৩৮ | লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ | ১,৭৯১ |
| ৩৯ | লোক নিৰ্মাণ (পথ) বিভাগ | ২,৭৩০ |
| ৪০ | ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ | ৮৭৫ |
| ৪১ | বিদ্যালয় শিক্ষা বিভাগ | ৫৫,৮৫৬ |
| ৪২ | বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিবৰ্তন বিভাগ | ৬ |
| ৪৩ | দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ | ৩৯৬ |
| ৪৪ | সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগ | ২১ |
| ৪৫ | ভূমি সংৰক্ষণ বিভাগ | ১৮৮ |
| ৪৬ | ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা বিভাগ | ২৭১ |

| | | |
|---|---|---|
| ৪৭ | চাহ্ জনজাতি কল্যাণ বিভাগ | ১ |
| ৪৮ | পৰ্যটন বিভাগ বিভাগ | ১৩২ |
| ৪৯ | ৰূপান্তৰ আৰু উন্নয়ন বিভাগ | ৪১৬ |
| ৫০ | পৰিবহণ বিভাগ | ৩২৯ |
| ৫১ | জনজাতি পৰিক্ৰমা বিভাগ | ২৮২ |
| ৫২ | জলসম্পদ বিভাগ | ২,৬৬৭ |
| ৫৩ | সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ | ১ |
| ৫৪ | মহিলা আৰু শিশু বিকাশ বিভাগ | ৪০১ |
| | **সৰ্বমুঠ** | **১,১৯,৮৯৯** |

(৬৬) এতিয়া আমি আমাৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতিৰ সীমা অতিক্ৰম কৰি অধিক নিযুক্তি প্ৰদানৰ দিশে আগবাঢ়িছোঁ। ইতিমধ্যে ৪০,৬৯৭ টা পদৰ বিজ্ঞাপন প্ৰকাশ হৈছে, আৰু তাৰ লগত সামঞ্জস্য ৰাখি আমাৰ চৰকাৰে প্ৰদান কৰা মুঠ চাকৰিৰ সংখ্যা ১,৬০,৫৯৬ লৈ বৃদ্ধি হ'বলৈ গৈ আছে।

*তালিকা ৬ ঃ নিযুক্তিৰ প্ৰকাশিত বিজ্ঞাপন*

| ক্ৰমিক নং | বিভাগ/পৰিষদ/আয়োগ | পদৰ সংখ্যা |
|---|---|---|
| ১ | তৃতীয় বৰ্গৰ পদৰ বাবে গঠিত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগ | ৭,৬৫০ |
| ২ | চতুৰ্থ বৰ্গৰ পদৰ বাবে গঠিত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগ | ৫,০০০ |
| ৩ | অসম লোকসেৱা আয়োগ | ১,২০৮ |
| ৪ | প্ৰাথমিক শিক্ষা সঞ্চালকালয় | ১০,০৫০ |
| ৫ | মাধ্যমিক শিক্ষা সঞ্চালকালয় | ৯,৭১৭ |
| ৬ | অসম অভিযন্তা সেৱা নিযুক্তি পৰিষদ | ৩৪৩ |
| ৭ | চিকিৎসা বিজ্ঞান আৰু স্বাস্থ্য নিযুক্তি পৰিষদ | ৪৯০ |
| ৮ | ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদ | ৬,২৩৯ |
| | **সৰ্বমুঠ** | **৪০,৬৯৭** |

(৬৭) মই মহামান্য সদনৰ সন্মানীয় সদস্যসকলৰ অৱলোকনৰ অৰ্থে তথ্যসহ মোৰ বাজেট বক্তৃতাৰ প্ৰতিলিপি সম্বলিত এটা পেন ড্ৰাইভ আগবঢ়াইছোঁ। এয়া প্ৰাৰম্ভিক প্ৰতিবেদন। নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত, ২০২৫ চনৰ অক্টোবৰ মাহত প্ৰতিজন বাছনিকৃত প্ৰাৰ্থীৰ নামসহ বিস্তাৰিত ৰূপত এখন পুস্তিকা প্ৰকাশ কৰা হ'ব।

**VIII. খাদ্য সুৰক্ষাৰ নিশ্চিতি**

***ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰীসকললৈ অতিৰিক্ত লাভ***

(৬৮) মহোদয়, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA), ২০১৩ৰ অধীনত ৰাজ্যৰ ৮৪ শতাংশ গ্ৰাম্য লোক আৰু ৬০ শতাংশ নগৰীয়া লোকলৈ খাদ্য যোগান ধৰা হৈছে।

(৬৯) আমাৰ উদ্যমী মুখ্যমন্ত্ৰীয়ে ৰেচন কাৰ্ডৰ গৰাকীলৈ চাউলৰ বাহিৰেও আন সামগ্ৰী বিতৰণ হোৱাটো বিচাৰিছে। অতি উৎসাহেৰে মই ঘোষণা কৰো যে এইবছৰৰ অক্টোবৰৰ পৰা আমি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ সকলো ৰেচনকাৰ্ডৰগৰাকীলৈ ৰাজসাহায্যযুক্ত হাৰত এক কিলোগ্ৰাম মচুৰ দালি, এক কিলোগ্ৰাম চেনি আৰু এক কিলোগ্ৰাম নিমখ যোগান ধৰিম। ৫ জনতকৈ অধিক সদস্য থকা পৰিয়াললৈ আমি অতিৰিক্ত এক কিলোগ্ৰাম মচুৰ দালি আগবঢ়াম।

(৭০) আৰম্ভণিতে, মই প্ৰতি কিলোগ্ৰাম মচুৰ দাইলত ২৫ টকাকৈ, প্ৰতি কিলোগ্ৰাম চেনিত ২০ টকাকৈ আৰু প্ৰতি কিলোগ্ৰাম নিমখত ১০ টকাকৈ ৰাজসাহায্যৰ প্ৰস্তাৱ কৰিলো। প্ৰতিটো সামগ্ৰীৰ মূল্য সূচাংকৰ ওপৰত ভিত্তি কৰি ৰাজসাহায্যৰ হাৰ ভিন্ন হ'ব। আমি লগতে সুলভ মূল্যৰ দোকানসমূহলৈ আনুসংগিক কমিছন আৰু পৰিবহণ ব্যয় আদায় দিম।

(৭১) এই পদক্ষেপে প্ৰতিটো পৰিয়ালে সুলভ মূল্যত প্ৰয়োজনীয় পুষ্টি পোৱাটো নিশ্চিত কৰিছে। ইয়াৰ বাবে মই এই বছৰৰ বাজেটত অতিৰিক্ত ৩৭০ কোটি টকাৰ আবণ্টন দিছোঁ।

## IX. ২০০ বছৰীয়া অসমৰ চাহ

***চাহ জনজাতি সম্প্ৰদায়লৈ সাহায্য প্ৰদান***

(৭২) অধ্যক্ষ মহোদয়, অসমৰ চাহ জনজাতি সম্প্ৰদায়লৈ কৃতজ্ঞতা জনাই মই ৰাজ্যখনৰ বৰ্তমানে থকা ৬.৮ লাখ চাহ শ্ৰমিকৰ প্ৰতিগৰাকীলৈ এককালীন বিত্তীয় সাহায্য হিচাপে ৫,০০০ টকাকৈ আগবঢ়োৱাৰ কথা ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছোঁ। ই কেজুৱেল শ্ৰমিক আৰু স্থায়ী শ্ৰমিক উভয়কে সামৰি ল'ব।

(৭৩) মই ইয়াৰ বাবে ৩৪২ কোটি টকা আবণ্টন দিছোঁ।

## X. আমাৰ কৰ্মচাৰীৰ হকে

(৭৪) অধ্যক্ষ মহোদয়, অসমৰ প্ৰগতিত চৰকাৰী কৰ্মচাৰীসকলৰ উৎসৰ্গীকৃত সেৱাৰ প্ৰতি স্বীকৃতি জনাই মই তেওঁলোকৰ কল্যাণৰ বাবে বিভিন্ন ব্যৱস্থাৰ কথা ঘোষণা কৰিবলৈ লৈছোঁ।

(৭৫) আমাৰ চৰকাৰে ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পূৰ্বে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হোৱা নিয়মীয়া কৰ্মচাৰীসকলক পেঞ্চন পুঁজি নিয়ন্ত্ৰক আৰু উন্নয়ন কৰ্তৃপক্ষৰ চুক্তি অনুসৰি নতুন পেঞ্চন আঁচনিৰ (NPS) তহবিলত জমা হোৱা চৰকাৰৰ বৰঙণিৰ অংশ ওভতাই দিয়াৰ চৰ্তত পুৰণি পেঞ্চন আঁচনিৰ (OPS) সুবিধা প্ৰদানৰ কথা বিবেচনা কৰিব। এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা নীতি-নিৰ্দেশনা অনুসৰণ কৰিম।

(৭৬) মই লগতে ঘোষণা কৰিব বিচাৰিছোঁ যে, নতুন পেঞ্চন আঁচনিয়ে সামৰি লোৱা ৰাজ্য চৰকাৰৰ কৰ্মচাৰীলৈ একীকৃত পেঞ্চন আঁচনিৰ (UPS) সুবিধা আগবঢ়োৱা হ'ব। ইয়াৰ দ্বাৰা ২.৮ লাখ কৰ্মচাৰী উপকৃত হ'ব, যদিও নতুন পেঞ্চন আঁচনি অব্যাহত ৰাখিব বিচৰাসকলে ৰাখিব পাৰিব।

(৭৭) আয়ুষ্মান অসম-মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ (AA-MMLSAY) অধীনত কেন্দ্ৰীয় চৰকাৰ স্বাস্থ্য আঁচনিৰ (CGHS) হাৰত ৰাজ্য চৰকাৰৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল, অসম কেঞ্চাৰ

কেয়াৰ ফাউণ্ডেচন/কেন্দ্ৰ আৰু বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত চৰকাৰে নগদবিহীন চিকিৎসা সুবিধা প্ৰৱৰ্তন কৰিব। তদুপৰি ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ নিয়মীয়া কৰ্মচাৰী, নিৰ্দিষ্ট বেতন লাভ কৰা মাষ্টাৰ ৰোল আৰু ৱৰ্ক-চাৰ্জড কৰ্মচাৰীসকল আৰু ৬০ বছৰ বয়সলৈ অধিসূচিত ঠিকাভিত্তিক কৰ্মচাৰীসকলকো সংশ্লিষ্ট সমিতিয়ে নিৰ্ধাৰণ কৰা চৰ্ত অনুসৰি সামৰি লোৱা হ'ব।

(৭৮) মহোদয়, আমাৰ চৰকাৰে আশাকৰ্মী, পি এম পোষণৰ ৰান্ধনী, অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ পাৰিতোষিক আদি বৃদ্ধিৰ দাবী সম্পৰ্কে অৱগত হৈছে। জনস্বাস্থ্য আৰু সমাজ কল্যাণৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়োৱা মূল্যৱান অৰিহণাৰ প্ৰতি স্বীকৃতি প্ৰদান কৰি ২০২৫ চনৰ ১ অক্টোবৰৰ পৰা তেওঁলোকৰ পাৰিতোষিক/চৰকাৰী ভাত্তা সংশোধন কৰাৰ লগতে এককালীন সাহায্য প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

(৭৯) নিৰ্দিষ্ট বেতন লাভ কৰা মাষ্টাৰৰোল আৰু ৱৰ্ক-চাৰ্জড কৰ্মচাৰীসকলক চৰকাৰে যোগ্য ঘৰ ভাৰা ভাত্তা (HRA)ৰ ৫০ শতাংশ প্ৰদান কৰিব।

(৮০) 'প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ মুফ্ট বিজলি যোজনা'ৰ প্ৰতি উৎসাহিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীক প্ৰতি কিলোৱাটত ২,০০০ টকাকৈ সৰ্বোচ্চ ৩ কিলোৱাটত ৬,০০০ টকা পৰ্যন্ত ৰাজ সাহায্য প্ৰদান কৰা হ'ব। এই সুবিধা ঘৰৰ চালত সৌৰ শক্তিচালিত বিদ্যুৎ আহৰণ ব্যৱস্থা সংস্থাপন কৰা ৫০,০০০ কৰ্মচাৰীক প্ৰথমে অহাসকলক প্ৰথম সেৱা ভিত্তিত উপকৃত কৰিব।

(৮১) মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছোঁ যে, 'আপোন ঘৰ' আঁচনিৰ অধীনত ৪০,০৫৪ জন কৰ্মচাৰী আৰু 'আপোন বাহন'ৰ অধীনত ৩,১৯০ জন কৰ্মচাৰীয়ে সুদৰ হাৰ ৰেহাইৰ সুবিধা লাভ কৰি আছে। এই ইতিবাচক সঁহাৰিয়ে এই আঁচনিখন ২০২৫-২৬ বিত্তীয় বৰ্ষতো অব্যাহত ৰাখিবলৈ আমাক উৎসাহিত কৰিছে। এই সুবিধা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ নিয়মীয়া কৰ্মচাৰী আৰু ৬০ বছৰ বয়সলৈকে অধিসূচিত ঠিকাভিত্তিক কৰ্মচাৰী সকললৈকো সম্প্ৰসাৰণ কৰা হ'ব।

(৮২) শূন্য ব্যয় দুৰ্ঘটনা আৰু মৃত্যু বীমা (Zero Cost Accident & Death Insurance)ৰ সুবিধা ঠিকাভিত্তিক আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ সেইসকল কৰ্মচাৰীলৈকো সম্প্ৰসাৰিত কৰাৰ কথা মই ঘোষণা কৰিলোঁ, যিসকলে তালিকাভুক্ত বাণিজ্যিক বেংকৰ পৰা দৰমহা লৈ আছে।

## XI. কিতাপৰ বৰ্ষ

(৮৩) অধ্যক্ষ মহোদয়, সাহিত্য চৰ্চাৰ প্ৰসাৰ আৰু গতিশীল গ্ৰন্থ সংস্কৃতি ধৰি ৰাখিব পৰাকৈ সাহিত্যৰ বিকাশ আৰু গ্ৰন্থৰ সৈতে জনসাধাৰণক জড়িতকৰণত উৎসাহ যোগোৱাত সমৰ্থন আগবঢ়াবলৈ আমি পৰিকল্পনা গ্ৰহণ কৰিছো।

(৮৪) মই ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছো যে সৃষ্টিশীল, বিজ্ঞানসন্মত আৰু শৈক্ষিক বিষয়ক লিখনিত বৰঙণি আগবঢ়োৱাসকলক গুৰুত্ব প্ৰদান কৰি ১০০০ যুৱ লেখকলৈ ২৫,০০০ টকাকৈ বিত্তীয় সমৰ্থন আগবঢ়াম।

(৮৫) আমি অসম প্ৰকাশন পৰিষদৰ অনুমোদন ক্ৰমে গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ জিলা সদৰৰ বাবে ৫ লাখ আৰু সম-জিলা সদৰৰ বাবে ২.৫ লাখ টকাকৈ বিত্তীয় সাহায্য আগবঢ়াম।

(৮৬) মই প্ৰস্তাৱ কৰো যে চৰকাৰী অনুষ্ঠানসমূহত সকলো চৰকাৰী উপহাৰ গ্ৰন্থ ৰূপত হোৱা উচিত, যাতে এই গ্ৰন্থসমূহৰ জৰিয়তে সংস্কৃতিৰ জ্ঞান আৰু বৌদ্ধিক সমৃদ্ধি ধৰি ৰাখিব পৰা যায়।

(৮৭) সমাজত অধ্যয়ন সংস্কৃতিক উৎসাহ যোগাবলৈ ব্যক্তিগত অনুষ্ঠান যেনে— জন্মদিন, বিবাহ ইত্যাদিত গ্ৰন্থ উপহাৰৰ সংস্কৃতি গঢ়ি তুলিবলৈ মই অসমৰ জনসাধাৰণক আহ্বান জনালোঁ।

(৮৮) আমি লগতে চৰকাৰী কৰ্মচাৰীসকলক গ্ৰন্থ ক্ৰয়ৰ বাবে ১০০০ টকাকৈ অতিৰিক্ত এককালীন অনুদান আগবঢ়াম।

## XII. বিস্তাৰিত অসম দৰ্শন

(৮৯) অধ্যক্ষ মহোদয়, অসম দৰ্শন আঁচনিৰ অধীনত আমাৰ চৰকাৰে ঐতিহ্য সংৰক্ষণ আৰু আন্তঃগাঁথনি উন্নয়ন কৰিবলৈ ১৭,০০০তকৈ অধিক ধৰ্মীয় প্ৰতিষ্ঠানলৈ সহায় আগবঢ়াইছে।

(৯০) মই বিস্তাৰিত অসম দৰ্শন আঁচনিৰ অধীনত অসমত ২৫,০০০ নামঘৰ আৰু আন ধৰ্মীয় প্ৰতিষ্ঠানলৈ বিত্তীয় সাহায্য আগবঢ়াবলৈ ঘোষণা কৰিছো।

(৯১) আমি প্ৰতিটো ধৰ্মীয় প্ৰতিষ্ঠানলৈ দুটা সমান কিস্তিত ৩ লাখ টকাকৈ দিম। ২০২৫ চনৰ ৩১ মাৰ্চৰ আগতে প্ৰথম কিস্তি আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত দ্বিতীয় কিস্তি মুকলি কৰি দিম।

(৯২) এই উদ্দেশ্যে মই ৪২০ কোটি টকা আগবঢ়াইছো।

## XIII. সুলভ বিদ্যুৎ

(৯৩) অধ্যক্ষ মহোদয়, সুলভ আৰু নিৰ্ভৰযোগ্য বিদ্যুৎ প্ৰতিটো পৰিয়ালৰ বাবে এটা মৌলিক প্ৰয়োজন। গ্ৰাহকসকলৰ বিত্তীয় বোজা সহজসাধ্য কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰিত সাহায্যৰ মাপকাঠি প্ৰৰৰ্তন কৰিবলৈ পাই মই সুখী হৈছো। এই ব্যৱস্থাই ২০২৫ চনৰ পহিলা মে'ৰ পৰা নিম্ন আৰু মধ্যবিত্ত গ্ৰাহকসকলক প্ৰত্যক্ষভাৱে লাভান্বিত কৰিব।

(৯৪) মই প্ৰতি মাহত ১২০ ইউনিট খৰচ কৰা জীৱনধাৰা (Jeevan Dhara) আৰু ঘৰুৱা শ্ৰেণীৰ গ্ৰাহকসকল (Domestic Category Consumers)ক প্ৰতিটো ইউনিটত ১ টকাকৈ হ্ৰাসৰ প্ৰস্তাৱ আগবঢ়ালো। এই ব্যৱস্থাই মুঠ ৬৮ লাখ গ্ৰাহকৰ ভিতৰত ৪৮ লাখ গ্ৰাহকক সকাহ দিব।

(৯৫) এই উদ্দেশ্যে মই এই বছৰত ৩০০ কোটি টকাৰ লক্ষ্য নিৰ্দ্ধাৰিত ৰাজসাহায্য আগবঢ়াম। যদি অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে (APDCL) ৰাজহ সংগ্ৰহত ইতিবাচক ধাৰা প্ৰদৰ্শন কৰি থাকিব পাৰে তেন্তে মই এই মাচুল পুনৰ হ্ৰাস কৰাৰ বাবে বিবেচনা কৰিম।

**XIV. অসমৰ অন্নদাতালৈ সহায়**

(৯৬) আমাৰ চৰকাৰে কৃষকসকলৰ পৰা প্ৰত্যক্ষভাৱে ধান আৰু সৰিয়হ ক্ৰয় কৰাৰ বাবে গ্ৰহণ কৰা অভিলাষী আঁচনিখনে সমগ্ৰ ৰাজ্যখনতে কৃষকসকলৰ মনোবল বৃদ্ধি আৰু হেজাৰ হেজাৰ কৃষকৰ অৰ্থনৈতিক সুস্থিৰতা সু-নিশ্চিতকৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

(৯৭) এই বছৰ ন্যূনতম সমৰ্থন মূল্যৰ উপৰি প্ৰতি কুইণ্টল ধানত ২৫০ টকা, প্ৰতি কুইণ্টল গোমধান (Maize)ত ২৫০ টকা আৰু প্ৰতি কুইণ্টল সৰিয়হত ৫০০ টকাকৈ চৰকাৰী সাহায্য আগবঢ়াবলৈ মই প্ৰস্তাৱ কৰিছোঁ। এতিয়া আমাৰ কৃষকসকলে প্ৰতি কুইণ্টল ধানৰ বাবদ ২,৫৫০ টকা, গোমধানৰ বাবদ ২,৪৭৫ টকা আৰু সৰিয়হৰ বাবদ ৬,৪৫০ টকা সমৰ্থন মূল্য লাভ কৰে।

(৯৮) সৰিয়হৰ উৎপাদন বৃদ্ধি কৰিবলৈ আৰু স্থানীয় কৃষকসকলক অৰ্থনৈতিকভাৱে সবল কৰিবলৈ মই জিলা সৰিয়হ অভিযান পদক্ষেপ (District Mustard Mission Initiative)ৰ কথা ঘোষণা কৰিছোঁ। ইয়াৰ অধীনত বিশুদ্ধ তথা উচ্চমানৰ সৰিয়হৰ তেল উৎপাদন কৰিব পৰাকৈ সৰিয়হ ক্ৰয় আৰু পেৰা (Milling)ৰ ক্ষেত্ৰত স্থানীয় কৃষক উৎপাদক কোম্পানীসমূহক আমি সহায় আগবঢ়াম। প্ৰতিখন অংশগ্ৰহণকাৰী জিলাই নিজা নিজা ব্ৰেণ্ডৰ সৰিয়হ তেল প্ৰস্তুত কৰিব লাগিব, যাৰ ফলত কৃষকসকলৰ বাবে বিপণনৰ উন্নত সুবিধা আৰু মূল্য সংযোজন নিশ্চিত হ'ব। এই অভিযানৰ লক্ষ্য হৈছে সমগ্ৰ অসমতে এটা সৰিয়হৰ আন্দোলন গঢ়ি তোলা, গ্ৰাম্য ঔদ্যোগীকৰণক উদগনি যোগোৱা আৰু এক সমৃদ্ধিশালী সৰিয়হৰ অৰ্থনীতি গঢ়ি তোলা।

(৯৯) মুখ্যমন্ত্ৰী উৎকৰ্ষ যোজনাৰ লক্ষ্য হৈছে কৃষক উৎপাদক সংস্থা (FPO) সমূহক শক্তিশালী কৰা। কৃষি যান্ত্ৰিকীকৰণ, ফচল চপোৱাৰ পিছৰ প্ৰক্ৰিয়াকৰণ, সামৰ্থ্য বৃদ্ধি আৰু কৃষি কৰ্ম পৰিচালনা ব্যয়ৰ বাবে মই প্ৰায় ৫০০টা কৃষক উৎপাদক সংস্থাক ১০ লাখ টকাকৈ প্ৰদান কৰিম।

(১০০) তদুপৰি মই এই বছৰৰ বাবে ১৫ কোটি টকাৰ প্ৰাৰম্ভিক ক'ৰ্পাচ পুঁজিৰে এখন ঋণ প্ৰত্যাভূতি পুঁজি আঁচনি (Credit Guarantee Fund Scheme)ৰ প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ দ্বাৰা ঋণ প্ৰদানকাৰী সংস্থাসমূহে কৃষক উৎপাদক সংস্থাসমূহক বন্ধকমুক্ত (Collateral-free) ঋণ প্ৰদান কৰিবলৈ সক্ষম হ'ব।

**XV. আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে বিকাশ ত্বৰান্বিতকৰণ**

(১০১) অধ্যক্ষ মহোদয়, অসমৰ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে এলানি ৰূপান্তৰকাৰী প্ৰকল্প হাতত লোৱাৰ বিষয়ে মই প্ৰস্তাৱ কৰিছোঁ।

(১০২) 'অসম মালা'ৰ অধীনত মই 'এক জিলা এক পথ' প্ৰকল্পৰ বিষয়ে ঘোষণা কৰিব বিচাৰিছোঁ। ইয়াৰ অধীনত প্ৰতিখন জিলাতে ২৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হ'ব।

(১০৩) নগৰীয়া যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধনৰ অৰ্থে আমি শিলচৰ চহৰত এখন উৰণ সেতু নিৰ্মাণ কৰিম।

(১০৪) ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলাৰ সংকল্পৰে আমি ডিব্ৰুগড়ত এটা নতুন বিধানসভা ভৱন আৰু বিধায়কৰ হোষ্টেল নিৰ্মাণ কৰিম।

(১০৫) নতুনকৈ গঠিত সম-জিলাসমূহত শাসন ব্যৱস্থা উন্নত কৰাৰ অৰ্থে আমি ১৭ টা স্থায়ী কাৰ্যালয় গৃহ নিৰ্মাণ কৰিম।

(১০৬) আমাৰ স্বাস্থ্যসেৱাক অধিক শক্তিশালী কৰি তুলিবলৈ আমি দৰঙত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিম।

(১০৭) আমি কাৰ্বি আংলঙত এখন কৃষি মহাবিদ্যালয় আৰু এখন পশু চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰিম।

(১০৮) আমি শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত এখন কৃষি মহাবিদ্যালয় স্থাপন কৰিম।

(১০৯) আমি দশম অসম আৰক্ষী বেটেলিয়নক গুৱাহাটীৰ পৰা সোণাপুৰৰ কচুতলীলৈ স্থানান্তৰ কৰিম। ইয়াৰ দ্বাৰা জনজাতীয় লোকসকলে

তেওঁলোকৰ জনজাতীয় বেল্টত থকা ভূমিত হোৱা বেদখলৰ পৰা সুৰক্ষা লাভ কৰিব। ইয়াৰ উপৰি এই ব্যৱস্থাই আধুনিক আন্তঃগাঁথনিসহ এখন বিশ্বমানৰ কেন্দ্ৰীয় ব্যৱসায়িক জিলা গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰক সুযোগ প্ৰদান কৰিব।

(১১০) অধ্যক্ষ মহোদয়, মই প্ৰতিটো প্ৰকল্পৰ ওপৰত বিশদভাৱে ব্যাখ্যা আগবঢ়োৱাৰ পৰিৱৰ্তে নিম্নোক্ত তালিকাখনত মই ব্যয় প্ৰাক্কলনসহ কেতবোৰ প্ৰকল্পৰ চমু বিৱৰণ দাঙি ধৰিব বিচাৰিছোঁ—

*তালিকা ৭ ঃ আন্তঃগাঁথনি প্ৰকল্প*

| ক্ৰমিক নং | প্ৰকল্পৰ নাম | প্ৰাক্কলিত ব্যয় (কোটি টকাত) |
|---|---|---|
| ১ | সকলো জিলাতে অসম মালাৰ অধীনত ২৫ কিঃ মিঃ দৈৰ্ঘ্যৰ এক জিলা এক পথ | ২৬২৫ |
| ২ | ডিব্ৰুগড়ত নতুন বিধানসভা ভৱন আৰু বিধায়ক হোষ্টেল | ২০০ |
| ৩ | দৰঙত চিকিৎসা মহাবিদ্যালয় | ৫৮২ |
| ৪ | কনকলতা বিশ্ববিদ্যালয় | ৪০০ |
| ৫ | ৰংমহলত নতুন উচ্চ ন্যায়ালয় ভৱন | ৪০৫ |
| ৬ | নেহৰু ষ্টেডিয়াম ফিফা কেন্দ্ৰ | ৬৭৫ |
| ৭ | কাৰ্বি আংলঙত কৃষি মহাবিদ্যালয় | ২০৬ |
| ৮ | কাৰ্বি আংলঙত পশুচিকিৎসা মহাবিদ্যালয় | ৩৭৪ |
| ৯ | কাৰ্বি আংলঙত সৈনিক স্কুল | ৩৭৫ |
| ১০ | নতুন সম-জিলাসমূহত ১৭টা স্থায়ী কাৰ্যালয় ভৱন | ৩৩১ |
| ১১ | কোকৰাঝাৰত অত্যাধুনিক ক্ৰীড়া ষ্টেডিয়াম | ১০৮ |
| ১২ | শিলচৰ চহৰত উৰণ সেতু (প্ৰথম পৰ্যায়ত) | ৭০০ |
| ১৩ | গোলাঘাট জিলাৰ পাণবাৰীত প্ৰাকৃতিক বুৰঞ্জী সংগ্ৰহালয় প্ৰকল্প | ৫০০ |

## XVI. অসমৰ ঔদ্যোগিক পৰিৱেশ শক্তিশালীকৰণ

(১১১) অধ্যক্ষ মহোদয়, এডভাণ্টেজ আছাম ২.০-এ অসমত এক ঔদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি কৰিছে। অৱশ্যে, প্লাগ এণ্ড প্লে আন্তঃগাঁথনিৰ সৈতে উপযুক্ত ঔদ্যোগিক উদ্যান অবিহনে উদ্যোগসমূহক স্থান আগবঢ়োৱাটো এক প্ৰত্যাহ্বান হ'ব। এই কথা উপলব্ধি কৰি মই ডিব্ৰুগড়, গোলাঘাট শিলচৰ, জাগীৰোড, পলাশবাৰী, তেজপুৰ আৰু নলবাৰীত ভূমিৰ উপলব্ধতা সাপেক্ষে উচ্চমানৰ ঔদ্যোগিক সা-সুবিধাৰে নতুন ঔদ্যোগিক উদ্যান গঢ়ি তোলাৰ প্ৰস্তাৱ লৈছোঁ। ইয়াৰ বাবে আমি পৰ্যায়ক্ৰমে ৫০০ কোটি টকা ব্যয় কৰিম।

(১১২) ইয়াৰ লগতে আমি এছীয় উন্নয়নী বেংকৰ বিত্তীয় সাহায্যৰে জাগীৰোড আৰু পলাশবাৰীত নতুন বৃহৎ টাউনশ্বিপ প্ৰকল্প ৰূপায়ণৰ পৰিকল্পনা কৰিছোঁ। ইয়াৰ বাবে ৮,০০০ কোটি টকাৰ এটা প্ৰকল্প ৰূপায়ণ কৰিবলৈ লোৱা হৈছে।

(১১৩) ঔদ্যোগিক বিকাশ অধিক ত্বৰান্বিত কৰিবলৈ মই ৰাজ্যখনত এটা ঔদ্যোগিক ভূমি বেংক গঢ়ি তোলাৰ কথা ঘোষণা কৰিছোঁ। বৰ্তমান আমাৰ ৩,১০০ একৰ আবণ্টনযোগ্য ভূমিসহ ৬,৫০০ একৰ ঔদ্যোগিক ভূমি আছে। ইয়াৰ উপৰি ১১,৬৬০ একৰ ভূমি উন্নয়ন সাধন কৰিবলৈ লোৱা হৈছে।

(১১৪) পৰ্যায়ক্ৰমে অসমত এক শক্তিশালী ঔদ্যোগিক পৰিৱেশ গঢ়ি তোলাৰ অৰ্থে মই এই পদক্ষেপসমূহৰ বাবে ২,০০০ কোটি টকাতকৈ অধিক ধন আবণ্টন দিছোঁ।

## XVII. বনমিত্ৰ অভিযান

(১১৫) অধ্যক্ষ মহোদয়, মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই তেখেতৰ *মন কী বাত* অনুষ্ঠানত নেপিয়াৰ ঘাঁহ খেতিৰ জৰিয়তে মানুহ-জন্তুৰ সংঘাত দূৰীকৰণৰ ক্ষেত্ৰত অসমৰ প্ৰচেষ্টাৰ শলাগ লৈছিল। দ্ৰুততাৰে বঢ়া এই পশু খাদ্যই প্ৰাকৃতিক বাধা হিচাপে কাম

করি শস্য পথাৰত হাতীৰ উপদ্ৰৱ হ্ৰাস কৰাৰ লগতে ঘনীভূত জৈৱ গেছৰ (CBG) উৎপাদনতো সহায় কৰে। উল্লেখ্য যে আগশাৰীৰ ঔদ্যোগিক প্ৰতিষ্ঠানে ইতিমধ্যে এই ক্ষেত্ৰত অসমৰ বাবে নতুন অৰ্থনৈতিক সুযোগ সৃষ্টিত সহায় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আমাৰ চৰকাৰে নেপিয়াৰ ঘাঁহৰ বাণিজ্যিক উৎপাদনত উৎসাহিত কৰিবলৈ পদক্ষেপ হাতত ল'ব।

(১১৬) আটাইতকৈ বেছি হাতী-মানুহৰ সংঘাত থকা ৫ খন জিলা— গোৱালপাৰা, ওদালগুৰি, নগাঁও, বাক্সা আৰু শোণিতপুৰত *গজ মিত্ৰ* কাৰ্যসূচী মই আনন্দৰে ঘোষণা কৰিছোঁ। হাতীৰ বাসস্থান উন্নত কৰা, হাতীৰ গতি-বিধিৰ প্ৰতি মুহূৰ্তৰ সতৰ্কতা পাবৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা-নিৰ্ভৰ কেমেৰা ব্যৱহাৰ কৰা আৰু হাতীয়ে খাদ্য বিচাৰি সঘনাই অহা-যোৱা কৰা অঞ্চলত আগতীয়াকৈ ধান ক্ৰয় কৰাত ই গুৰুত্ব আৰোপ কৰিব। অতিৰিক্তভাৱে এই পদক্ষেপত সহায় কৰাৰ বাবে এই অঞ্চলবোৰত *গজ মিত্ৰ* দল গঠন কৰা হ'ব।

(১১৭) হলৌ বান্দৰ, সোণালী বান্দৰ আৰু আন বান্দৰ প্ৰজাতিৰ জন্তুবোৰে সঘনাই পাৰ হোৱা পথ আৰু ৰে'ল লাইনৰ অংশবোৰত বিজ্ঞানসন্মত আৰ্হিৰে সুৰক্ষা জালসহ মজবুত ওলমা দলং নিৰ্মাণেৰে সিহঁতৰ সুৰক্ষিত আহ-যাহ নিশ্চিত কৰি বন্যজীৱৰ প্ৰতি সৃষ্টি হোৱা ভাবুকি হ্ৰাস কৰা হ'ব।

(১১৮) বন্য জীৱ ঘূৰি ফুৰা এলেকাত মুকলি হৈ থকা ট্ৰেন্সফৰ্মাৰ আৰু ওপৰেৰে যোৱা বিদ্যুৎ সংবহন তাঁৰ আদি বৈদ্যুতিক যন্ত্ৰাংশ আমি নিৰাপদ কৰিম।

(১১৯) মানৱ-বন্যজন্তুৰ সংঘাতৰ ফলত কোনো ব্যক্তিৰ মৃত্যু হ'লে এককালীন সাহায্য ৪ লাখ টকাৰ পৰা ৫ লাখ টকালৈ আৰু বন্য জন্তুৰ উপদ্ৰৱৰ ফলত শস্য নষ্ট হোৱাৰ ক্ষতিপূৰণ প্ৰতি বিঘাত ৭,৫০০ টকাৰ পৰা ৮,০০০ টকালৈ বৃদ্ধি কৰাৰ মই প্ৰস্তাৱ আগবঢ়ালোঁ।

(১২০) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ভ্ৰমণৰ বাবে ব্যৱহৃত পুৰণি জিপ্‌ছিবোৰ আঁতৰাই আমি নতুন বাহন, বিশেষকৈ বৈদ্যুতিক বাহন যোগান ধৰিম। ইয়াৰ বাবে বেংকৰ সহায়ত কৰা বিত্তীয় আৰ্হিৰ সবিশেষ নিৰ্দেশনা পৰ্যটন বিভাগে জাৰি কৰিব। এই পদক্ষেপৰ বাবে মই ২০ কোটি টকা আবণ্টন দিলোঁ।

## XVIII. অসম চুক্তিৰ ৬ নং দফাৰ ৰূপায়ণ

(১২১) অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ ভূমি, ভাষা আৰু সংস্কৃতিক পৰ্যাপ্ত ৰক্ষাকবচ প্ৰদানৰ বাবে আমাৰ চৰকাৰ দায়বদ্ধ। সেই অনুসৰি, অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে ন্যায়ধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত উচ্চ পৰ্যায়ৰ সমিতিয়ে আগবঢ়োৱা অনুমোদন অসম চৰকাৰে পৰীক্ষা কৰি ৰাজ্য চৰকাৰৰ আওঁতাৰ ভিতৰত পৰা অনুমোদনবোৰ ৰূপায়ণৰ বাবে সিদ্ধান্ত লৈছে।

(১২২) ২০২৪ চনৰ ১২ ছেপ্টেম্বৰত লখিমপুৰত অনুষ্ঠিত কেবিনেট বৈঠকত ৰাজ্য চৰকাৰৰ সৈতে সম্পৰ্কিত ৫২ টা সিদ্ধান্তৰ আটাইকেইটা ৰূপায়ণ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। আমি সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ সৈতে আলোচনা অব্যাহত ৰাখিছোঁ আৰু এতিয়ালৈকে ৩৯ টা অনুমোদন ৰূপায়ণৰ কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰিবলৈ পাৰস্পৰিক সন্মতিত উপনীত হৈছোঁ। মই নিম্নোক্ত গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ ঘোষণা কৰিছোঁ—

i. গৱেষণা কাৰ্য আৰু সংৰক্ষণ তথা নথিভুক্তিকৰণ আদিৰ বাবে আধুনিক প্ৰযুক্তি আহৰণ কৰিবলৈ মই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ দুটা সম পৰিমাণৰ বাৰ্ষিক কিস্তিত ১০০ কোটি টকাৰ এককালীন অনুদান আগবঢ়োৱাৰ ঘোষণা কৰিলোঁ।

ii. আমি ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু দূৰদৰ্শন প্ৰতিষ্ঠানখনক এবছৰৰ ভিতৰত বৰ্তমানৰ ডিপ্ল'মা পৰ্যায়ৰ পৰা স্নাতক পৰ্যায়লৈ উন্নীত কৰিম।

iii. মই ঘোষণা কৰিলোঁ যে মুঠ তিনিটা পৰ্যায়ত অসমৰ সকলো জিলা সদৰত 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন' নামেৰে বহুমুখী সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰিম। প্ৰতিটো প্ৰকল্প অত্যাধুনিক প্ৰেক্ষাগৃহ, সন্মিলন কক্ষ, কলা- বীথিকা আদিৰে সু-সজ্জিত হ'ব। প্ৰেক্ষাগৃহসমূহত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন তথা আদৰ্শ প্ৰদৰ্শিত হ'ব। ৩৫খন জিলাৰ বাবে ব্যয় কৰিবলগীয়া ৭০০ কোটি টকাৰ ভিতৰত ১২ খন জিলাৰ বাবে ২৪০ কোটি টকা মই এই বাজেটত আবণ্টন দিলোঁ।

iv. আমি সকলো জিলা আৰু উপ-জিলাৰ প্ৰতিটো জনজাতি আৰু অন্যান্য নৃগোষ্ঠীয় সম্প্ৰদায়ৰ বাবে পৃথকে পৃথকে বহুমুখী সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰিম। এনে প্ৰতিটো সাংস্কৃতিক প্ৰকল্পৰ বাবে মই ৫ কোটি টকাৰ আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ। প্ৰাৰম্ভিক পৰ্যায়ত ২০২৫-২৬ বৰ্ষৰ সময়ছোৱাত ২০টা এনেকুৱা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবে মই ১০০ কোটি টকাৰ আবণ্টন দিলোঁ।

v. এই বৰ্ষত আমি কামৰূপ (মেট্ৰ') জিলাৰ গুৱাহাটী জিলা পুথিভঁৰালক এখন উচ্চ পৰ্যায়ৰ সমিতিয়ে আগবঢ়োৱা পৰামৰ্শাৱলীৰ ভিত্তিত উন্নীত কৰাৰ পৰিকল্পনা লৈছোঁ। অসমীয়া আৰু অসমৰ অন্যান্য খিলঞ্জীয়া লোকৰ বাবে আমি আন এটা বহুভাষিক কেন্দ্ৰীয় পুথিভঁৰাল নিৰ্মাণ কৰিম।

vi. আমি অসমৰ প্ৰখ্যাত চুফি সন্ত আজান পীৰে ৰচনা কৰা জিকিৰ আৰু জাৰিসমূহ ৰাজ্যখনৰ বিভিন্ন থলুৱা ভাষালৈ অনুবাদ কৰিম। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা (ABILAC)ই এই গুৰু দায়িত্ব বহন কৰিব।

vii. জ্যোতি চিত্ৰবন (চলচ্চিত্ৰ চিত্ৰালয়) সমাজ, ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু দূৰদৰ্শন প্ৰতিষ্ঠান, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আদিৰ দৰে সাংস্কৃতিক প্ৰতিষ্ঠানলৈ আমি পুঁজি আগবঢ়াই আহিছোঁ। এই সহযোগিতা আমি ভৱিষ্যতলৈও অব্যাহত ৰাখিম।

তদুপৰি, জ্যোতি চিত্ৰবন (চলচ্চিত্ৰ চিত্ৰালয়) সমাজৰ উন্নীতকৰণৰ বাবে আমি এখন চাৰিজনীয়া সমিতি গঠন কৰিম। প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকলৰ প্ৰাদেশিকীকৰণো মই ঘোষণা কৰিলোঁ।

viii. মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক, শৈক্ষিক আৰু গৱেষণামূলক কাৰ্যসূচীৰ উন্নীতকৰণৰ বাবে মই বিশ্ববিদ্যালয়খনলৈ ৫০ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

ix. স্বতন্ত্ৰ পুঁজি, কাৰ্যাৱলী আৰু কাৰ্যকৰ্তাৰ ব্যৱস্থাপনাৰ সৈতে সত্ৰ, ন্যায়িক আৰু ভূমি প্ৰশাসনৰ প্ৰতিনিধিৰে আমি এখন ৫জনীয়া পৃথক 'সত্ৰ সংৰক্ষণ আৰু উন্নয়ন ব'ৰ্ড' গঠন কৰিম। সত্ৰৰ ভূমিক বে-আইনী আৰু বলপূৰ্বক দখলৰ পৰা ৰক্ষা কৰিবলৈ এই ব'ৰ্ডখনক অসম ৰাজহ ব'ৰ্ডৰ পৰ্যায়ৰ উপযুক্ত ক্ষমতা প্ৰদান কৰা হ'ব। ইয়াৰ বাবে প্ৰয়োজনীয় বিধেয়ক আমি পৱিত্ৰ সদনত দাখিল কৰিম।

x. কোচবিহাৰৰ মধুপুৰ সত্ৰৰ সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰা এক ৫০ কোটি টকীয়া প্ৰকল্পৰ বিষয়ে জনাবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ। আমাৰ চৰকাৰে সত্ৰখনক ঐতিহ্যক্ষেত্ৰ হিচাপে ঘোষণা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব।

xi. সত্ৰসমূহৰ সামগ্ৰিক সুৰক্ষা আৰু উন্নয়নৰ বাবে 'সত্ৰ সংৰক্ষণ আৰু উন্নয়ন ব'ৰ্ড'খনক আমি প্ৰয়োজনীয় আইনী ক্ষমতা তথা বিত্তীয় সাহায্য আগবঢ়াম।

xii. মই ঘোষণা কৰোঁ যে আমাৰ চৰকাৰে অসম চৰকাৰী ভাষা আইন, ১৯৬০ খন কটকটীয়াকৈ ৰূপায়ণ কৰিব আৰু ইয়াৰ বাবে দণ্ডবিধি ব্যৱস্থাপনা অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়োজনীয় সংশোধনী বিবেচনা কৰা হ'ব।

xiii. সকলো প্ৰয়োজনীয় আন্তঃগাঁথনি, কৰ্মচাৰী আৰু বিত্তীয় সাহায্যৰে সৈতে আমি চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকালয়ক এটা স্বতন্ত্ৰ সঞ্চালকালয়লৈ উন্নীত কৰিম। খালী হোৱা সকলো পদ সময়-নিৰ্ধাৰিত ধৰণে পূৰণ কৰা হ'ব।

xiv. মই ঘোষণা কৰিবলৈ পাই সুখী যে ২০২৫ বৰ্ষৰ ১৪ এপ্ৰিলৰ পৰা বদলি আৰু নিয়োগৰ নিৰ্দেশ, আঁচনিৰ নিৰ্দেশনা, কাৰ্যালয় স্মাৰক, বিধি, আইন, জাননী আদিকে ধৰি সকলো চৰকাৰী নিৰ্দেশ আদিৰ অসমীয়া অনুবাদ বাধ্যতামূলক কৰি সেইবোৰ দুটা ভাষাতে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হ'ব।

xv. সদৌ অসম ছাত্ৰ সন্থা আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে এখন কেবিনেট উপ-সমিতিয়ে অসম চুক্তি, ১৯৮৫ ৰূপায়ণৰ পৰ্যালোচনা কৰি আছে। অসম চৰকাৰৰ লগত জড়িত পৰামৰ্শসমূহ আমি দুবছৰৰ ভিতৰত ৰূপায়ণ কৰিম।

xvi. ভাৰতীয় সভ্যতাৰ অধ্যয়নৰ প্ৰসাৰ, সমাজ বিজ্ঞান বিষয়সমূহৰ উপনিৱেশমুক্তকৰণ আৰু আন্তঃবিষয় গৱেষণাক সহায় কৰাৰ বাবে আমি বিভিন্ন 'সাহিত্য সভা'ৰ সহযোগত 'সাহিত্য অকাডেমি'ৰ এটা অধ্যায় (Chapter) হিচাপে অসম সমাজ বিজ্ঞান গৱেষণা পৰিষদ (ACSSR) গঠন কৰিম। ই প্ৰকল্পসমূহৰ বাবে পুঁজি প্ৰদান, জলপানি প্ৰদান, গৱেষকক প্ৰশিক্ষণ, উত্তৰ-পূব ভাৰতৰ জ্ঞান ব্যৱস্থাৰ ওপৰত শৈক্ষিক কাৰ্যসূচী প্ৰকাশ কৰাৰ লগতে পাঠ্যক্ৰম, আলোচনাচক্ৰ, কৰ্মশালা আৰু ডকুমেণ্টেচনৰ বাবে বিশ্ববিদ্যালয়সমূহৰ সৈতে সহযোগিতা কৰিব।

xvii. আন্তঃগাঁথনি উন্নীতকৰণ, গৱেষণামূলক কাম-কাজৰ বাবে আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা (ABILAC)লৈ তিনিটা বিত্তীয় বৰ্ষত ৫০ কোটি টকা প্ৰদান কৰাৰ কথা মই ঘোষণা কৰিলোঁ।

xviii. ৰাজ্যখনৰ বিশ্ববিদ্যালয়সমূহে ইতিমধ্যে প্ৰৱৰ্তন কৰা থলুৱা ভাষাৰ বিষয়সমূহ পাঠদানৰ বাবে আমি মহাবিদ্যালয়সমূহত শিক্ষকৰ ব্যৱস্থা কৰিম।

xix. আমি অসম বিশ্ববিদ্যালয়, শিলচৰৰ মূল চৌহদত আৰু তেজপুৰ বিশ্ববিদ্যালয়ত ক্ৰমে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু

সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ নামত দুয়োখন বিশ্ববিদ্যালয়ৰ অনুমোদন সাপেক্ষে অসমীয়া ভাষা বিভাগ মুকলি কৰিম।

xx. আমাৰ চৰকাৰে ‘অসমীয়া মানুহ’ৰ ইতিহাস প্ৰকাশৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিব। ২০২৫ চনৰ এপ্ৰিলৰ পৰা সকলো বিদ্যালয়তে অন্ততঃ অষ্টম শ্ৰেণীলৈকে ‘অসম ইতিহাস’ বিষয়টো বাধ্যতামূলক কৰা হ’ব।

xxi. ৰাজ্যিক ব’ৰ্ড আৰু চি বি এছ ইৰ অধীনত ব্ৰহ্মপুত্ৰ উপত্যকাত থকা সকলো ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা আৰু বড়োলেণ্ড প্ৰাদেশীয় অঞ্চল (BTR)ত থকা সকলো বিদ্যালয়ত অসমীয়া/বড়ো ভাষা আমি বাধ্যতামূলক কৰিম। ইয়াৰ অন্যথা জৰিমণা বিহা হ’ব।

xxii. অসম ভূমি আৰু ৰাজহ বিধি ১৮৮৬ (ALRR 1886)ৰ দশম অধ্যায়ৰ অধীনত জনজাতীয় বেল্ট আৰু ব্লকৰ উপৰি আমাৰ চৰকাৰে ৰাজ্যখনৰ ৰাজহ চক্ৰসমূহক চিনাক্ত কৰিব, য’ত কেৱল ‘খিলঞ্জীয়া লোক’সকলেহে ভূমি ক্ৰয় আৰু দখল কৰিব পাৰিব আৰু এই অধিকাৰ তেওঁলোকৰ মাজত সীমাবদ্ধ থাকিব। প্ৰয়োজনীয় আইনগত খচৰাৰ কাম চলি আছে আৰু ২০২৫ বৰ্ষৰ ছেপ্টেম্বৰ মাহত বিধানসভা অধিৱেশনত আমি ইয়াক দাখিল কৰিম।

xxiii. মহোদয়, আমাৰ চৰকাৰে ডিজিটেল ভূমি ৰেকৰ্ডত প্ৰধান কৃষিকেন্দ্ৰীক ভূমি ফ্লেগিঙৰ বাবে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু ইয়াৰ কাম ১ বছৰৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। ফ্লেগিং সম্পূৰ্ণ হ’লে আমি ৰাজ্য চৰকাৰৰ বিশেষ অনুমোদন অবিহনে এনে ভূমিৰ পুনৰ শ্ৰেণী বিভাজনৰ অনুমোদন নিদিওঁ।

xxiv. আমি নিৰ্দিষ্ট সময়ৰ ভিতৰত ভূমি জৰীপৰ দ্বাৰা কৃষিৰ বাবে অনুপযোগী ভূমি চিনাক্ত কৰি ইয়াক ঔদ্যোগিক এলেকা হিচাপে ঘোষণা কৰিম। এনে ঔদ্যোগিক এলেকাত কোনো প্ৰধান কৃষিভূমি অন্তৰ্ভুক্ত নহ’ব। আমি এটা ৰোডমেপ/ফ্ৰেমৱৰ্ক প্ৰস্তুত কৰিবলৈ এটা টাস্ক ফ’ৰ্চ গঠন কৰিম।

xxv. আমাৰ চৰকাৰে ২০২৭ চনৰ এপ্ৰিল মাহৰ পৰা অসমত টাইটেল গ্যেৰাণ্টী প্ৰৱৰ্তনৰ পথ প্ৰশস্ত কৰি ২০২৭ চনৰ মাৰ্চ মাহৰ ভিতৰত সকলো ভূমি ৰেকৰ্ড উন্নীত কৰিব।

xxvi. মহাশয়, দশক দশক ধৰি ভূমি দখল কৰি থকা কিন্তু সেই ভূমিৰ কোনো নথি নথকা বা চৰকাৰী ভূমি দখল কৰি থকা আৰু ভূমিৰ নিষ্পত্তিৰ বাবে যোগ্য 'খিলঞ্জীয়া লোক'সকলক পট্টা আবণ্টনৰ বাবে আমি ইতিমধ্যে 'মিছন বসুন্ধৰা' হাতত লৈছোঁ। আমাৰ চৰকাৰে পি জি আৰ/ভি জি আৰ, বনভূমি আদিৰ বাহিৰে অহা ৩ বছৰত প্ৰায় ৫ লাখ ডিজিটেল পট্টা প্ৰদান কৰিম।

xxvii. আমি অহা ৩ বছৰত ভূমি প্ৰশাসন কৰ্মচাৰীৰ ২,০০০টা অতিৰিক্ত পদ সৃষ্টি কৰি পূৰণ কৰিম আৰু ইয়াৰে ২০২৫ বৰ্ষত ৫০০টা, ২০২৬ বৰ্ষত ১,০০০টা আৰু ২০২৭ বৰ্ষত ৫০০টা। এই উদ্দেশ্যৰ বাবে আমি অসম ভূমি ৰাজহ সেৱাক (ALRS) উপযুক্তভাৱে নতুন ৰূপ দিম।

xxviii. ২০২৫-২৬ বৰ্ষত আমাৰ চৰকাৰে অসমৰ চৰ অঞ্চলৰ জৰীপ আৰম্ভ কৰিম। অৱশ্যে চৰ অঞ্চলৰ অধীনৰ যিকোনো ভূমিৰ নিষ্পত্তিৰ কাম অংশীদাৰসকলৰ সৈতে আলোচনাৰ অন্তত আৰু যথাসময়তহে গ্ৰহণ কৰা হ'ব।

xxix. মহাশয়, আমাৰ চৰকাৰে আছাম ফিক্সেচন অব চিলিং অন লেণ্ডহ'ল্ডিং (সংশোধিত) আইন, ২০২৪ৰ ভিত্তিত আছাম ফিক্সেচন অব চিলিং অন লেণ্ডহ'ল্ডিং আইন, ১৯৫৬ কঠোৰভাৱে বলবৎ কৰিব। আমি গুৱাহাটী মহানগৰীৰ বাবে চিলিং ব্যৱস্থা ৰূপায়ণৰ কথা বিবেচনা কৰিছোঁ।

xxx. মই জিলা স্তৰত ভূমি আদালত স্থাপন কৰাৰ বাবে উপযুক্ত আইনগত ব্যৱস্থা সম্পৰ্কত পৰামৰ্শ আগবঢ়াবলৈ এটা টাস্ক ফৰ্চ গঠন কৰাৰ কথা ঘোষণা দিছোঁ। এই আদালতসমূহে অসম ভূমি আৰু ৰাজহ

বিধি, ১৮৮৬ ৰ ১০ নম্বৰ অধ্যায়ৰ অধীনৰ বিধিসমূহ উলংঘন সম্বন্ধীয় অভিযোগসমূহৰ নিষ্পত্তি কৰিব। আমি ২০২৫ চনৰ ছেপ্টেম্বৰ মাহত বিধানসভাত এই বিধেয়ক উপস্থাপন কৰিম।

(১২৩) অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাজ্য চৰকাৰৰ অধীনৰ সকলো পৰামৰ্শ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কাৰ্যকৰী কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বৰ সৈতে আলোচনা অব্যাহত ৰাখিব।

অধ্যক্ষ মহোদয়, এতিয়া মই আমাৰ চৰকাৰৰ কিছুমান গুৰুত্বপূৰ্ণ ঘোষণা সন্মানীয় সদনত উপস্থাপন কৰিব লৈছোঁ।

# প্ৰধান ঘোষণাসমূহ

## I. চিকিৎসা মহাবিদ্যালয়ৰ ফেকাল্টিলৈ সুবিধা

(১২৪) আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰৰ দিনত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৭ৰ পৰা ১৪খনলৈ বৃদ্ধি পাইছে আৰু বহুকেইখন নিৰ্মীয়মাণ অৱস্থাত আছে। যুব প্ৰতিভাক আকৃষ্ট কৰি ফেকাল্টিসকলক পৰিচালনা কৰাটো চৰকাৰৰ সন্মুখত এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। এই প্ৰত্যাহ্বান চম্ভালিবলৈ আমি নিম্নোক্ত সিদ্ধান্তসমূহ গ্ৰহণ কৰিছোঁ—

i. চিকিৎসা মহাবিদ্যালয়ৰ ফেকাল্টিসকলক পদোন্নতিৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ চৰ্ত পূৰণ সাপেক্ষে গতিশীল নিশ্চিত জীৱিকা অগ্ৰগতি আঁচনি (Dynamic Assured Career Progression Scheme)ৰ অধীনত সামৰি লোৱা হ'ব।

ii. চৰকাৰে বছৰি দুখন ৰাষ্ট্ৰীয় সন্মিলন, এছিয়াৰ দেশসমূহৰ বাবে প্ৰতি দুবছৰত আৰু এছিয়াৰ বাহিৰৰ দেশসমূহৰ বাবে প্ৰতি চাৰি বছৰত এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ পৃষ্ঠপোষকতা কৰিব।

iii. চিকিৎসা মহাবিদ্যালয়সমূহৰ নৱনিযুক্ত ফেকাল্টিসকলক গাড়ী ক্ৰয়ৰ বাবে চৰকাৰে সূতবিহীন ঋণ প্ৰদান কৰিব। অতিৰিক্তভাৱে আমি তেওঁলোকৰ বাবে এখন সহজ গৃহ ঋণ আঁচনি শীঘ্ৰে আৰম্ভ কৰিম।

## II. প্ৰ'টন থেৰাপী কেন্দ্ৰ

(১২৫) কৰ্কট ৰোগী, বিশেষকৈ শিশুসকলৰ বাবে অত্যাধুনিক কৰ্কট চিকিৎসাৰ উপলব্ধতা নিশ্চিত কৰাৰ বাবে মই ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটীত এটা প্ৰ'টন থেৰাপী কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ। ই হৈছে পূব ভাৰতৰ প্ৰথমটো আৰু দেশৰ ভিতৰত তৃতীয়টো প্ৰ'টন থেৰাপী কেন্দ্ৰ। অঞ্চলটোত আগশাৰীৰ কৰ্কট সেৱাৰ ই এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। এই যন্ত্ৰটোৰ মূল্য হৈছে প্ৰায় ৫৫০ কোটি টকা। এই প্ৰকল্পৰ বাবে চৰকাৰে চি এছ আৰ পুঁজিও ব্যৱহাৰ কৰিব।

(১২৬) স্বাস্থ্যসেৱাত হোৱা খৰতকীয়া আন্তঃগাঁথনি বিকাশৰ ফলত অসম চিকিৎসা পৰ্যটনৰ এক কেন্দ্ৰ হোৱাৰ দিশে অগ্ৰসৰ হৈছে। আমি আগশাৰীৰ হাস্পতালসমূহক ৰেহাই মূল্যত ভূমি আৰু আন সুবিধা প্ৰদানেৰে অসমলৈ অনাৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আছোঁ।

**III. অসম উচ্চ আৰু কাৰিকৰী শিক্ষাৰ বাবে পুঁজি যোগান আঁচনি**

(১২৭) অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ উচ্চ শিক্ষা পুঁজি যোগান সংস্থা (HEFA)ৰ আৰ্হিত আমাৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহক সহায় কৰাৰ উদ্দেশ্যে মই অসম উচ্চ শিক্ষা পুঁজি যোগান আঁচনি মুকলি কৰাৰ বাবে প্ৰস্তাৱ কৰিছোঁ। এই নতুন আঁচনিৰ মূল বৈশিষ্ট্যসমূহ হৈছে -

i. উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে নিজৰ আন্তঃগাঁথনি উন্নয়ন আৰু যন্ত্ৰপাতি ক্ৰয় কৰাৰ বাবে বেংকৰ পৰা ঋণ ল'ব পাৰিব।

ii. মূল ঋণৰ ২৫ শতাংশ ৰাজ্য চৰকাৰে ৰাজ সাহায্য হিচাপে প্ৰদান কৰিব।

iii. এনে ঋণৰ সমুদায় সুদৰ দায়িত্বও ৰাজ্য চৰকাৰে বহন কৰিব।

(১২৮) প্ৰাৰম্ভিক পৰ্যায়ত এই আঁচনিখন ঐচ্ছিকভিত্তিক হ'ব। এই সুবিধাৰ উপৰিও চৰকাৰে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহক মূলধনী ব্যয়ত সমৰ্থন আগবঢ়াই যাব।

**IV. ডিব্ৰুগড় পলিটেকনিকক অভিযান্ত্ৰিক মহাবিদ্যালয়লৈ উন্নীতকৰণ**

(১২৯) লাহোৱালত থকা ডিব্ৰুগড় পলিটেকনিকক এখন পূৰ্ণাংগ অভিযান্ত্ৰিক মহাবিদ্যালয়লৈ উন্নীত কৰাৰ কথা মই ঘোষণা কৰিলোঁ।

**V. আদৰ্শ বিদ্যালয়**

(১৩০) গুণগত শিক্ষাৰ উপলব্ধতাৰ বিকাশ সাধন কৰাটো আমাৰ চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ। ২১৮ খন চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ ১১৬খন ইতিমধ্যে কাৰ্যক্ষম হৈছে। এই বছৰটোত আমি আৰু ৯৭ খন আদৰ্শ বিদ্যালয় মুকলি কৰিম। এই পৱিত্ৰ সদনত সন্মানীয় সদস্যসকলৰ আগত জনাবলৈ পাই মই সুখী হৈছোঁ যে এই বিদ্যালয়সমূহত

২০২৪-২৫ বৰ্ষত নামভৰ্তিৰ সংখ্যা ৮৭ শতাংশ বৃদ্ধি হৈছে। ২৫ খন বড়ো মাধ্যমৰ বিদ্যালয়ক আদৰ্শ বিদ্যালয়লৈ উন্নীত কৰা হ'ব বুলি মই ঘোষণা কৰিলোঁ।

VI. আমি বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা অনুষ্ঠানৰ সৈতে জড়িত শিক্ষকসকলৰ দৰমহা ২০,০০০ টকালৈ বৃদ্ধি আৰু তেওঁলোকৰ সেৱা ৬০ বছৰলৈ সম্প্ৰসাৰিত কৰিম।

**VII. কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাক নিৰ্মল শক্তি আৰু পৰিৱেশ পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়াৰ পৰিকল্পনা**

(১৩১) নৱীকৰণযোগ্য শক্তিৰ উৎসৰ ওপৰত গুৰুত্ব প্ৰদানেৰে কাৰ্বি আলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাক মই অসমৰ নিৰ্মল শক্তিৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ। এই অঞ্চলটোৰ প্ৰাকৃতিক দৃশ্যৰাজি আৰু জৈৱ বৈচিত্ৰ্যতাই পৰিৱেশ-পৰ্যটনক উদগনি যোগোৱাৰ লগতে কৰ্মসংস্থাপনো সৃষ্টি কৰিব।

**VIII. এক অৰ্থনৈতিক পথ হিচাপে বড়োলেণ্ড ক্ষেত্ৰীয় অঞ্চল**

(১৩২) ভাৰত আৰু ভূটানৰ মাজত ব্যৱস্থাপনা যোগাযোগ সম্প্ৰসাৰণৰ বাবে মই বিও অৰ্থাৎ ভূটান-বড়োলেণ্ডৰ আৰু বংগ উপকূলৰ বিকাশৰ পদক্ষেপৰ বিষয়ে ঘোষণা কৰিছোঁ, যাৰ দ্বাৰা যোগীঘোপা আৰু ফুলবাৰীৰ সৈতে সুচল সংযোগ স্থাপন কৰা হ'ব। ইয়াৰ দ্বাৰা সীমান্তৰ দুয়োপাৰৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাৰ লগতে এই অঞ্চলত আৰ্থিক কাৰ্যকলাপক উৎসাহ যোগাই পাৰদৰ্শী বাণিজ্য আৰু পৰিবহণ ব্যৱস্থাক সহজসাধ্য কৰি তুলিব পৰা যাব।

(১৩৩) যোগীঘোপাত এটা বিশেষ অৰ্থনৈতিক মণ্ডল গঢ়ি তোলাটো আমি অগ্ৰাধিকাৰ প্ৰদান কৰিছোঁ।

(১৩৪) আঞ্চলিক চুক্তিৰ কাৰ্য ৰূপায়ণ আৰু আন্তঃগাঁথনি বিকাশত গুৰুত্ব আৰোপ কৰি এই বছৰত ষষ্ঠ অনুসূচীৰ অঞ্চলসমূহত উন্নয়নৰ বাবে পৰ্যাপ্ত পুঁজি আবণ্টন কৰা হৈছে।

i. বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদ (বিটিচি)ৰ বাবে ১,১৪৩ কোটি টকা।

ii. মই কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ (KAAC)ৰ বাবে ৬২১ কোটি টকা, আৰু

iii. উত্তৰ-কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদ (NCHAC)ৰ বাবে ৩০৬ কোটি টকা

(১৩৫) ইয়াৰ উপৰি চৰকাৰে পৰিষদ কৰ্তৃপক্ষসমূহক প্ৰতিষ্ঠা ব্যয় সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা অব্যাহত ৰাখিব।

## IX. নতুন প্ৰশাসনিক বিভাগসমূহৰ সৃষ্টি

(১৩৬) এই বছৰ আমাৰ চৰকাৰে লক্ষ্যভিত্তিক উন্নয়ন আগুৱাই নিবলৈ দুটা নতুন বিভাগ গঠন কৰিছে। ষ্টাৰ্টআপ, ইনকিউবেচন আৰু উদ্ভাৱন বিভাগৰ বাবে মই ৬০ কোটি টকা আৰু বৰাক উপত্যকা উন্নয়ন বিভাগৰ বাবে ১০০ কোটি টকা ধাৰ্য কৰিছোঁ।

(১৩৭) লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ পৰা লোক নিৰ্মাণ (স্বাস্থ্য আৰু শিক্ষা) নামেৰে এটা নতুন বিভাগ গঠন কৰা হ'ব। এই বিভাগটোৱে স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ অন্তৰ্গত আন্তঃগাঁথনি নিৰ্মাণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। এই বিভাজন সংমণ্ডল স্তৰলৈ হ'ব।

## X. মাছ, কণী আৰু গাহৰি উৎপাদনত স্বাৱলম্বিতা

(১৩৮) অসমত কণী উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বিতা অৰ্জন আৰু হাঁহ-কুকুৰা খণ্ডৰ বাণিজ্যিকীকৰণৰ নীতি ৰূপায়ণৰ দিশত মই ২৪ কোটি টকা আবণ্টন দিছোঁ।

(১৩৯) গাহৰিৰ কৃত্ৰিম প্ৰজনন অভিযানৰ লগতে গাহৰিৰ প্ৰজনন কাৰ্যসূচীৰ প্ৰসাৰৰ বাবে মই কানাডাৰ প্ৰজাতিৰ আমদানি কৰাৰ কথা ঘোষণা কৰিছোঁ যাতে অসমত থকা গাহৰিৰ বংশানুক্ৰমিক উন্নীতকৰণ সম্ভৱ হৈ উঠে। ইয়াৰ বাবে মই ১১ কোটি টকা আবণ্টন দিছোঁ।

(১৪০) পশু চিকিৎসা সেৱাক শক্তিশালী কৰাৰ অৰ্থে ২০২৫ চনৰ অক্টোবৰৰ ভিতৰত গুৱাহাটী, বোকাখাত আৰু ডিব্ৰুগড়ত তিনিখন পোহনীয়া

জীৱৰ হাস্পতাল কৰ্মক্ষম হৈ উঠিব। ইয়াৰ উপৰি কামৰূপ, গোলাঘাট, লখিমপুৰ আৰু তিনিচুকীয়াত চাৰিখন মাল্টি কেয়াৰ পশু চিকিৎসালয় নিৰ্মাণৰ কাম চলি আছে আৰু শিৱসাগৰত পঞ্চমখন এনে চিকিৎসালয়ৰ কাম আৰম্ভ কৰা হৈছে। মই ইয়াৰ বাবে ২৪ কোটি টকা ধাৰ্য কৰিছোঁ।

(১৪১) মাছ, মাছৰ খাদ্য, গাহৰিৰ মাংস আৰু কণীৰ ক্ষেত্ৰত আত্ম-নিৰ্ভৰশীলতা সুনিশ্চিত কৰিবলৈ ল'বলগীয়া পদক্ষেপ সম্পৰ্কে পৰামৰ্শ প্ৰদান কৰিবলৈ আমাৰ চৰকাৰে এখন সমিতি গঠন কৰি দিব।

## XI. দুগ্ধ উন্নয়ন

(১৪২) এই খণ্ডত স্বাৱলম্বিতা অৰ্জন কৰিবলৈ যোৰহাট, ধেমাজি আৰু ডিব্ৰুগড়ত তিনিটা নতুন দুগ্ধ সংসাধন প্ৰকল্পৰ লগতে বজালীত এটা এনে প্ৰকল্প স্থাপন কৰা হ'ব। আনুষ্ঠানিক দুগ্ধ খণ্ডত প্ৰতিদিনে ১০ লাখ লিটাৰ দুগ্ধ সংসাধনৰ লক্ষ্যৰ দিশত ই এক বৃহৎ পদক্ষেপ।

(১৪৩) পঞ্জীয়নভুক্ত দুগ্ধ সমবায় সমিতি (DCS)ৰ অধীনৰ ক্ষুদ্ৰ দুগ্ধ পালকসকলৰ ওপৰত পৰা আৰ্থিক বোজা লাঘৱ কৰিবলৈ এনে দুগ্ধ পালকসকলক প্ৰতিলিটাৰ গাখীৰত ৫ টকাকৈ ৰাজসাহায্য প্ৰদান কৰা হ'ব। ইয়াৰ দ্বাৰা প্ৰায় ১৮,০০০ গৰাকী দুগ্ধ পালক উপকৃত হ'ব।

## XII. সমবায় ক্ষেত্ৰৰ বৃদ্ধিক উৎসাহিত কৰা

(১৪৪) সমবায় সমিতিসমূহৰ পঞ্জীয়ন উৎসাহিত কৰিবলৈ, আমাৰ চৰকাৰে অসম সমবায় সমিতি আইন, ২০০৭ৰ ১৭ নম্বৰ ধাৰাৰ অধীনত প্ৰস্তাৱিত অনুমোদিত শ্বেয়াৰ মূলধনৰ পঞ্জীয়ন মাচুল বৰ্তমানৰ ১ শতাংশৰ পৰা ০.৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

## XIII. ভূমি নীতি সংস্কাৰ

(১৪৫) ভূমি আবণ্টনৰ বাবে সৰলীকৃত প্ৰক্ৰিয়াৰ জৰিয়তে অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহক ব্যৱসায় প্ৰতিষ্ঠা কৰাত উৎসাহ যোগাবলৈ ভূমিৰ শ্ৰেণীৰ পৰিৱৰ্তনৰ বাবে মাচুল পৰিশোধ কৰাৰ সাপেক্ষে কৃষিভূমিৰ পৰা ইটাভাতাৰ বাহিৰে অন্যান্য অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ ব্যৱহাৰৰ বাবে ভূমিলৈ

শ্রেণী পৰিৱৰ্তনৰ বিষয়ে মই ঘোষণা কৰিলোঁ। ইয়াৰ অধীনত কৃষি সংসাধন আৰু দুগ্ধ ক্ষেত্ৰক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

(১৪৬) কৃষিভূমিৰ পৰা হাইড্ৰ'কাৰ্বন অন্বেষণৰ বাবে ভূমিলৈ শ্রেণী পৰিৱৰ্তনৰ বাবে অইল ইণ্ডিয়া কোম্পানী আদিৰ দৰে বহুতো কোম্পানীৰ প্ৰস্তাৱ নিষ্পত্তি নোহোৱাকৈ পৰি আছে। মাচুল পৰিশোধ সাপেক্ষে ভূমিৰ শ্রেণী পৰিৱৰ্তনৰ বাবে আমাৰ চৰকাৰে প্ৰাসংগিক আইনৰ এক ব্যৱস্থা আনিব।

(১৪৭) শক্তি ক্ষেত্ৰত সেউজ শক্তিৰ বৃদ্ধি ব্যৱহাৰ কৰাৰ উদ্দেশ্যে কৃষিভূমিৰ পৰা সেউজ শক্তিৰ উদ্দেশ্যে ভূমিলৈ শ্রেণী পৰিৱৰ্তনৰ বাবে আমি একে ধৰণৰ ব্যৱস্থাপনা আনিম।

## XIV. অন্তৰ্ভুক্তিমূলক ভূমি প্ৰশাসন

(১৪৮) নিশ্চিত ভূমিস্বত্ব প্ৰদানৰ প্ৰক্ৰিয়া অধিক তীব্ৰতৰ কৰাৰ লক্ষ্যৰে মিছন বসুন্ধৰা ৩.০ মুকলি কৰা হৈছে। ইয়াৰ অধীনত ছয় লাখতকৈও অধিক আৱেদন লাভ কৰা হৈছে।

(১৪৯) সাংস্কৃতিক আৰু শিক্ষানুষ্ঠানসমূহৰ দৰে অব্যক্তিগত বৈধ সংস্থাসমূহৰ বাবে ভূমি আবণ্টনৰ প্ৰক্ৰিয়া অধিক খৰতকীয়া কৰা হ'ব। বৰ্তমানলৈ ৪৩,২৯০খন এনে আৱেদন আমি লাভ কৰিছোঁ আৰু এই বৰ্ষৰ শেষ ফালে আমি এনে প্ৰতিষ্ঠানসমূহৰ ভূমি আবণ্টন/ নিষ্পত্তিসমূহ সম্পূৰ্ণ কৰিম।

(১৫০) ৰাজহ চক্ৰসমূহত পৰ্যায়ক্ৰমে ভূমি প্ৰশাসনশালাসমূহ (Land Governance Lab) অত্যাধুনিক সা-সুবিধাৰে বিশেষ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। এই কেন্দ্ৰসমূহত প্ৰশিক্ষিত লোকসকলে মানচিত্ৰ উন্নীতকৰণ আৰু ব্লক শৃংখল ভিত্তিক (Block Chain based) ভূমি আৰু সম্পত্তিৰ ৰেকৰ্ডৰ নিৰৱছিন্নভাৱে সংযুক্তকৰণৰ কাম কৰিব।

(১৫১) ৰাজ্যৰ ভূমি হস্তান্তৰ বিষয়ৰ লগত জড়িত সংবেদনশীলতাৰ প্ৰতি লক্ষ্য ৰাখি এইক্ষেত্ৰত বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত হোৱা লেনদেনৰ সকলো গোচৰ চৰকাৰৰ যথাযথ অনুমোদনৰ পিছতহে কাৰ্যকৰী হ'ব।

(১৫২) মাটিৰ স্থান, ভৌগোলিক অৱস্থান আৰু ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি আমি ভূমিৰ মাগুলিক মূল্য নিৰ্ধাৰণৰ এক নতুন ব্যৱস্থা প্ৰৱৰ্তন কৰিম। এই গাঁথনিমূলক পদ্ধতিয়ে সমগ্ৰ ৰাজ্যতে ভূমিৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত স্বচ্ছতা, সামঞ্জস্যতা আৰু সমতা নিশ্চিত কৰিব।

(১৫৩) চৰকাৰে খিলঞ্জীয়া লোকসকলৰ ভূমি অধিকাৰ অধিক দৃঢ় আৰু সুৰক্ষিত কৰিবলৈ ইতিমধ্যে প্ৰস্তাৱিত ৮৪৬খন গাঁৱৰ ভিতৰত অনুসূচিত জাতি/ জনজাতিৰ জনসংখ্যাপ্ৰধান গাঁওসমূহ বাছি উলিয়াই সেইসমূহক 'ক্ষুদ্ৰ জনজাতীয় ব্লক আৰু বেল্ট' হিচাপে অধিসূচিত কৰিব।

(১৫৪) গাঁও পৰ্যায়ৰ প্ৰশাসন ব্যৱস্থাত গাঁওপ্ৰধানসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মই ১ অক্টোবৰ, ২০২৫ৰ পৰা তেওঁলোকৰ সহায়ৰ বাবে পাৰিতোষিক ৯,০০০ টকাৰ পৰা ১৪,০০০ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## XV. অতীতৰ সংঘাত পৰিহাৰ কৰি উজ্জ্বল ভৱিষ্যৎ গঢ়া

(১৫৫) অধ্যক্ষ মহোদয়, বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদত বিগত সময়ছোৱাত দুখজনক জনগোষ্ঠীয় সংঘৰ্ষ দেখিবলৈ পোৱা গৈছিল য'ত ৬ লাখতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হৈছিল আৰু বহু পৰিয়াল বেদনাত ভুগিব লগা হৈছিল। এই পৰিয়ালসমূহৰ বেছিসংখ্যকে সাহায্য আৰু পুনৰসংস্থাপন লাভ কৰিছিল যদিও ৪,০০০ তকৈ অধিক পৰিয়ালে এতিয়াও সাহায্য নোপোৱাকৈ আছে। নিৰ্যাতিতসকলক ন্যায় আৰু মৰ্যাদা প্ৰদান নিশ্চিত কৰিবলৈ মই এই বাজেটত অতিৰিক্ত ৩০ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়ালো।

## XVI. আত্মসমৰ্পণকাৰী গোটৰ পুনৰ সংস্থাপন আৰু একত্ৰীকৰণ

(১৫৬) ভাৰত চৰকাৰ আৰু অসম চৰকাৰে এন ডি এফ বিৰ আটাইকেইটা গোট, কাৰ্বি গোট, আদিবাসী গোট, DNLA আৰু ULFAৰ মাজত নিষ্পত্তি চুক্তি (MoS) স্বাক্ষৰ কৰিছে। RNLF, TLA, UGPO, NLFB, BRAU, UDLF, NSLA, ADG, KNLFৰ দৰে ক্ষুদ্ৰ জনগোষ্ঠীয়

গোটসমূহে অস্ত্র সম্বৰণ কৰাৰ লগতে তেওঁলোকে চৰ্তহীনভাৱে শান্তি প্ৰক্ৰিয়াত যোগ দিছে। বিগত ৫ বছৰত মুঠ ১০,৮১৯ গৰাকী উগ্ৰপন্থীয়ে আত্মসমৰ্পণ কৰিছে আৰু তেওঁলোকে ১,৫৪০ সংখ্যক অস্ত্ৰ, ২৯,৩৯২ গুলী-বাৰুদ আৰু ৩৬ টা গ্ৰেণেড জমা দিছে।

(১৫৭) এই আত্মসমৰ্পণকাৰী গোটসমূহৰ পুনৰ সংস্থাপন আৰু আৰ্থ-সামাজিক সংহতিৰ বাবে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই পদক্ষেপক সমৰ্থন দিয়াৰ বাবে মই ৯৮ কোটি টকা ব্যয় কৰিবলৈ ঘোষণা কৰিলোঁ।

## XVII. সন্মানপূৰ্বক শেষ গমন

(১৫৮) ভাৰতৰ বিভিন্ন চহৰ বা বিদেশত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ মৃতদেহ সন্মানসহকাৰে ৰাজ্যখনলৈ অনাৰ বাবে এটা উৎসৰ্গীকৃত ব্যৱস্থা গঢ়ি তোলা হ'ব। এনে জটিল সময়ত দুৰ্ভগীয়া পৰিয়ালক সহায় কৰাৰ উদ্দেশ্যে মৃতকৰ শৰীৰ পৰিবহণৰ সমুদায় ব্যয় চৰকাৰে বহন কৰিব।

## XVIII. মুম্বাই আৰু দিল্লীত নতুন অসম ভৱন

(১৫৯) নতুন দিল্লীৰ দ্বাৰকাত ৪০০০ বৰ্গমিটাৰ ভূমিত এটা নতুন অসম ভৱন (দিল্লীত চতুৰ্থটো) আৰু মুম্বাইৰ কটন গ্ৰীণত ৫৭৪৪ বৰ্গমিটাৰ ভূমিত আন এটা অসম ভৱন (মুম্বাই দ্বিতীয়টো) নিৰ্মাণৰ কথা মই ঘোষণা কৰিছোঁ।

(১৬০) এই অসম ভৱনকেইটাত এটাকৈ নামঘৰ থাকিব, য'ত অসমৰ চহকী সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব।

## XIX. গৌৰৱময় সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ

(১৬১) আমাৰ উদাসীন ভকতসকল সত্ৰ প্ৰতিষ্ঠানসমূহৰ এটা গুৰুত্বপূণ অংগ। সত্ৰৰ ভকতসকললৈ মই প্ৰতিমাহে ১,৫০০ টকাকৈ আগবঢ়োৱাৰ প্ৰস্তাৱ দিলোঁ।

(১৬২) আমাৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যে আমি এই বছৰো সাংস্কৃতিক মহাসংগ্ৰামৰ পৰৱৰ্তী সংস্কৰণত সংগীতৰ বিভিন্ন শিতানত ৰাজ্যজুৰি প্ৰতিযোগিতা আয়োজন কৰিম।

(১৬৩) বৈচিত্ৰ্যৰ মাজত ঐক্যতা সুদৃঢ় কৰি তুলিবলৈ আমাৰ জাতীয় সংগীত "অ' মোৰ আপোনাৰ দেশ"ৰ সমূহীয়া পৰিৱেশন আমি আয়োজন কৰিম। আমাৰ সমূহীয়া সম্প্ৰীতি প্ৰতীকী ৰূপত তুলি ধৰিবলৈ অসমৰ এক কোটিতকৈও অধিক নাগৰিকে বিভিন্ন স্থানৰ পৰা সমান্তৰালভাৱে এই সংগীতত অংশগ্ৰহণ কৰিব।

(১৬৪) ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দৰ্শকৰ সন্মুখত কলাৰ ৰূপটো প্ৰদৰ্শন কৰিবলৈ আমি পৰম্পৰাগত বড়ো লোকনৃত্য বাগৰুম্বা আৰু বৰদৈচিকলা (Bordoisikla)ৰ দৰ্শনীয় প্ৰদৰ্শনৰ আয়োজন কৰিম।

(১৬৫) অসমীয়া চলচ্চিত্ৰ, সাহিত্য, লোক সংগীত, সংগীত আৰু তথ্যচিত্ৰ ইত্যাদি সংৰক্ষণ কৰিবলৈ আমাৰ চৰকাৰে নিজা OTT মঞ্চ গঠন কৰিব।

## XX. ইউনিটী মল

(১৬৬) ইউনিটী মলৰ লক্ষ্য হৈছে অসমৰ ৩৫খন জিলা আৰু দেশৰ অন্যান্য ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক সামৰি 'এক জিলা এক উৎপাদিত সামগ্ৰী'ৰ ধাৰণাটোৰ বাবে এক মঞ্চ প্ৰদান কৰা। ইয়াত ভৌগোলিক সূচক (GI) টেগ থকা অসমৰ উৎপাদিত সামগ্ৰীসমূহো প্ৰদৰ্শন কৰা হ'ব।

(১৬৭) মই এই পবিত্ৰ সদনক অৱগত কৰিবলৈ পাই সুখী হৈছোঁ যে ২৭৫ কোটি টকাৰ এই ইউনিটী মলটো এই বছৰতে সম্পূৰ্ণ হৈ উঠিব।

## XXI. কনচাৰ্ট (concert) পৰ্যটন

(১৬৮) আমি দেখিছোঁ যে আমাৰ চুবুৰীয়া ৰাজ্যই সংগীত কনচাৰ্ট ব্যাপক ৰূপত আয়োজন কৰি বৃহৎ সফলতা লাভ কৰিছে। অসমলৈ বিশ্বমানৰ সংগীতানুষ্ঠানক আকৰ্ষণ কৰিবলৈ একে ধৰণৰ পদক্ষেপ লোৱাৰ বাবে মই প্ৰস্তাৱ দিছোঁ। আমি ৰাজ্যৰ জনসাধাৰণক এক অনন্য অভিজ্ঞতা প্ৰদান কৰিবলৈ ঐতিহ্য ক্ষেত্ৰ আৰু নদীৰ দাঁতি কাষৰীয়া অঞ্চলকে ধৰি গুৰুত্বপূৰ্ণ স্থানসমূহৰ সৰ্বাঙ্গীণ বিকাশ সাধনেৰে লাভান্বিত হ'ম। এই

পদক্ষেপসমূহে অসমৰ পৰ্যটন খণ্ডটোক এক নতুন মাত্ৰা প্ৰদান কৰিব। এই বৰ্ষতে পৰ্যটন বিভাগে ইয়াৰ বাবে উপযুক্ত নীতি গ্ৰহণ কৰিব।

(১৬৯) ৰাজ্যখনত উপলব্ধ হোমষ্টে আৰু চাহ পৰ্যটনৰ সা-সুবিধাৰ ওপৰত নিৰ্ভৰ কৰি আমি এটা ডিজিটেল পৰ্যটন আৱৰ্ত সৃষ্টিৰ বাবে কাম কৰিম। এই দিশত আমি এখন ডিজিটেল মঞ্চ তৈয়াৰ কৰাৰ ব্যৱস্থা ল'ম।

## XXII. মিছন অলিম্পিক ঃ অসমৰ ভৱিষ্যৎ অলিম্পিয়ানসকলৰ তত্বাৱধান

(১৭০) খেল মহাৰণে সমগ্ৰ অসমতে ব্যতিক্ৰমী ক্ৰীড়া প্ৰতিভাক চিনাক্ত কৰিছে। ভৱিষ্যৎ প্ৰতিভাৱান খেলুৱৈসকলৰ বাবে শক্তিশালী বুনিয়াদ গঢ়ি তোলাৰ বাবে আমাৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে ৫০০ গৰাকী ল'ৰা-ছোৱালীক অলিম্পিককে ধৰি উচ্চ পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰাকৈ প্ৰয়োজনীয় দক্ষতা, সম্পদ আৰু প্ৰশিক্ষণেৰে সাজু কৰি তোলা হ'ব।

## XXIII. যুৱ দক্ষতা বৃদ্ধি

(১৭১) অসম দক্ষতা বিশ্ববিদ্যালয়ে এই বছৰতে নিজৰ চৌহদৰ পৰা কাম আৰম্ভ কৰিব পাৰিব।

(১৭২) বিজ্ঞান-প্ৰযুক্তি তথা কাৰিকৰী শিক্ষাৰ (STEM Education) ওপৰত গুৰুত্ব আৰোপ কৰি মাধ্যমিক বিদ্যালয়সমূহক ৰাজ্যিক বৃত্তিমুখী প্ৰশিক্ষণ কেন্দ্ৰলৈ উন্নীত কৰাৰ বাবে আমি টাটা-নেলকো (TATA-NELCO)ৰ সৈতে অংশীদাৰিত্বৰ ভিত্তিত কাম কৰিম। এই যৌথ প্ৰচেষ্টাৰ আধাৰত আমাৰ বিদ্যালয়সমূহে কৃত্ৰিম বুদ্ধিমত্তা, নক্সা উদ্ভাৱন, ৰব'টিক, এডিটিভ মেনুফেকচাৰিং, ইণ্টাৰনেট অব থিংছ আদি বিষয়ত পাঠ্যক্ৰমৰ সুবিধা প্ৰদান কৰিব। ইয়াৰ বাবে মই ৫০ কোটি টকা আবণ্টন কৰিলো।

(১৭৩) আমাৰ যুৱক-যুৱতীৰ দক্ষতা বৃদ্ধি কৰি বিদেশতো সংস্থাপনৰ সুবিধা সৃষ্টিৰ উদ্দেশ্যে আমি আন্তঃৰাষ্ট্ৰীয় অংশীদাৰৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছোঁ। এই সহযোগিতাৰ আধাৰত জাপানত সংস্থাপন লাভৰ

সুবিধাৰ্থে জাপানী ভাষা-সংস্কৃতিৰ গাঁথনিগত প্ৰশিক্ষণ আৰু চাকৰি ভিত্তিক দক্ষতা বৃদ্ধিৰ দিশত মনোনিৱেশ কৰা হৈছে।

## XXIV. উচ্চ ক্ষমতাসম্পন্ন ঔদ্যোগিক প্ৰসাৰ ব'ৰ্ড আৰু উৎসৰ্গীত অসম ঔদ্যোগিক গতিশীল পুঁজি

(১৭৪) এডভাণ্টেজ আছাম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ জৰিয়তে এক মাইলৰ খুঁটি সৃষ্টি কৰি ৫ লাখ কোটি টকাতকৈও অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰা হৈছে। এই বিনিয়োগসমূহ কাৰ্যকৰীভাৱে ৰূপায়ণ কৰিবলৈ আমি আধুনিক লজিষ্টিক শক্তি, পানী আৰু পৰিবহণ আন্তঃগাঁথনিৰ সুবিধাযুক্ত ঔদ্যোগিক মণ্ডল উন্নয়নৰ পৰিকল্পনা কৰিছোঁ। এই পদক্ষেপসমূহৰ লগতে আন উদগনিমূলক ব্যৱস্থাক সমৰ্থন জনাবলৈ ক্ষেত্ৰভিত্তিক নিৰ্দিষ্ট নীতি অনুসৰি অসম ঔদ্যোগিক গতিশীল পুঁজি নামৰ এটা উৎসৰ্গীকৃত পুঁজিৰ বাবে মই ২,০০০ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

(১৭৫) উদ্যোগৰ বাবে আৱশ্যকীয় অনুমোদনাৱলীক শৃংখলাবদ্ধ কৰা আৰু বিনিয়োগকাৰীৰ আস্থা বৃদ্ধিৰ অৰ্থে আমি আইন প্ৰণয়নৰ দ্বাৰা এখন উচ্চ ক্ষমতাসম্পন্ন ঔদ্যোগিক প্ৰসাৰ বোৰ্ড পৰিষদ গঠন কৰিম। জিলা পৰ্যায়ত এখন ঔদ্যোগিক এলেকা স্থানীয় প্ৰাধিকৰণে ঔদ্যোগিক মণ্ডলৰ ভিতৰত পৌৰ প্ৰশাসন আৰু পঞ্চায়তৰ ক্ষমতাৰে একক কৰ্তৃপক্ষ হিচাপে কাম কৰিব।

## XXV. দীৰ্ঘম্যাদী উন্নয়নৰ বাবে কৌশলগত বিনিয়োগ

(১৭৬) বৰ্তমান অসমৰ ৪৬টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ১৭টাই লাভ উপাৰ্জন কৰি আছে আৰু এই সফলতাই কাৰ্যদক্ষতা আৰু বিত্তীয় সক্ষমতা বৃদ্ধিৰ বাবে আমাৰ অবিৰত প্ৰচেষ্টাক প্ৰতিফলিত কৰে। আমাৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ মুঠ যৌথ মূল্য ৪০,৩৮০ কোটি টকা আৰু ই আমাৰ ৰাজ্যখনৰ ৰাজহুৱা বিনিয়োগ ব্যৱস্থাৰ শক্তিশালী ভেটিটোক সূচায়। নুমলীগড় তেল শোধনাগাৰ লিমিটেডত আমি কৰা কৌশলগত

বিনিয়োগ বৰ্তমান ৬,৫০০ কোটি টকা বজাৰ মূল্যলৈ ৰূপান্তৰিত হোৱাৰ লগতে একত্ৰীকৃত সঞ্চিত নিধি (Consolidated Sinking Fund)ত কৰা বিনিয়োগৰ পৰিমাণ ৭,৪৮৪ কোটি টকালৈ বৃদ্ধি পাইছে। ইয়াৰ উপৰি, অসম আন্তঃগাঁথনি বিত্তীয় প্ৰাধিকৰণ (AIFA)ৰ সঞ্চিত নিধি (Sinking Fund)ত প্ৰায় ৮৫৫ কোটি টকা আবণ্টনেৰে আমি আমাৰ বিত্তীয় সামৰ্থ্য অধিক বৃদ্ধি কৰিবলৈ সক্ষম হৈছো। আমি মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ২,৭০০ কোটি টকাৰ আচুটীয়া পুঁজি জমা কৰিম। এই বৰ্ষত, গ্ৰীণফিল্ড সাৰ কাৰখানাত ১,২৭২ কোটি টকা বিনিয়োগেৰে কৃষিখণ্ডৰ আত্মনিৰ্ভৰশীলতাৰ দিশত আমি এক সাহসী পদক্ষেপ গ্ৰহণ কৰি আছোঁ। এই পদক্ষেপসমূহৰ জৰিয়তে আমি অসমৰ ভৱিষ্যতৰ বাবে সম্পদৰ এক শক্তিশালী ভেটি নিৰ্মাণ কৰি আছোঁ। কিছুসংখ্যক মানুহৰ ধাৰণাৰ বিপৰীতে যথোপযুক্ত নগদ সঞ্চয় আৰু সম্পদেৰে অসম এতিয়া এখন সবল অৰ্থনীতিৰ ৰাজ্য। অসমৰ অবিৰত অৰ্থনৈতিক বিকাশ আৰু উন্নয়ন নিশ্চিত কৰিব পৰা এক 'ভৱিষ্য-সক্ষম' সম্পদৰ ভেটি গঢ়াৰ বাবে আমি দৃঢ়প্ৰতিজ্ঞ।

(১৭৭) অসমৰ অৰ্থনৈতিক বিকাশৰ গতিক ত্বৰান্বিত কৰিবলৈ এক ভৱিষ্য-প্ৰস্তুত বিনিয়োগ পুঁজি গঠন কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। এক অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠান (Non-Banking Financial Company–NBFC)ৰ ৰূপত অসম বিকল্প বিনিয়োগ পুঁজি (Assam Alternate Investment Fund–AAIF) গঠন কৰাৰ কথা ঘোষণা কৰিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ। । এক কৌশলগত আৰু লক্ষ্য নিৰ্ধাৰিত বিত্তীয় মাধ্যম (Financial Vehicle) গঠনেৰে অসম বিকল্প বিনিয়োগ পুঁজিয়ে বিকাশৰ নতুন সুযোগৰ বাট মুকলি কৰিব, বিনিয়োগ আকৰ্ষিত কৰিব আৰু ৰাজ্যৰ অৰ্থনীতি টনকিয়াল কৰিব।

(১৭৮) ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ সৈতে উপলব্ধ উদ্বৃত পুঁজি (Surplus Fund) আৰু বিত্তীয় সম্পদ ব্যৱস্থাপনা (Financial Resource Management) কাৰ্যপ্ৰণালীৰ জৰিয়তে এই পুঁজিৰ বাবে মূলধন সংগ্ৰহ

(Capital Mobilization) কৰা হ'ব।সংশয় পৰিচালনা কৌশল (Risk Management Strategies)ৰ ওপৰত ভিত্তি কৰা পেছাদাৰী পুঁজি পৰিচালনা সেৱা (Professional Fund Management Service)ৰ জৰিয়তে বিত্তীয় আহিলা (Financial Instrument)ত বিনিয়োগৰ বাবে পুঁজিৰ অগ্ৰাধিকাৰ নিৰ্ণয় কৰা হ'ব।

**XXVI. আছামছাট (ASSAMSAT)**

***মহাকাশলৈ অসমৰ নিজা খোজ***

কেন্দ্ৰীয় চৰকাৰৰ মহাকাশ বিভাগৰ অধীনস্থ ভাৰতীয় ৰাষ্ট্ৰীয় মহাকাশ উদগনি আৰু কৰ্তৃত্ব প্ৰদান কেন্দ্ৰ (IN-SPACe) ৰ সহযোগত জটিল আৰ্থ-সামাজিক প্ৰকল্পসমূহৰ কাৰ্য ৰূপায়ণৰ স্বাৰ্থত বিশ্বাসযোগ্য আৰু অবিৰত তথ্যৰ সৰবৰাহ নিশ্চিত কৰাৰ বাবে আমি আমাৰ নিজা কৃত্ৰিম উপগ্ৰহ ASSAMSAT (আছামছাট) স্থাপন কৰিব বিচাৰিছোঁ। এই ব্যৱস্থাই আমাৰ কৃষি, দুৰ্যোগ ব্যৱস্থাপনা, আন্তঃগাঁথনি বিকাশ, সীমান্ত সুৰক্ষা ব্যৱস্থাপনা আৰু আৰক্ষীৰ অভিযান আদিৰ ক্ষেত্ৰত উৎসৰ্গীকৃত সেৱা যোগানত সহায় কৰিব। ইনস্পেচ (INSPACe) আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ সহযোগত অসমৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষামূলক কৃত্ৰিম উপগৃহ নিৰ্মাণ কাৰ্যত জড়িত কৰি আমি তেওঁলোকৰ কল্পনা শক্তিক উজ্জীবিত কৰিব পাৰিম।

**অসম ভৱিষ্য দৰ্শন**

(১) আমি ডাঙৰ সপোন দেখোঁ। আমি এক উজ্জ্বল ভৱিষ্যতৰ সপোন দেখোঁ। *বিকশিত অসম*লৈ সক্ৰিয় বৰঙণি আগবঢ়াব পৰাকৈ সক্ষম কৰি, পৰৱৰ্তী-প্ৰজন্ম আৰু ভৱিষ্যদৰ্শী প্ৰতিষ্ঠানত জড়িত কৰি যুৱ প্ৰজন্মৰ আকাংক্ষাবোৰ বাস্তৱায়িত কৰিবলৈ চৰকাৰে তেওঁলোকক সমৰ্থৱান কৰিব পাৰে।

(২) এই দিশত, ৰাজ্য চৰকাৰে চলিত বছৰৰ পৰা তৎপৰতাৰে গ্ৰহণ কৰিবলগীয়া কিছু নতুন ধাৰণাৰ বিষয়ে মই দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ আৰু ইয়াৰে কিছু মই ইয়াত উল্লেখ কৰিম।

(৩) গ্ৰাম্য সমৃদ্ধিৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা আৰু তথ্যচালিত জলবায়ু-স্মাৰ্ট কৃষি পদ্ধতি

১০০খন নিৰ্বাচিত গাঁৱত উচ্চ প্ৰযুক্তিসম্পন্ন কৃত্ৰিম বুদ্ধিমত্তা নিৰ্ভৰ কৃষি কেন্দ্ৰ স্থাপনৰ বাবে আমি উৎসাহ জনাম, য'ত কৃত্ৰিম বুদ্ধিমত্তা আৰু ড্ৰ'নে তথ্য-চালিত সিদ্ধান্ত গ্ৰহণ, কৃষি উৎপাদন বৃদ্ধি আৰু বহন ক্ষমতা ৰক্ষাৰ বাবে কৃষকক সহায় কৰিব।

(৪) অসম প্ৰযুক্তি উপত্যকা - কৃত্ৰিম বুদ্ধিমত্তা আৰু সেউজ উদ্ভাৱন কেন্দ্ৰ

অনাগত বছৰবোৰত ভৱিষ্যতৰ বাবে সাজু এখন অসম গঢ়াৰ বাবে আমি কৃত্ৰিম বুদ্ধিমত্তা, শক্তি সুৰক্ষা, নবীকৰণযোগ্য শক্তি, জৈৱ ইন্ধন আৰু সেউজ প্ৰযুক্তিত উদ্ভাৱনৰ কাম কৰিম। পৰৱৰ্তী-প্ৰজন্মৰ প্ৰযুক্তিত অসমক আগস্থানত ৰখাৰ বাবে কৌশলী বিনিয়োগ, উদ্যোগ অংশীদাৰিত্ব আৰু অগ্ৰণী গৱেষণাৰ জৰিয়তে এই কেন্দ্ৰটো গঢ়ি তোলা হ'ব।

(৫) **অসম ঃ উদ্ভাৱন আৰু ষ্টাৰ্টআপৰ ক্ষেত্ৰত পূৰ্বোত্তৰৰ প্ৰৱেশদ্বাৰ**

বিশ্বজনীন ষ্টাৰ্টআপ আৰু বিশেষ দক্ষতাৰ চাকৰি সৃষ্টিৰ ক্ষেত্ৰত পূৰ্বোত্তৰৰ প্ৰৱেশদ্বাৰ হিচাপে অসমক প্ৰতিষ্ঠা কৰাৰ বাবে আমি আই আই টি গুৱাহাটীৰ সৈতে সহযোগিতা কৰিম।

গৱেষণা আৰু উদ্ভাৱনৰ বাবে উৎসৰ্গিত বিশেষ অৰ্থনৈতিক মণ্ডল (SEZ) গঠন কৰিবলৈ আমি আন্তঃৰাষ্ট্ৰীয় পুঁজি বিচাৰিম। এই বিশেষ অৰ্থনৈতিক মণ্ডলটোৱে উদীয়মান প্ৰযুক্তি আৰু সেউজ শক্তি, বহনক্ষম বিকাশ আৰু প্ৰযুক্তিগত উৎকৃষ্টতাত গুৰুত্ব আৰোপ কৰিব।

(৬) **ভাৰতৰ প্ৰথম বাঁহ স্মাৰ্ট চিটি**

বহনক্ষম আৰু পৰিৱেশ অনুকূল নগৰীয়া পৰিকল্পনাৰ প্ৰদৰ্শনেৰে আমি ভাৰতৰ প্ৰথমখন বাঁহ স্মাৰ্ট চিটি স্থাপনৰ চিন্তা-চৰ্চা কৰিছোঁ। সেউজ নিৰ্মাণ আৰু উদ্ভাৱনক উৎসাহিত কৰি সকলো ভৱিষ্যতৰ চৰকাৰী গৃহ নিৰ্মাণত বাঁহ-নিৰ্ভৰ সামগ্ৰীৰ ব্যৱহাৰত অগ্ৰাধিকাৰ দিয়া হ'ব। এই পদক্ষেপে অসমৰ বাঁহ উদ্যোগক উৎসাহিত কৰিব, চাকৰি সৃষ্টি আৰু বহনক্ষম স্থাপত্যৰ অগ্ৰগামী হিচাপে ৰাজ্যখনক প্ৰতিষ্ঠা কৰিব।

(৭) **অসম ঃ ভাৰতৰ প্ৰথম সেউজ পেকেজিং কেন্দ্ৰৰ অগ্ৰদূত**

অসমক দেশৰ প্ৰথম সেউজ পেকেজিং ঔদ্যোগিক কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে আমি জৈৱ প্লাষ্টিক ষ্টাৰ্ট আপক উৎসাহিত কৰিম।

বহনক্ষম পেকেজিং সমাধানৰ গৱেষণা আৰু বিকাশত সহায় কৰাৰ বাবে এক সেউজ উদ্ভাৱন পুঁজি আৰম্ভ কৰা হৈছে।

আমি পৰিৱেশ অনুকূল ঔদ্যোগিক বিকাশত বৰঙণি যোগোৱাৰ বাবে কলৰ আঁহ-ভিত্তিক পেকেজিঙৰ লেখীয়া প্ৰযুক্তিত বিনিয়োগ কৰিম।

(৮) **কাৰ্বন ক্ৰেডিট উদ্যোগৰ নেতৃত্বৰ দিশে অসম**

বহনক্ষম বিকাশ আৰু পাৰিপাৰ্শ্বিকতামূলক দায়বদ্ধতাৰ প্ৰসাৰ সাধন কৰিবলৈ আমি এটা শক্তিশালী কাৰ্বন ক্ৰেডিট ফ্ৰেমৱৰ্ক গঠন কৰি ইয়াৰ উন্নয়নৰ প্ৰচেষ্টা হাতত লম।

আগ্ৰহী দেশসমূহৰ সহযোগিতাত এই ব্যৱস্থাই অসমৰ সেউজ পদক্ষেপত বিনিয়োগ আকৰ্ষণত সহায় কৰিব। এনে পৰিকাঠামোৰ জৰিয়তে অসমে কাৰ্বন ক্ৰেডিট লাভ কৰিবলৈ সক্ষম হ'ব আৰু ইয়াৰ ফলশ্ৰুতিত বহনক্ষমতা আগুৱাই নিয়াৰ সমান্তৰালকৈ অৰ্থনৈতিক দিশতো ৰাজ্যখন আগবাঢ়ি যাব।

(৯) অসমত ভাৰতৰ প্ৰথমটো এ-আই-পাৱাৰ এন্টি-দীপফেক (AI-Powered Anti-Deepfake) আৰু চাইবাৰ নিৰীক্ষণ লেব

দীপফেকৰ ভাবুকি আৰু চাইবাৰ নিৰীক্ষণ বৃদ্ধি কৰি তুলিবলৈ ভাৰতৰ প্ৰথম কৃত্ৰিম বুদ্ধিমত্তা (A-I) ভিত্তিক লেব স্থাপনেৰে অসম আৰক্ষীক উৎসাহিত কৰা হ'ব।

এই অত্যাধুনিক ব্যৱস্থাই চাইবাৰ সুৰক্ষা, ডিজিটেল ফৰেনছিকচ আৰু অনলাইন ভাবুকি চিনাক্তকৰণৰ ব্যৱস্থা শক্তিশালী কৰি তুলিব। এনে পদক্ষেপে কৃত্ৰিম বুদ্ধিমত্তা পৰিচালিত আইন বলৱৎ আৰু চাইবাৰ অপৰাধ ৰোধত অসমে আগাশাৰীৰ ৰাজ্য হিচাপে পৰিগণিত হ'ব।

(১০) **ডিজিটেল অসম চাহ-বিনিময় ঃ** ভাৰতৰ প্ৰথমটো কৃত্ৰিম বুদ্ধিমত্তা আৰু ব্লকচেইন-ভিত্তিক চাহ নিলাম

স্বচ্ছতা আৰু কাৰ্যক্ষমতা বৃদ্ধিৰ বাবে ভাৰতৰ প্ৰথমটো কৃত্ৰিম বুদ্ধিমত্তাৰে পৰিচালিত, ব্লকচেইন-ভিত্তিক চাহ নিলাম ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ অসমে চাহ উদ্যোগৰ অংশীদাৰসকলৰ সৈতে কাম কৰিব। এই ডিজিটেল প্লেটফৰ্মে সুৰক্ষিত লেনদেন আৰু উচিত মূল্য নিৰ্ধাৰণক নিশ্চিত কৰি চাহ ব্যৱসায়ত এক বৈপ্লৱিক পৰিৱৰ্তন আনিব। এই পদক্ষেপে চাহ উদ্যোগ ক্ষেত্ৰত বিশ্বত এক অগ্ৰগামী ৰাজ্য হিচাপে অসমৰ স্থিতিক অধিক শক্তিশালী কৰিব।

(১১) **অসম জল মেট্ৰ' পৰিবহণ**

ফাঁচী বজাৰৰ পৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰলৈ এখন জল মেট্ৰ' চলোৱাৰ বিষয়ে আমি চিন্তা-চৰ্চা কৰিম যাতে বিমানবন্দৰৰ যাত্ৰীসকলে ফাঁচী বজাৰৰ আই ডব্লিউ টি জেটীত চেক-ইন কৰি নতুন টাৰ্মিনেলত উপস্থিত হ'ব পাৰে।

(১২) **বিমান বন্দৰৰ যাত্ৰীসকলৰ বাবে খানাপাৰাৰ পৰা ৰোপৱে**

অধিক যাত্ৰী কঢ়িয়াই নিব পৰাকৈ এৰিয়েল ট্ৰামৱেছ বা কেৱল কাৰ নামৰ গধুৰ কেলিবাৰেৰে ডিজাইন কৰা ৰোপৱেৰে যাত্ৰীসকলক বিমানবন্দৰৰ পৰা খানাপাৰালৈ আৰু খানাপাৰাৰ পৰা বিমানবন্দৰলৈ অনা-নিয়া কৰাৰ ক্ষেত্ৰত আমি চিন্তা-চৰ্চা কৰিম।

(১৩) **লাখপতি বাইদেউ পুঁজি**

**মহিলা আত্মসহায়ক গোট আৰু উদ্যমীৰ সবলীকৰণ**

প্ৰতিশ্ৰুতিসম্পন্না মহিলা নেতৃত্বাধীন ষ্টাৰ্টআপক উৎসাহিত কৰাৰ বাবে প্ৰায় ২৫০ কোটি টকাৰে আমি 'লাখপতি বাইদেউ পুঁজি' গঠনৰ আকাংক্ষা পোষণ কৰিছোঁ। এই পুঁজি সুদবিহীন ঋণ প্ৰদান, সুদ ৰেহাই আৰু মহিলাসকলক সবলীকৰণৰ পৰা উদ্যমিতালৈ ৰূপান্তৰৰ ক্ষেত্ৰত পথ প্ৰদৰ্শন কৰাত ব্যৱহাৰ কৰিব পাৰি। এই পদক্ষেপৰ লক্ষ্য হৈছে মহিলা উদ্যমীৰ হকে এটা শক্তিশালী পৰিবেশতন্ত্ৰ সৃষ্টি কৰি অৰ্থনৈতিক প্ৰগতি আৰু স্বনিৰ্ভৰশীলতা গঢ়ি তোলা।

# প্ৰশাসনীয় বিভাগসমূহ

অধ্যক্ষ মহোদয়, মই এতিয়া মহামান্য সদনত বিভাগ ভিত্তিত বাজেট আবণ্টন উপস্থাপন কৰিবলৈ ওলাইছোঁ।

## এক্ট-ইষ্ট পলিচী

***আঞ্চলিক একতাৰ জৰিয়তে সম্ভাৱনাৰ পথ মুকলি***

(১৪) বিভাগটোৱে ব্যৱসায়, শিক্ষা আৰু বাণিজ্যৰ ক্ষেত্ৰত অংশীদাৰিত্ব বৃদ্ধি কৰাৰ বাবে অষ্ট্ৰেলিয়া, থাইলেণ্ড, জাপান আৰু ভূটানৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিছে।

(১৫) এই বিত্তীয় বৰ্ষত বিভাগে চুবুৰীয়া দেশসমূহৰ সৈতে আৰু অধিক সুদৃঢ় সম্বন্ধ গঢ়ি তোলা, আন্তঃৰাষ্ট্ৰীয় বিত্তীয় সহযোগিতাৰ বাবে প্ৰয়াস আৰু অসমক বিনিয়োগৰ নতুন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব।

(১৬) এই বিভাগৰ পৰিচালনাৰ বাবে যথোপযুক্ত পুঁজি আগবঢ়াম।

## প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ আৰু পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগ

***উদ্ভাৱনীমূলক প্ৰশাসন, শক্তিশালী প্ৰতিষ্ঠান, নাগৰিক সবলীকৰণৰ দিশত***

(১৭) ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজহুৱা সেৱা উন্নীত কৰিবলৈ তথা নাগৰিকৰ অভিযোগসমূহৰ ক্ষিপ্ৰ নিষ্পত্তিৰ বাবে ২০২৪ বৰ্ষৰ ৩০ নৱেম্বৰৰ পৰা ৰাজহুৱা সেৱাৰ অধিকাৰৰ বাবে অসম ৰাজ্যিক আয়োগ কাৰ্যকৰী কৰা হয়।

(১৮) ২০২৪ বৰ্ষৰ আগষ্ট মাহত আৰম্ভ কৰা অনলাইন আৰ টি আই প'ৰ্টেলটোৱে নাগৰিকৰ বাবে তথ্যৰ উপলব্ধতা সুচল কৰিছে। ইয়াৰ উপৰি, সম্ভাৱনা ৩.০ ই এতিয়া ৯৪৮ টা জিলা পৰ্যায়ৰ কাৰ্যালয় সামৰি ল'বলৈ সক্ষম হৈছে আৰু ইয়াৰ ফলত ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তিকৰণ ব্যৱস্থা অধিক শক্তিশালী হৈছে। তদুপৰি, অৱসৰ লোৱা

কৰ্মচাৰীসকলে কৃতজ্ঞতা প'ৰ্টেলৰ জৰিয়তে এতিয়া তেওঁলোকৰ কাৰ্যালয়-প্ৰধানক প্ৰত্যক্ষভাৱে আৱেদন দাখিল কৰিব পাৰে।

(১৯) অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ে ৬০ টাতকৈ অধিক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰি প্ৰায় ২,৫০০ গৰাকী বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰিছে। মুচৌৰীৰ এল বি এছ এন এ এ (LBSNAA)ৰ সহযোগত নৱগঠিত সম-জিলাসমূহৰ বিষয়াসকলৰ বাবে এটা দুসপ্তাহজোৰা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

(২০) এই বিত্তীয় বৰ্ষৰ বাবে কৃতজ্ঞতা প'ৰ্টেলটো অধিক উন্নত কৰিবলৈ ২ কোটি টকা আৰু গুৱাহাটী, মাজুলী, বঙাইগাঁও আৰু শিলচৰত ৪টা নতুন প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰাৰ বাবে ৫ কোটি টকা আবণ্টন দিয়া হ'ব।

(২১) মই ইয়াৰ দ্বাৰা এই বিভাগটোলৈ ১৭,৫৯০ কোটি টকা আগবঢ়োৱাৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## কৃষি বিভাগ

***কৃষক সংগঠনসমূহৰ সবলীকৰণৰ জৰিয়তে বহনক্ষম সমৃদ্ধি***

(২২) চৰকাৰে কাজি নেমুক অসমৰ জাতীয় ফল হিচাপে ঘোষণা কৰিছে।

(২৩) প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি (পি এম কিষাণ) যোজনাৰ অধীনত ২১.০৩ লাখ কৃষকক ১,৩০৫ কোটি টকাতকৈ অধিক পুঁজি বিতৰণ কৰা হৈছে। ৰাজ্যখনত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শস্য বীমা ব্যৱস্থাটো অধিক শক্তিশালী কৰি তোলা হৈছে। সেই অনুসৰি ২০২৪ বৰ্ষত খাৰিফ শস্যৰ বাবে ৮২ শতাংশ অধিক আৱেদন লাভ কৰা হৈছে।

(২৪) সৰিয়হৰ খেতি ২.১৬ লাখ হেক্টৰলৈ বৃদ্ধি কৰি আৰু তৈল খেজুৰৰ খেতি ৩,৬০০ হেক্টৰ এলেকাজুৰি বিস্তাৰিত কৰি অসমে খোৱা তেলৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ দিশে গতি কৰিছে।

(২৫) ৰাজ্য চৰকাৰে লক্ষাধিক কৃষিভূমি অন্তৰ্ভুক্ত কৰি ডিজিটেল শস্য সমীক্ষা

সম্পন্ন কৰিছে। ৭৩খন আধুনিক কৃষি বজাৰ, বৰ্দ্ধিত ভঁৰালৰ সুবিধা আৰু দৰংগিৰি কল বজাৰৰ উল্লেখযোগ্য উন্নীতকৰণেৰে আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

(২৬) মই এই বিভাগৰ বাবে ২,১৭৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## পশুপালন আৰু পশু চিকিৎসা বিভাগ

***আত্মনিৰ্ভৰশীলতাৰ প্ৰত্যাশাৰে***

(২৭) কৰ্মৰত উদ্যমীসকলৰ উন্নয়নৰ বাবে বিশেষ আঁচনি (SPEED)ৰ অধীনত, বাণিজ্যিক হাঁহ-কুকুৰা পালনক উদ্‌গনি যোগোৱাৰ লক্ষ্যৰে হাঁহ-কুকুৰাপালকসকলক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

(২৮) তদুপৰি, মুখ্যমন্ত্ৰীৰ গাহৰি উন্নয়ন পৰিকল্পনাৰ জৰিয়তে ২০০ৰো অধিক কৃষকক ৰাজসাহায্য প্ৰদানৰ জৰিয়তে গাহৰি পোৱালি উৎপাদনৰ বাবে কৰা পাম আৰু মাংস উৎপাদনৰ বাবে কৰা গাহৰি পাম স্থাপন কৰাত সহায় আগবঢ়োৱা হৈছে।

(২৯) বিভাগটোৱে পশুপালন খণ্ডত নতুন জীৱিকাৰ সুবিধা সৃষ্টি কৰাৰ লক্ষ্যৰে হাঁহ-কুকুৰা-গাহৰি পালন আৰু দুগ্ধ সংসাধন বৃদ্ধি কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই প্ৰচেষ্টাসমূহৰ জৰিয়তে কৃষকৰ আয় বৃদ্ধি কৰাৰ লগতে গ্ৰাম্য অৰ্থনীতি মজবুত কৰি তোলাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

(৩০) পশু স্বাস্থ্য উন্নত কৰাৰ বাবে বাছনিকৃত জিলাসমূহত পশু স্বাস্থ্য মেলাৰ আয়োজন কৰা হৈছে।

(৩১) মই বিভাগটোলৈ ৬৩৬ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## অসম চুক্তি ৰূপায়ণ বিভাগ

***প্ৰতিশ্ৰুতি ৰক্ষা, ঐক্যবদ্ধ অগ্ৰসৰ***

(৩২) অসম চুক্তি ৰূপায়ণৰ বাবে চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত নিৰ্যাতিতসকলৰ বাবে বিত্তীয় সাহায্য হিচাপে ৪২৫ লাখ টকা আৰু অসম আন্দোলনৰ বিষয়ে তথ্যচিত্ৰ নিৰ্মাণৰ বাবে ৫০ লাখ টকা আছুতীয়াকৈ ৰখা হৈছিল।

(৩৩) অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণ কৰিবলৈ চৰকাৰে এই বছৰ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। মই মোৰ ধ্বজাবাহী আঁচনি অংশত এই সম্পৰ্কীয় আমাৰ কৰ্মসূচীৰ কথা উল্লেখ কৰিছোঁ।

## বৰাক উপত্যকা উন্নয়ন বিভাগ

*একেলগে বিকাশ আৰু সমৃদ্ধি*

(৩৪) বৰাক উপত্যকা অঞ্চলৰ সামগ্ৰিক বিকাশ নিৰীক্ষণ কৰিবলৈ আমাৰ চৰকাৰে 'বৰাক উপত্যকা উন্নয়ন বিভাগ' নামৰ এটা নতুন প্ৰশাসনীয় বিভাগ গঠন কৰিছে।

(৩৫) মই বিভাগটোলৈ ১০৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ

*সীমাসমূহৰ শক্তিশালীকৰণ, সমৃদ্ধি নিশ্চিতি*

(৩৬) সীমান্ত সুৰক্ষা উন্নত কৰিবলৈ আৰু বাণিজ্য সুচল কৰি তুলিবলৈ ২০২৪ চনৰ নৱেম্বৰত দৰঙাৰ ভাৰত-ভূটান সীমান্তত প্ৰথমটো সংহত তালাচী চকী (ICP) মুকলি কৰা হৈছিল। আমি জনাবলৈ পাই সুখী হৈছোঁ যে এডভাণ্টেজ আসাম ২.০ সন্মিলনত ৬৯.০৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ কোকৰাঝাৰ-গেলেফু ৰে'ল লাইন ঘোষণা কৰা হৈছিল, যিয়ে ভাৰত-ভূটানৰ মাজত যোগাযোগ ব্যৱস্থা উন্নত কৰি তুলিব। ৩,৫০০ কোটি টকাৰ এই প্ৰকল্প অসমৰ কোকৰাঝাৰত আৰম্ভ হ'ব আৰু ভূটানৰ গেলেফুত অন্ত পৰিব। ইয়াৰ জৰিয়তে বাণিজ্য, পৰ্যটন আৰু আঞ্চলিক উন্নয়নৰ গতি ত্বৰান্বিত কৰিব।

(৩৭) চৰকাৰে চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সীমা সমস্যা সমাধানৰ বাবেও কাম কৰি আছে।

(৩৮) আগন্তুক মাহবোৰত চৰকাৰে অসমৰ সীমান্ত অঞ্চলসমূহ সুৰক্ষিত কৰি তুলিবলৈ নতুন সীমান্ত আৰক্ষী চকী নিৰ্মাণৰ কাম ক্ষিপ্ৰতৰ কৰি তুলিব।

(৩৯) মই এই বিভাগলৈ ৩০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## সমবায় বিভাগ

*সামগ্ৰিক বিকাশৰ জৰিয়তে জনগোষ্ঠীসমূহক সবলীকৰণ*

(৪০) ৰাজ্যখনে ৰাষ্ট্ৰীয় সমবায় তথ্যভাণ্ডাৰত ইয়াৰ ১০০ শতাংশ তথ্য সন্নিৱিষ্ট কৰিছে। ৫০০খনতকৈও অধিক প্ৰাথমিক কৃষি ঋণ সমিতি (PACS) কম্পিউটাৰাইজিং কৰা হৈছে।

(৪১) স্থানীয় উদ্যোগ তথা কৃষকসকলক সহায়-সহযোগিতা কৰাৰ বাবে চৰকাৰে নলবাৰীত এটা নতুন মৰাপাট কল, ৫,০০০ মেট্ৰিক টনৰ দুটা শীতলীকৃত ভঁৰালৰ সা-সুবিধা আৰু চাংসাৰিত এটা পশু খাদ্য প্ৰকল্প স্থাপন কৰাৰ বাবে পদক্ষেপ হাতত লৈছে।

(৪২) তদুপৰি, ৰাষ্ট্ৰসংঘই ২০২৫ বৰ্ষক আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ হিচাপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনে ইয়াৰ বাবে প্ৰস্তুতি চলাই আছে।

(৪৩) মই বিভাগটোৰ বাবে ২০১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## সাংস্কৃতিক পৰিক্ৰমা বিভাগ

*ঐতিহ্য সংৰক্ষণ, সৃষ্টিশীলতাক উদ্‌গনি*

(৪৪) ২০২৩-২৪ বৰ্ষত 'অসম সাংস্কৃতিক মহাসংগ্ৰাম'ত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ৩ লাখ লোকে অংশগ্ৰহণ কৰিছে। চলিত বৰ্ষত আমি ইয়াৰ পৰৱৰ্তী সংস্কৰণটো মুকলি কৰিম।

(৪৫) ২০২৪ বৰ্ষত অসমীয়া আৰু বঙালী ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পাইছিল, যিটো অসমৰ বাবে এক ঐতিহাসিক সফলতা আছিল। এই সফলতাক উদ্‌যাপন কৰিবলৈ ২০২৪ বৰ্ষৰ নৱেম্বৰ মাহত ৰাজ্যখনে সকলো জিলা সদৰ আৰু দেশ-বিদেশৰ প্ৰধান চহৰসমূহত 'ভাষা গৌৰৱ সপ্তাহ' আয়োজন কৰিছিল।

(৪৬) চৰকাৰে জিলা সদৰসমূহত 'জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প'ও স্থাপন কৰিবলৈ লৈছে। ২০২৫-২৬ বৰ্ষত ইয়াৰে ১৭টা প্ৰকল্প সম্পূৰ্ণ হ'ব। সমান্তৰালভাৱে অসমীয়া চলচ্চিত্ৰৰ প্ৰসাৰ আৰু ইয়াৰ উৎকৃষ্টতাক

সন্মান জনোৱাৰ বাবে সপ্তাহজোৰা কাৰ্যসূচীৰে ‘ৰাজ্যিক চলচ্চিত্ৰ বঁটা আৰু মহোৎসৱ ২০২৫’ উদ্‌যাপন কৰা হ’ব।

(৪৭) মই এই বিভাগৰ বাবে ২১৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## পৰিৱেশ আৰু বন বিভাগ

*আজিৰ সংৰক্ষণ, ভৱিষ্যতৰ সুৰক্ষা*

(৪৮) বন প্ৰশাসনক শক্তিশালীকৰণৰ লক্ষ্যৰে বিভাগে বনাঞ্চলৰ গাঁওসমূহত থকা ৯৪৬ গৰাকী গাঁওপ্ৰধানৰ বাবে মাহিলি পাৰিতোষিক হিচাপে ৯,০০০ টকাকৈ প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। পুঁজিৰ সুচল প্ৰবাহৰ বাবে আবণ্টিত ধনখিনি চিলিংবিহীন ব্যৱস্থাৰে প্ৰদান কৰা হ’ব।

(৪৯) অমৃত বৃক্ষ আন্দোলনৰ অধীনত সমগ্ৰ ৰাজ্যখনতে ৩.১৯ কোটি গছপুলি সফলতাৰে ৰোপণ কৰা হৈছে।

(৫০) এই বিত্তীয় বৰ্ষত মানুহ-বন্যপ্ৰাণীৰ সংঘাত প্ৰশমনৰ বাবে সৌৰশক্তিচালিত ফেন্সিং স্থাপন কৰা হ’ব। এটা সংহত পৰ্যাৰৰণ ভৱন স্থাপনৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি স্তন্যপায়ী প্ৰাণীসমূহৰ (Primate) সুৰক্ষাৰ বাবে কেনোপি ব্ৰীজ (Canopy Bridge) স্থাপন কৰা হ’ব আৰু বনাঞ্চলসমূহত বিদ্যুৎ সংযোগ ব্যৱস্থাক সুৰক্ষিত কৰা হ’ব।

(৫১) মই এই বিভাগৰ বাবে ১,২৯০ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## আবকাৰী বিভাগ

*আবকাৰী নীতিত উদ্ভাৱন আৰু জৱাবদিহিতা*

(৫২) বিভাগে কৰ সমন্বয়কৰণ, ব্ৰেণ্ডৰ পুনৰ গঠন আৰু চোৰাং ব্যৱসায় ৰোধ কৰিবলৈ এক অনলাইন ট্ৰেনজিট পাছ ব্যৱস্থা প্ৰৱৰ্তনৰ লেখীয়া গুৰুত্বপূৰ্ণ সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিছে। এক স্বচ্ছ ই-নিলাম প্ৰক্ৰিয়াৰ জৰিয়তে সুৰাৰ খুচুৰা অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে।

(৫৩) এতিয়া Track and Trace ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু ছয় মাহৰ ভিতৰত খুচুৰা দোকানবিলাকক (Retail Store) এই ব্যৱস্থাৰে সামৰি লোৱা হ'ব। সঠিক সময়ত নিৰীক্ষণৰ বাবে জি আই এছ মেপিং ব্যৱহাৰ কৰা হৈছে। আই এম এফ এল আৰু দেশীয় সুৰাৰ অনুজ্ঞাপত্ৰ থকা লোকসকলে এতিয়া অতিৰিক্ত মাচুল অবিহনে পৰম্পৰাগত সুৰা বিক্ৰী কৰিব পাৰে।

(৫৪) তদুপৰি, উন্নত নিৰীক্ষণ আৰু বিধি বলৱৎকৰণৰ বাবে আমি এটা কমাণ্ড কণ্ট্ৰোল চেণ্টাৰ আৰু Data Analytics Unit স্থাপন কৰিম। ইয়াৰ উপৰি অবৈধ সুৰাৰ প্ৰস্তুতকৰণ ৰোধ কৰাৰ অৰ্থে আমি The Assam Molasses Control Act প্ৰৱৰ্তনৰ বাবে কাম কৰি আছোঁ।

(৫৫) মই এই বিভাগৰ বাবে ১১১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## বিত্ত বিভাগ

*অৰ্থনৈতিক সামৰ্থ্যৰ বাবে কৌশলগত পৰিকল্পনা*

(৫৬) অনুসূচিত বাণিজ্যিক বেংকৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰেৰে ২০০ লাখ টকা পৰ্য্যন্ত ক'ভাৰেজৰ ব্যৱস্থাৰে চাৰি লাখৰো অধিক চৰকাৰী কৰ্মচাৰীৰ বাবে শূন্য প্ৰিমিয়াম বীমা নিশ্চিত কৰা হৈছে।

(৫৭) বিভাগটোৱে ২০২৫-২৬ বিত্তীয় বৰ্ষত অধিক উদ্যমেৰে আপোন বাহন, আপোন ঘৰ, অৰুণোদয় আৰু অসম চাহ উদ্যোগ বিশেষ উদ্‌গনি আঁচনিৰ ৰূপায়ণ অব্যাহত ৰাখিব।

(৫৮) বিভাগটোৱে বাজেটৰ অধিক ব্যয়ৰ গতি অব্যাহত ৰখা, বিগত বৰ্ষতকৈ মূলধনী ব্যয় নিম্নতম ১০ শতাংশ বৃদ্ধি কৰা, ঋণ-জমাৰ অনুপাতৰ ৰাষ্ট্ৰীয় গড় ৭৮ শতাংশ স্পৰ্শ কৰাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিব।

(৫৯) বাজেটত উল্লেখিত সকলো কাৰ্যসূচীৰ বাবে ধনৰ সুগম যোগান নিশ্চিত কৰিবলৈ ফিন আছাম (Fin Assam) আৰু প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনিৰ বাবে ডিজিটেল আন্তঃগাঁথনি (DIDS)ক অধিক শক্তিশালী

কৰা হ'ব। এইবছৰ ই-কালেকচন আৰু ই-পেমেণ্ট অধিক মজবুট কৰাৰ বাবে গুৰুত্ব আৰোপ কৰা হ'ব।

(৬০) এই বিভাগলৈ মই ৩৫,৩০১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## মীন বিভাগ

*আত্মনিৰ্ভৰশীলতা ঃ নীল বিপ্লৱৰ লক্ষ্য*

(৬১) মূল্য সংযোজন আৰু গ্ৰাম্য জীৱিকাৰ শক্তিশালীকৰণ আৰু ৪,০০০ হেক্টৰৰ মৎস্যপালন বিলৰ পুনৰুদ্ধাৰৰ জৰিয়তে একুৱাকালছাৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে দুটা গুৰুত্বপূৰ্ণ বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প চূড়ান্ত কৰা হৈছে।

(৬২) ভৱিষ্যতে ল'বলগীয়া আন এক মুখ্য পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত ১০০কোটি টকাৰ বিনিয়োগৰ পৰিকল্পনাৰে শ্ৰীভূমি জিলাত শন বিলৰ উন্নয়নৰ প্ৰস্তাৱ লোৱা হৈছে যি এক লাখতকৈ অধিক অনুসূচিত জাতিৰ মাছমৰীয়া সম্প্ৰদায়ৰ ব্যক্তিৰ জীৱিকা নিৰ্বাহৰ পথ বাহাল ৰখাত সহায় কৰিব।

(৬৩) মই ইয়াৰ দ্বাৰা বিভাগটোক ১৬৩ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

*স্বচ্ছতা আৰু দক্ষতাসহ গ্ৰাহকৰ অধিকাৰ বাহাল*

(৬৪) ৰাজ্যখনত ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ৰ অধীনত ২.৪৫ কোটি লোকলৈ বিনামূলীয়া চাউল প্ৰদান কৰা হৈছে।

(৬৫) বিভাগটোৱে তিনিটা ঋতুত ১৭.৩০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিছে। ইয়াৰ বাবে কৃষকসকললৈ ৩,৫০০ কোটি টকা প্ৰত্যক্ষভাৱে প্ৰদান কৰা হৈছে। পণ্যাগাৰ আৰু ধান কলসমূহ উন্নত কৰা হৈছে আৰু ৪৫.৭০ কোটি টকাৰ ৰাজসাহায্যৰে চাউলৰ গুণগত মান বৃদ্ধিকৰণ যন্ত্ৰ (Machine for fortified rice) স্থাপন কৰা হৈছে। তদুপৰি,

চৰকাৰে প্ৰতি কুইণ্টল ধানৰ ন্যূনতম সমৰ্থন মূল্য ২০২৪ ৰ ডিচেম্বৰত ২,১৮৩ টকাৰ পৰা ২,৩০০ টকালৈ বৃদ্ধি কৰিছে। ইয়াৰ দ্বাৰা ৪০,৩৪৩ গৰাকী কৃষক উপকৃত হৈছে। ২০২৪ চনৰ ৰবি শস্যৰ বতৰত প্ৰতি কুইণ্টলত ৫৬৫০ টকাকৈ ১১,১০২ মেট্ৰিকটন সৰিয়হ ক্ৰয় কৰা হৈছে।

(৬৬) মই এই বিভাগলৈ ১,০৬৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## সাধাৰণ প্ৰশাসন বিভাগ

***স্বচ্ছতা আৰু দায়বদ্ধতাৰ নিশ্চিতি***

(৬৭) স্থানীয় প্ৰশাসন ব্যৱস্থা শক্তিশালী কৰিবলৈ ৩৯খন নতুন সম-জিলা গঠন কৰা হৈছে আৰু উন্নত সেৱা প্ৰদানৰ বাবে ইয়াক বিধানসভা সমষ্টিৰ সৈতে সংলগ্ন কৰা হৈছে।

(৬৮) নতুন দিল্লী আৰু বাংগালুৰুত অসম ভৱন আৰু মুঠ ১৪টা সংহত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ ভিতৰত ১৩টাৰ নিৰ্মাণৰ কাম চলি আছে আৰু নিৰ্মাণকাৰ্য ২০২৫ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হ'ব।

(৬৯) বৰাক উপত্যকাৰ শিলচৰত ক্ষুদ্ৰ সচিবালয় নিৰ্মাণৰ কাম এই বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

(৭০) মই ইয়াৰ দ্বাৰা বিভাগটোলৈ ৯৯৪ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগ

***গোলকীয় স্বীকৃতিৰ বাবে থলুৱা কাৰু শিল্পৰ প্ৰসাৰ***

(৭১) হস্ততাঁত আৰু পাট-সূতাৰ উৎপাদন হৈছে অসমৰ অৰ্থনীতিৰ এক বৃহৎ অংগ, যিয়ে ৰাজ্যখনৰ ১২.৮৩ লাখতকৈ অধিক শিপিনীক নিয়োগৰ সুবিধা প্ৰদান কৰিছে।

(৭২) তদুপৰি চৰকাৰে নুনি আৰু মুগাপাট  সূতাৰ বীজৰ ওপৰত ৫০ শতাংশ ৰাজসাহায্য আগবঢ়াইছে আৰু তিতাবৰত ৰেচম মহাবিদ্যালয়খনৰ উন্নয়ন সাধন কৰা হ'ব।

(৭৩) স্ব-নির্ভৰ নাৰী আঁচনি, কাজিৰঙাত সংহত হস্ততাঁত উদ্যান নির্মাণ, শুৱালকুছিত পাট সূতাৰ ভঁৰাল, অসম পাটসূতা প্ৰসাৰ মিছন আৰু হস্ততাঁত আদৰ্শ গাঁৱৰ বাবে বাজেটত পৰ্যাপ্ত পুঁজি ৰখা হৈছে।

(৭৪) হস্ততাঁত বস্ত্ৰশিল্প বিভাগে প্ৰতিখন জিলাতে একোটাকৈ সংহত হস্ততাঁত, হস্তশিল্প আৰু খাদীকেন্দ্ৰ স্থাপন কৰিব। এই কেন্দ্ৰসমূহে হস্তশিল্প কাৰিকৰসকল আৰু গ্ৰাহকসকলৰ বাবে একক কেন্দ্ৰ (One Stop Centre) হিচাপে কাম কৰিব।

(৭৫) মই এই বিভাগলৈ ৩৩১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

***উন্নত সেৱাৰ জৰিয়তে কল্যাণ সাধন***

(৭৬) চাহ শ্ৰমিকসকলৰ বাবে স্বাস্থ্য সেৱাৰ মান উন্নত কৰিবলৈ ৰাজ্যখনৰ ২০খন চাহ বাগিচাত 'Healthy Garden Population-Comprehensive Health Screening' আঁচনি আৰম্ভ কৰা হ'ব। 'স্বাস্থ্য বাগান' যোজনাখন অব্যাহত থাকিব। ইয়াৰ অধীনত আয়ুষ্মান আৰোগ্য মন্দিৰ, ভ্ৰাম্যমাণ চিকিৎসা কেন্দ্ৰ আৰু ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰ চিকিৎসালয়ৰ জৰিয়তে চিকিৎসা প্ৰদান কৰি থকা হৈছে।

(৭৭) শিশু আৰু প্ৰসূতিলৈ স্বাস্থ্যসেৱা প্ৰদান হৈছে এক অগ্ৰাধিকাৰৰ বিষয়। এই পদক্ষেপে নৱজাতকৰ বিশেষ স্বাস্থ্যসেৱা ইউনিট, শিশুৰ আই চি ইউ আৰু কেংগাৰু মাতৃ যতন কেন্দ্ৰৰ সম্প্ৰসাৰণক সামৰি ল'ব।

(৭৮) ন্যায়সংগত স্বাস্থ্যসেৱাৰ সুবিধা প্ৰদান সুনিশ্চিত কৰিবলৈ 'দুৰ্গমৰ পৰা সুগমলৈ' পদক্ষেপৰ অধীনত দুৰ্গম এলেকাত কাম কৰা চিকিৎসকসকললৈ তথা বিশেষজ্ঞসকললৈ বিত্তীয় উদ্‌গনি প্ৰদান কৰা হ'ব। ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বত নিৰ্বাচিত চিকিৎসালয়সমূহ পৰিচালিত হ'ব, য'ত ব্যক্তিগত অংশীদাৰীসকলে ন্যায়সংগত নিৰিখত সেৱা আগবঢ়াব।

(৭৯) নাগৰিকসকলক নিজৰ স্বাস্থ্যৰ প্ৰতি মনোযোগ দিয়া, স্বাস্থ্যকৰ জীৱনশৈলী গ্ৰহণ কৰা, স্বাস্থ্যৰ অধিকাৰ আৰু সঠিক পুষ্টি অৱলম্বনৰ বাবে উৎসাহিত কৰাৰ লগতে যোগাসন আৰু সামগ্ৰিক সুস্বাস্থ্যৰ দিশসমূহ জনপ্ৰিয় কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(৮০) মই এই বিভাগলৈ ৫,৩৯৩ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## উচ্চ শিক্ষা বিভাগ

***গুণগত শিক্ষাৰ জৰিয়তে দক্ষ কৰ্মশক্তি সৃষ্টি***

(৮১) হাজো, মাজুলী আৰু টিংখং পলিটেকনিকৰ উপৰি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুকলি বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আৰ্থিক অনুদান প্ৰদান কৰি থকা হৈছে। তদুপৰি অসমীয়া ভাষাক ডিজিটেল ক্ষেত্ৰত কাৰ্যক্ষম কৰি তোলাৰ বাবে প্ৰাগজ্যোতিষ বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন কেন্দ্ৰক সহায়-সমৰ্থন আগবঢ়োৱা হৈছে।

(৮২) ইয়াৰ উপৰি, দক্ষতা বিকাশত বিশেষ গুৰুত্ব আৰোপ কৰি নলবাৰী আৰু শোণিতপুৰ পলিটেকনিকত হ্ৰস্বকালীন পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে আৰু আন ছখন প্ৰতিষ্ঠানতো অনুৰূপ পাঠ্যক্ৰম মুকলি কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে।

(৮৩) ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ছাত্ৰই নিজে ব্যয় বহন কৰা বিভিন্ন পাঠ্যক্ৰমত ৫০ শতাংশ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। ড° বাণীকান্ত কাকতি বঁটা হিচাপে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক স্কুটী প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

(৮৪) এই বিভাগৰ বাবে মই ৩,৭৯৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## পাৰ্বত্য অঞ্চল

***সম-বিকাশৰ বাবে আন্তঃগাঁথনিৰ সংযোগ সাধন***

(৮৫) অসম চৰকাৰে ডিফুত ১২ কোটি টকা ব্যয় সাপেক্ষে আন্তঃৰাজ্যিক বাছ আস্থান নিৰ্মাণৰ উপৰি কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য

অঞ্চল (KAANCH)ৰ বিপণন ক্ষেত্ৰৰ সম্প্ৰসাৰণ আৰু চাকৰি সৃষ্টিৰ বাবে অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম (AHSIDC)ৰ কৃষি সংসাধন গোটৰ আধুনিকীকৰণ আদি গুৰুত্বপূৰ্ণ প্ৰকল্প সম্পূৰ্ণ কৰিছে। আশাকৰ্মীৰ বাবে স্কুটী বিতৰণ, এটা ছুপাৰ থাৰ্টী প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু এটা দক্ষতা বিকাশ কেন্দ্ৰ (SDC) স্থাপনৰ দৰে কল্যাণকামী আঁচনি প্ৰৱৰ্তন কৰা হৈছে।

(৮৬) মই ইয়াৰ দ্বাৰা এই বিভাগৰ বাবে ৩,০৭৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিলোঁ।

## গৃহ আৰু ৰাজনৈতিক বিভাগ

***উত্তৰদায়ী আৰক্ষীৰ জৰিয়তে গণতন্ত্ৰৰ সুৰক্ষা***

(৮৭) সাধাৰণ অঞ্চলত গাঁও পঞ্চায়তৰ সম্পাদকসকলক আৰু ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলত চক্ৰ বিষয়া কাৰ্যালয়ৰ লাট মণ্ডলসকলক বাল্য বিবাহ প্ৰতিৰোধী বিষয়া (CMPOs)ৰূপে অধিসূচিত কৰা হৈছে।

(৮৮) মহিলা সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ ফলস্বৰূপে ভাৰতৰ অপৰাধ সম্বন্ধীয় প্ৰতিবেদন অনুসৰি অসমত মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ সংখ্যা যথেষ্ট পৰিমাণে হ্ৰাস পাইছে আৰু অসম ২০২১ চনৰ সপ্তম স্থানৰ পৰা ২০২৩ চনত চতুৰ্দশ স্থানলৈ উন্নীত হৈছে।

(৮৯) আমাৰ ড্ৰাগ্‌ছ সৰবৰাহবিৰোধী যুঁজেও উল্লেখযোগ্য সফলতা লাভ কৰিছে। কেৱল ২০২৪ চনত অসম আৰক্ষীয়ে ১৭৪ কিঃগ্ৰাঃ হেৰ'ইন আৰু প্ৰায় ২১,০০০ কিঃগ্ৰাঃ গাঞ্জা জব্দ কৰি সংগঠিত অপৰাধী চক্ৰৰ নেটৱৰ্কত মাধমাৰ সোধাবলৈ সক্ষম হৈছে। সমান্তৰালভাৱে, মানৱ সৰবৰাহ ৰোধৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অনুসৰি অসম আৰক্ষীয়ে ৪৫০ টাতকৈ অধিক এনে গোচৰ ৰুজু কৰিছে, ৬৯০ জনতকৈ অধিক সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে আৰু প্ৰায় ৯০০ ভুক্তভোগীক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে।

(৯০) চৰকাৰে ইতিমধ্যে শতাধিক নতুন আৰক্ষী থানাৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছে আৰু ১৬২খনৰ নিৰ্মাণকাৰ্য চলি আছে। ইয়াৰ উপৰি, অহা বিত্তীয় বৰ্ষত আধুনিকীকৰণৰ বাবে আৰু পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই অনুসৰি ধেমাজি, ধুবুৰী, কৰিমগঞ্জ আৰু তিনিচুকীয়াত ৪ টা আদৰ্শ আৰক্ষী আৱেশ উন্নীতকৰণত গুৰুত্ব প্ৰদান কৰা হ'ব।

(৯১) চৰকাৰে লখিমপুৰ, তেজপুৰ, মঙলদৈ, গোৱালপাৰা, ধুবুৰী আৰু শিলচৰত নতুন কাৰাগাৰ নিৰ্মাণৰ বাবেও ভূমি আবণ্টন দিছে, যাৰ নিৰ্মাণ পৰিকল্পনা ইতিমধ্যে সম্পন্ন কৰা হৈছে।

(৯২) মই এই বিভাগলৈ ৮,২৯১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ

***বহনক্ষম বিকাশৰ বাবে নগৰীয়া পৰিকল্পনাত উদ্ভাৱন***

(৯৩) বৰাগাঁৱৰ Legacy Waste Treatment Projectৰ দ্বাৰা দৈনিক ২০০০ মেট্ৰিকটন আৱৰ্জনা প্ৰক্ৰিয়াকৰণৰ জৰিয়তে ইতিমধ্যে ৫.২০ লাখ টন আৱৰ্জনা পৰিশোধন (Treat) কৰা হৈছে। একেঠাইতে এখন নগৰীয়া বনাঞ্চল আৰু উদ্যান গঢ়ি তোলা হ'ব।

(৯৪) আৱৰ্জনা নিষ্কাশন সুনিশ্চিত কৰিবলৈ গুৱাহাটী পৌৰ নিগমে বেলৰতলত এটা ১৫০ টি.পি.ডি সামৰ্থ্যৰ Compost & RDF Plant ৰ কাম আৰম্ভ কৰিছে আৰু সমগ্ৰ মহানগৰখনতে কেইবাটাও Refuse Transfer Stations (RTS) আৰু Material Recovery Facilities (MRF) স্থাপন কৰিছে।

(৯৫) তদুপৰি এখন ফুড কৰ্ট, প্ৰমোদ পথ আৰু আহোম সেনাপতি বীৰ লাচিত বৰফুকনৰ সহযোদ্ধাসকলৰ সোঁৱৰণত এটা স্মৃতিসৌধ নিৰ্মাণেৰে মহাবাহু ব্ৰহ্মপুত্ৰ নদী ঐতিহ্য কেন্দ্ৰটোৰ পৰিসৰ বৃদ্ধি কৰা হ'ব।

(৯৬) জাগীৰোড ছেটেলাইট টাউনশ্বিপৰ কাম চলি আছে। ইয়াত Tata Semiconductor Assembly আৰু Assam Electronics & Semiconductor Logistics Park ৰ বাবে ভূমি আবণ্টন দিয়া হৈছে। তদুপৰি বিভাগে ভাৰত চৰকাৰৰ সাহায্যত এই বছৰ ১৪২

কোটি টকা ব্যয় সাপেক্ষে কৰ্মৰত মহিলাৰ বাবে হোষ্টেল নিৰ্মাণ কৰিব।

(৯৭) নগৰীয়া বান প্ৰতিৰোধৰ অৰ্থে হাতত ল'বলগীয়া প্ৰধান প্ৰকল্পসমূহ হ'ল- নিউ গুৱাহাটী ব্ৰীজত Blue Green Infrastructure আৰু বাহিনী অৱবাহিকা (Basin)ত নলা-নৰ্দমা উন্নীতকৰণ ব্যৱস্থা।

(৯৮) মই এই বিভাগৰ বাবে ২,৭০৪ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ

***ঐতিহ্য সংৰক্ষণ, বৈচিত্ৰতাক উদ্‌যাপন***

(৯৯) ২০২৫-২৬ বৰ্ষত প্ৰত্নতাত্ত্বিক স্থানসমূহৰ সংৰক্ষণ, সংগ্ৰহালয় উন্নীতকৰণ, ঐতিহাসিক গৱেষণাৰ প্ৰসাৰ আৰু থলুৱা সংস্কৃতি সংৰক্ষণ কৰিবলৈ বিভিন্ন প্ৰকল্প হাতত লোৱা হৈছে।

(১০০) অসমৰ ঐতিহাসিক চিহ্নসমূহ সংৰক্ষণ কৰিবলৈ কামৰূপৰ ৰুদ্ৰেশ্বৰ দেৱালয়, শিলঘাটৰ কামাখ্যা মন্দিৰ আৰু নগাঁৰৰ জখলাবন্ধাৰ নৃসিংহ দেৱালয়ৰ পুনৰুদ্ধাৰৰ কাম অবিৰতভাৱে চলাই থকা হ'ব।

(১০১) দুষ্প্ৰাপ্য গ্ৰন্থ আৰু পাণ্ডুলিপিসমূহ সুৰক্ষিত কৰিবলৈ কৰা প্ৰয়াস হিচাপে কেটেলগ আৰু ঐতিহাসিক তথ্যসমূহ ডিজিটাইজ কৰিবলৈ এমট্ৰনৰ সহযোগত এটা ডিজিটেল পুথিভঁৰাল স্থাপন কৰা হ'ব।

(১০২) আৰু এখোজ আগলৈ চাই অসম ৰাজ্যিক সংগ্ৰাহলয়ত নতুন বীথিকাৰ উন্নয়নৰ লগতে বৰপেটা আৰু ধুবুৰীত জিলা সংগ্ৰহালয় স্থাপনৰ জৰিয়তে বিভাগে সংগ্ৰহালয়ৰ আন্তঃগাঁথনি সম্প্ৰসাৰণ কৰিবলৈ পৰিকল্পনা গ্ৰহণ কৰিছে।

(১০৩) অতিৰিক্তভাৱে অসমৰ চহকী সংস্কৃতি উদ্‌যাপন কৰিবলৈ বাৰ্ষিক অনুষ্ঠান হিচাপে 'ঐতিহ্য সংগ্ৰহালয় উৎসৱ'ৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত কৰা হ'ব।

(১০৪) জনজাতীয় সম্প্ৰদায়ক সহায় আগবঢ়াবলৈ জনজাতীয় ধৰ্মীয় স্থান আৰু সাংস্কৃতিক প্ৰতিষ্ঠানসমূহলৈ অনুদান আগবঢ়াই থকা হ'ব।

(১০৫) মই ইয়াৰ বাবে বিভাগলৈ ৫৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ

***উদ্ভাৱনী চালিকা শক্তিৰে ঔদ্যোগিক ৰূপান্তৰ***

(১০৬) ঔদ্যোগিক আৰু বিনিয়োগ নীতি (সংশোধনী) ২০২৩ (Industrial and Investment Policy- Amendment-2023) য়ে ১৪,৮০০ কোটি টকাতকৈয়ো অধিক বিনিয়োগেৰে ২৮টা বৃহৎ ঔদ্যোগিক ইউনিটক আকৰ্ষিত কৰিছে, যাৰ ফলত ২১,০০০ তকৈ অধিক চাকৰিৰ সৃষ্টি হৈছে।

(১০৭) ৬,৪৪০ একৰ ঔদ্যোগিক ভূমিৰ সৈতে আন্তঃগাঁথনিৰ প্ৰসাৰ কৰা হৈছে আৰু ১১,৬০০ একৰতকৈ অধিক ভূমিৰ উন্নয়নৰ কাম চলি আছে। উদ্যোগ আৰু অভ্যন্তৰীণ বাণিজ্য প্ৰসাৰ বিভাগ (DPIIT)ৰ দ্বাৰা 'টপ এশ্বিভাৰ ইন বিজনেছ ৰিফৰ্মছ এক্সন প্লেন ২০২২' হিচাপে অসমক স্বীকৃতি প্ৰদান কৰা হৈছে।

(১০৮) তদুপৰি, অসমৰ ৰপ্তানিয়ে ৩,৬০০ কোটি টকা স্পৰ্শ কৰিছে আৰু চাহ, ৰেচম তথা কাৰ্বি আংলঙৰ আদাই বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছে।

(১০৯) তদুপৰি, খণ্ডগত বিকাশক আগুৱাই নিবলৈ পাঁচটা নতুন নীতি যেনে অসম মহাকাশ আৰু প্ৰতিৰক্ষা উৎপাদন নীতি, অসম ষ্টাৰ্টআপ তথা উদ্ভাৱন নীতি, আছাম ইলেক্ট্ৰ'নিকছ ছিষ্টেম ডিজাইন এণ্ড মেনুফেক্সাৰিং নীতি, ফাৰ্মাচ্যুটিকেল এণ্ড মেডিকেল ডিভাইচেছ নীতি আৰু বস্ত্ৰশিল্প আৰু সাজ-পোছাক নীতিত অনুমোদন জনোৱা হৈছে।

(১১০) অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানসমূহৰ বিকাশ তথা এখন জিলা এটা সামগ্ৰী (ODOP) পদক্ষেপক ত্বৰান্বিত কৰিবলৈ একাধিক মূল্য শৃংখল সাহায্য কেন্দ্ৰ (VCSC) স্থাপনৰ কথা ঘোষণা কৰিবলৈ পাই মই সুখী হৈছোঁ। এই কেন্দ্ৰসমূহে উৎপাদিত সামগ্ৰীসমূহৰ একত্ৰীকৰণ, ইনভেণ্টৰী ব্যৱস্থাপনা আৰু বজাৰৰ সা-সুবিধাসমূহক সুশৃংখলিত কৰিব।

(১১১) মই ইয়াৰ দ্বাৰা বিভাগটোৰ বাবে ২,৪৭১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## তথ্য, জনসংযোগ আৰু মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগ

***ফলপ্ৰসূ যোগাযোগেৰে স্বচ্ছতাক শক্তিশালীকৰণ***

(১১২) বিভাগটোৱে প্ৰকাশ কৰা ‘অসম বাৰ্তা’ নামৰ ই-বাৰ্তালোচনীখনে ৬ মিলিয়নৰো অধিক ছাবচক্ৰাইবাৰৰ কাষ চাপিছে। তদুপৰি, অসমৰ ঐতিহ্য, কৃতিত্ব আৰু বঁটাসমূহৰ ওপৰত যুগুতোৱা বিভিন্ন গ্ৰন্থ তথা কফি টেবুল সংস্কৰণ প্ৰকাশ কৰা হৈছে।

(১১৩) তিতাবৰত অসম চৰকাৰী ছপাশালৰ এটা নতুন শাখা আৰম্ভ কৰা হ’ব আৰু লখিমপুৰ ছপাশালৰ নৱীকৰণৰ কাম চলি আছে। চাৰিটা নতুন মেচিন সংস্থাপন কৰা হৈছে আৰু শিলচৰত ইয়াৰ এটা শাখা স্থাপনৰ বাবে পৰিকল্পনা চলি আছে। ‘অসম প্ৰেছ’ নামেৰে জনাজাত গুৱাহাটীৰ চৰকাৰী ছপাশালে ইয়াৰ আধুনিকীকৰণৰ বাবে অতিৰিক্ত ১০ কোটি টকা লাভ কৰিব।

(১১৪) মই ইয়াৰ দ্বাৰা বিভাগটোৰ বাবে ২০৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## তথ্য আৰু প্ৰযুক্তি বিভাগ

***উৎকৃষ্ট সেৱা প্ৰদানৰ বাবে ই-গৱৰ্নেন্স শক্তিশালীকৰণ***

(১১৫) এই বিভাগটোৰ অন্যতম উল্লেখযোগ্য সফলতা হৈছে গুৱাহাটী টেক চিটিত ৫ জি অভিজ্ঞতা কেন্দ্ৰ (5G Experience Centre) স্থাপন, য’ত সংবৰ্দ্ধিত আৰু আভাসিক বাস্তৱিকতা (augmented and virtual reality)ৰ মাজেৰে স্বাস্থ্যসেৱা, তেল-গেছ, কৃষি আৰু হস্তশিল্পৰ ক্ষেত্ৰত ৫ জিৰ প্ৰয়োগসমূহ প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ উপৰি শিক্ষাক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিমজ্জিত আৰু আন্তঃক্ৰিয়ামূলক শিক্ষণ অভিজ্ঞতা প্ৰদানৰ উদ্দেশ্যে বিদ্যালয়সমূহত আভাসিক বাস্তৱিকতা (VR) প্ৰযুক্তি পৰীক্ষাগাৰৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে।

(১১৬) পি এম ডিভাইন (PM-DeVINE) আঁচনিৰ অধীনত টেক চিটিত ত্ৰিমাত্ৰিক ছপা উৎকৰ্ষ কেন্দ্ৰ (3D Printing Centre of Excellence) স্থাপন কৰা হৈছে।

(১১৭) আৰু এখোজ আগুৱাই বিভাগটোৱে নতুন প্ৰযুক্তি ব্যৱহাৰ আৰু দ্ৰুত গতিৰ ইণ্টাৰনেটৰ উপলব্ধতা বৃদ্ধি কৰি অসমৰ ডিজিটেল ব্যৱস্থাক অধিক উন্নীত কৰিব।

(১১৮) মই এই বিভাগৰ বাবে ৫৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## জলসিঞ্চন

***কাৰ্যকৰী জল ব্যৱস্থাপনাৰ জৰিয়তে সম্ভাৱনাৰ উন্মোচন***

(১১৯) প্ৰধান মন্ত্ৰী কৃষি সিঞ্চাই যোজনা- হৰখেত কো-পানী-ক্ষুদ্ৰ ভূতল জলসিঞ্চনৰ অধীনত ৩০২ কোটি টকা ব্যয় সাপেক্ষে হাতত লোৱা ৯ খন আঁচনিয়ে ২০২৫ৰ মাৰ্চৰ ভিতৰত নতুনকৈ ৭,৬০০ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰি ৭৫ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ৭০ খন গ্ৰাম্য আন্তঃগাঁথনি বিকাশ পুঁজি (RIDF-XXX নাবাৰ্ড) আঁচনিৰ বাবদ ৫,০০০ হেক্টৰো অধিক অঞ্চলত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টি কৰা হ'ব।

(১২০) আগন্তুক দিনৰ বাবে চাৰিটা প্ৰধান প্ৰকল্প প্ৰস্তাৱ কৰা হৈছে— বুৰৈ, পুঠিমাৰী, কটাখাল আৰু মাদুৰা জলসিঞ্চন প্ৰকল্পৰ দ্বাৰা ৪৬,০০০ হেক্টৰো অধিক অঞ্চলক জলসিঞ্চন ব্যৱস্থাৰে সামৰি লোৱা হ'ব আৰু সম্প্ৰতি কেন্দ্ৰীয় জল আয়োগৰ দ্বাৰা ইয়াৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুত কৰি থকা হৈছে। ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ জলসিঞ্চনৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই-হৰখেত-কো-পানী আঁচনিৰ অধীনত ২,২০০ কোটি টকা ব্যয় সাপেক্ষে ১৮,৬০০টা নতুন নলীনাদ স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে, যাৰ দ্বাৰা প্ৰায় ৭৫,০০০ হেক্টৰ কৃষি ক্ষেত্ৰক সামৰি লোৱা হ'ব।

(১২১) জল ব্যৱস্থাপনাক অধিক সু-সংহত কৰাৰ বাবে সীমান্তৱৰ্তী ৰাজ্য আৰু ভূটানত জলাধাৰ নিৰ্মাণ আদি সামৰি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানীৰ সঠিক ব্যৱহাৰৰ অৰ্থে কৌশলগত পৰিকল্পনাৰ বিকাশৰ হকে এখন বিশেষজ্ঞ সমিতি গঠন কৰা হৈছিল। এই ক্ষেত্ৰত নেডফিৰ দ্বাৰা

ৰাজ্যৰ জলসিঞ্চনৰ বিকাশৰ সন্দৰ্ভত এটি বিস্তৃত অধ্যয়ন কৰা হৈছে আৰু অহা ছেপ্টেম্বৰ ২০২৫ৰ ভিতৰত ইয়াৰ চূড়ান্ত প্ৰতিবেদন পোৱা যাব বুলি আশা কৰা হৈছে।

(১২২) মই ইয়াৰ দ্বাৰা এই বিভাগৰ বাবে ৯৬৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## ন্যায়িক বিভাগ

*সত্যনিষ্ঠাৰে সাংবিধানিক মূল্যবোধৰ সংৰক্ষণ*

(১২৩) বিভাগটোৱে আদালতসমূহত ই-ফাইলিং ব্যৱস্থা আৰম্ভ কৰিছে, যাৰ জৰিয়তে নাগৰিকসকলে অনলাইনতে গোচৰ দাখিল, মাচুল পৰিশোধ আৰু শুনানিত অংশগ্ৰহণ কৰিব পাৰে। সহায়ৰ প্ৰয়োজন হোৱা লোকসকলৰ বাবে e-Seva কেন্দ্ৰ স্থাপন কৰা হৈছে। শিৱসাগৰ, গোলাঘাট আৰু কাছাৰত নতুন আদালত ভৱন সম্পূৰ্ণ কৰা হৈছে আৰু আন জিলাসমূহতো বহু নতুন প্ৰকল্প চলি আছে।

(১২৪) আইন ব্যৱস্থাৰ উন্নয়নৰ বাবে বিভাগটোৱে প্ৰযুক্তি ব্যৱহাৰ কৰিছে। MACT প'ৰ্টেলৰ জৰিয়তে দুৰ্ঘটনাগ্ৰস্তসকলক তাৎক্ষণিকভাৱে ক্ষতিপূৰণ প্ৰদানত সহায় হৈছে। এতিয়া ভাৰ্চুৱেল কোৰ্টে অনলাইনতে ট্ৰেফিক জৰিমণা সম্পৰ্কীয় বিষয় নিষ্পত্তি কৰিছে। অধিক লোকে বুজি পোৱাৰ সুবিধাৰ্থে আদালতৰ ৰায়সমূহক কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ ব্যৱহাৰেৰে অসমীয়ালৈ অনুবাদ কৰা হৈছে। লগতে আদালতৰ বোজা কমাবলৈ ৮১,০০০ টা লঘু গোচৰ প্ৰত্যাহাৰ কৰা হৈছে।

(১২৫) মই এই বিভাগৰ বাবে ৮৭৯ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## শ্ৰমিক কল্যাণ বিভাগ

*ন্যায্য দৰমহা আৰু সন্মানজনক জীৱিকা নিশ্চিতকৰণ*

(১২৬) ২০২৪ চনত ৭০০ ৰো অধিক শিশু-কিশোৰ শ্ৰমিকক উদ্ধাৰ কৰা হৈছে আৰু প্ৰায় ২৮৮ খন এজাহাৰ দাখিল কৰা হৈছে।

(১২৭) শ্ৰমিকসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা মুখ্য পদক্ষেপসমূহৰ ভিতৰত

আছে অনলাইন শ্ৰমিক পঞ্জীয়ন ব্যৱস্থাৰ বাবে 'নিৰ্মাণ সখী' ব্যৱস্থা, দক্ষতা প্ৰশিক্ষণ কাৰ্যসূচী, নতুন শ্ৰম কাৰ্যালয় স্থাপন আৰু ই এছ আই চিকিৎসা সেৱাৰ প্ৰসাৰ।

(১২৮) বিভাগটোৱে চাহ বাগিচা থকা জিলাসমূহকে ধৰি গুৰুত্বপূৰ্ণ স্থানসমূহত ভ্ৰাম্যমাণ ওমলা ঘৰ আৰু শৌচাগাৰ ইউনিট স্থাপন কৰিব। এই সুবিধাসমূহে গাঁও পঞ্চায়ত পৰ্যায়লৈ তথা বৃহৎ নিৰ্মাণস্থলী আৰু শ্ৰমিকসকলৰ সমাৱেশ স্থানসমূহক সাঙুৰি ল'ব।

(১২৯) মই এই বিভাগৰ বাবে ১০৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## বিধায়িনী বিভাগ

***প্ৰগতিশীল সমাজৰ বাবে আইনী সংস্কাৰৰ ত্বৰান্বিতকৰণ***

(১৩০) এই বিভাগটোৱে ২০২৪ চনত ৩৪ খন আইন আৰু ৬ খন অধ্যাদেশ প্ৰস্তুত কৰিছে। আইনী সহায়ক কেন্দ্ৰসমূহে ২৭,০০০ ৰো অধিক লোকক সহায় কৰিছে। আনহাতে আইনী সাহায্য প্ৰতিপক্ষ পৰামৰ্শদাতা (legel Aid Defense Counsel)-এ ১,৩০০ৰো অধিক সত্ৰ আদালতৰ গোচৰ, প্ৰায় ২,৫০০ টা দণ্ডাধীশ পৰ্যায়ৰ গোচৰ আৰু ৩,০০০ ৰো অধিক জামিন আবেদন নিষ্পত্তি কৰিছে।

(১৩১) বিভাগে অসমৰ আন সংস্থাসমূহলৈ সকলো প্ৰয়োজনীয় সহায় আগবঢ়াই যাব।

(১৩২) মই এই বিভাগৰ বাবে ৩৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগ

***স্বাস্থ্যসেৱাত উৎকৰ্ষৰ সন্ধান***

(১৩৩) ২০১৬ বৰ্ষৰ পৰা চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা উল্লেখনীয়ভাৱে বৃদ্ধি পোৱাৰ ফলত চিকিৎসা বিজ্ঞানৰ স্নাতকৰ আসনৰ সংখ্যা ৭২৬ৰ পৰা ১,৬০০, স্নাতকোত্তৰ আসনৰ সংখ্যা ৩৮৬ৰ পৰা ৭২২ আৰু দন্ত্য চিকিৎসা স্নাতকৰ আসনৰ সংখ্যা ৪০ৰ পৰা ১৭৬ লৈ বৃদ্ধি পাইছে।

(১৩৪) ২০২৬-২৭ বৰ্ষত চৰাইদেউ, বিশ্বনাথ আৰু বঙাইগাঁৱত মুকলি হ'বলগীয়া তিনিখন নতুন চিকিৎসা মহাবিদ্যালয়ৰ জৰিয়তে চৰকাৰে চিকিৎসা শিক্ষাৰ অধিক প্ৰসাৰ সাধন কৰাৰ পথত অগ্ৰসৰ হৈছে। আন ৬ খন মহাবিদ্যালয় শিৱসাগৰ, শ্ৰীভূমি, তামুলপুৰ, ধেমাজি, মৰিগাঁও আৰু গোলাঘাটত নিৰ্মীয়মাণ অৱস্থাত আছে। ইয়াৰ উপৰি, বিভিন্ন জিলাত ৭খন নতুন নাৰ্ছিং মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰা হৈছে।

(১৩৫) অতিৰিক্ত আসন মৰাণ, মটক, টাই-আহোম, চুতীয়া আৰু কোচ-ৰাজবংশী সম্প্ৰদায়ৰ বাবে আবণ্টন দিয়া হৈছে।

(১৩৬) ভৱিষ্যতে ল'বলগীয়া পদক্ষেপ হিচাপে চৰকাৰে দৰং, হোজাই আৰু হাইলাকান্দিত ৩খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰিছে। চিকিৎসা মহাবিদ্যালয়সমূহৰ বাবে অতিৰিক্ত চি টি আৰু এম আৰ আই মেচিন ক্ৰয় কৰা হ'ব আৰু অসম চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ৰবটিক অস্ত্ৰোপচাৰ ইউনিট স্থাপন কৰা হ'ব।

(১৩৭) চিকিৎসালয় পৰিচালনাত বিত্তীয় শৃংখলাবদ্ধতাই নিৰন্তৰ ৰাজহ বৃদ্ধিত সহায় কৰিছে। ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা ২০২৪ বৰ্ষৰ ডিচেম্বৰলৈ ৰোগী চিকিৎসাসেৱাৰ পৰা লাভ কৰা ৰাজহ ৯৮.৭ কোটি টকাৰ পৰা ১৫১.৯৮ কোটি টকালৈ বৃদ্ধি পাইছে।

(১৩৮) আয়ুষ্মান অসম-মুখ্যমন্ত্ৰীৰ জন আৰোগ্য যোজনা (AA-MMJAY)ৰ অধীনত তালিকাভুক্ত চিকিৎসালয়সমূহত জটিল ৰোগৰ বাবে নগদবিহীন চিকিৎসা সেৱা আগবঢ়োৱা হয়। আৰম্ভণিৰ পৰা ২.৩ লাখতকৈ অধিক ৰোগীয়ে আঁচনিখনৰ অধীনত চিকিৎসা সেৱা লাভ কৰিছে আৰু ইয়াৰ বাবে প্ৰায় ৪৫০ কোটি টকা ব্যয় হৈছে।

(১৩৯) ইয়াৰ উপৰি, ২০২৪ বৰ্ষত উদ্বোধন কৰা আন ২খন নতুন কৰ্কট চিকিৎসালয়ক সামৰি টাটা ট্ৰাষ্টৰ সহযোগত অসম কৰ্কট সেৱা ফাউণ্ডেশ্যনে ৭খন কৰ্কট চিকিৎসালয় স্থাপন কৰিছে আৰু অতিৰিক্ত ৭খন কৰ্কট চিকিৎসালয় নিৰ্মাণ কৰি থকা হৈছে।

(১৪০) মই ইয়াৰ দ্বাৰা বিভাগটোক ২,৫৪২ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## খনি আৰু খনিজ সম্পদ বিভাগ

*অৰ্থনৈতিক প্ৰগতিৰ বাবে বহনক্ষম খনন*

(১৪১) ভূতত্ত্ব আৰু খনি সঞ্চালকালয়ে ছটা গ্ৰেনাইট খণ্ড ২০২৪ চনত সফলতাৰে নিলাম কৰিবলৈ সক্ষম হয়, যাৰ দ্বাৰা ৩৬০ কোটি টকাৰ অধিক বিক্ৰী মূল্য আহৰণ কৰা হৈছে। ভূতত্ত্ব আৰু খনি সঞ্চালকালয়ে ৪খন চূণশিল খণ্ডৰ দ্বিতীয় পৰ্যায়ৰ নিলাম প্ৰক্ৰিয়া এম এছ টি চি নিলাম প'ৰ্টেলৰ জৰিয়তে সম্পন্ন কৰিছে। এই নিলাম প্ৰক্ৰিয়াৰ সফলতাৰে সম্পন্ন হোৱাৰ পিছত ৫০ বছৰলৈ বছৰি প্ৰায় ২,০০০ কোটি টকাকৈ আহৰণ হ'ব। ৰাজ্যৰ ভূতত্ত্ব আৰু খনি সঞ্চালকালয়ে ইয়াৰ ২০ শতাংশ অগ্ৰিম দেনা হিচাপে ৩৯ কোটি টকা ইতিমধ্যে ৰাজকোষত জমা দিছে।

(১৪২) তদুপৰি, জিলা খনিজ ফাউণ্ডেচনে (DMF) ২০২৪ চনৰ ডিচেম্বৰলৈ ২৬০ কোটি টকা আহৰণ কৰিছে আৰু ১০০ কোটিৰো অধিক টকা প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনাৰ (PMKKKY) অধীনত বিভিন্ন জিলাত খোৱাপানী, স্বাস্থ্যসেৱা, শিক্ষা, নিয়োগ, সামাজিক কল্যাণ, আন্তঃগাঁথনি বিকাশ, জলসিঞ্চন, অনাময় আৰু পৰিৱেশ সুৰক্ষাৰ বিভিন্ন প্ৰকল্প ৰূপায়ণ কৰা হৈছে।

(১৪৩) ইয়াৰ দ্বাৰা মই এই বিভাগৰ বাবে ২৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

*স্ব-নিৰ্ভৰশীলতাৰ বাবে গ্ৰাম্য অৰ্থনীতিৰ সবলীকৰণ*

(১৪৪) এই বৰ্ষতে অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি হিচাপে এক সুচল নিৰ্বাচনী প্ৰক্ৰিয়াৰ সহায়ক হোৱাকৈ চৰকাৰে অসম পঞ্চায়ত (সংবিধান) বিধি, ১৯৯৫ৰ নিৰ্দিষ্ট ব্যৱস্থাৱলী সংশোধনৰ কাম হাতত লৈছে।

(১৪৫) জল সংৰক্ষণ হৈছে এক প্ৰধান গুৰুত্বৰ বিষয় আৰু অমৃত সৰোবৰ পৰ্যায় I ৰ অধীনত অসমে সফলতাৰে ২৯০০ টাতকৈ অধিক সৰোবৰ

খননৰ দ্বাৰা ইয়াৰ লক্ষ্যত উপনীত হোৱাৰ লগতে এই লক্ষ্য অতিক্ৰম কৰিবলৈ সক্ষম হৈছে, যাৰ সফলতাৰ হাৰ হৈছে ১১৩ শতাংশ। এই পদক্ষেপৰ সফলতাৰ পিছত পৰ্যায় II (২০২৫-২৬) ৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ অধীনত অতিৰিক্ত ১০৫০ টা সৰোবৰ খননৰ ব্যৱস্থা কৰা হ'ব।

(১৪৬) ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ জৰিয়তে সামাজিক সুৰক্ষাৰ ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰা হৈছে। ইয়াৰ জৰিয়তে বয়োজ্যেষ্ঠ লোক, দিব্যাংগ আৰু বিধৱা পেঞ্চন আঁচনিৰ অধীনৰ হিতাধিকাৰীসকললৈ প্ৰতিমাহে অতিৰিক্ত ১০০০ টকাকৈ প্ৰদান কৰা হ'ব, যিয়ে ১৮ লাখৰো অধিক লোকক সামৰি ল'ব। ছহিদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনতো জ্যেষ্ঠ নাগৰিকসকললৈ লাভালাভ প্ৰদান কৰা হ'ব।

(১৪৭) পঞ্চদশ বিত্ত আয়োগৰ অনুদানৰ জৰিয়তে ২.১৩ লাখ গ্ৰাম্য প্ৰকল্প ৰূপায়ণৰ কাম হাতত লোৱা হৈছে, য'ত ২৯০০ কোটি টকাতকৈ অধিক ধন ব্যৱহাৰ কৰা হৈছে।

(১৪৮) 'লাখপতি বাইদেউ' পদক্ষেপৰ জৰিয়তে ৮.৮২ লাখ গ্ৰাম্য মহিলাক প্ৰতি বছৰে ১ লাখ টকাতকৈ অধিক ধন উপাৰ্জনত সহায় কৰা হৈছে।

(১৪৯) মই এই বিভাগৰ বাবে ৭,৪৭০ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## সংসদীয় পৰিক্ৰমা বিভাগ

### *সৰ্বাংগীণ উন্নয়নৰ হকে নীতি নিৰ্ধাৰণৰ অগ্ৰগতি*

(১৫০) সংসদীয় পৰিক্ৰমা বিভাগে উচ্চতৰ মাধ্যমিক খণ্ডৰ শিক্ষাৰ্থীসকলক সংসদীয় গণতন্ত্ৰৰ বিষয়ে অধিক অৱগত কৰাৰ উদ্দেশ্য অসমৰ প্ৰতিখন জিলাত যুৱ সংসদৰ আয়োজন কৰে। উল্লেখযোগ্য যে গুৱাহাটীত ৰাজ্যিক স্তৰৰ যুৱ সংসদ, কামৰূপ (মহানগৰ) জিলাৰ জিলা আয়ুক্তৰ দ্বাৰা অনুষ্ঠিত কৰা হৈছিল।

(১৫১) মই এই বিভাগলৈ ০.৭৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছো।

## কৰ্মচাৰী বিভাগ

***সামৰ্থ্য বৃদ্ধিৰে লোকসেৱাৰ উন্নীতকৰণ***

(১৫২) লোক পৰীক্ষাৰ সময়ত প্ৰশ্নকাকত ফাদিল আৰু অসৎ উপায় অৱলম্বন ৰোধ কৰাৰ বাবে অসম লোক পৰীক্ষা (নিযুক্তিত অসৎ উপায় ৰোধৰ পদক্ষেপ) আইন, ২০২৪ প্ৰণয়ন কৰা হৈছে।

(১৫৩) ৰাজ্য চৰকাৰৰ তৃতীয় বৰ্গ আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে উত্তম প্ৰাৰ্থীৰ বাছনি নিশ্চিত কৰিবলৈ দুয়োখন ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে কাম কৰি আছে।

(১৫৪) এই বিভাগৰ বাবে মই ৩৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলোঁ।

## শক্তি বিভাগ

***বহনক্ষম বিকাশৰ বাবে শক্তি সুৰক্ষা নিশ্চিতকৰণ***

(১৫৫) চলিত বৰ্ষত ৰাজ্যৰ শক্তি চাহিদা ২,৮০০ মেগাৱাট বৃদ্ধি পাইছে। অসম শক্তি বিতৰণ কোম্পানীয়ে বিগত তিনি বছৰ ধাৰবাহিকভাৱে প্ৰায় ২৪ ঘণ্টাই বিদ্যুৎ যোগান অব্যাহত ৰাখিছে আৰু সামগ্ৰিক কাৰিকৰী আৰু বাণিজ্যিক (AT&C) লোকচান ১৫.৫ শতাংশলৈ হ্ৰাস কৰিবলৈ সক্ষম হৈছে।

(১৫৬) সন্মানীয় সদস্যসকলক অৱগত কৰিবলৈ পাই মই আনন্দিত হৈছো যে শক্তি আন্তঃগাঁথনি বৃদ্ধিৰ বাবে ৩০,০০০ কোটি টকাৰ বিনিয়োগ হৈছে। ৰাজ্যত ২০০ টা নতুন উপকেন্দ্ৰ নিৰ্মাণ কৰা হৈছে আৰু ১৭,০০০ কিলোমিটাৰ নতুন সংবহন লাইন স্থাপন কৰা হৈছে। অতিৰিক্তভাৱে ৰাজ্যৰ সংবহন ক্ষমতা ৩৭ টা নতুন গ্ৰীড উপকেন্দ্ৰ নিৰ্মাণেৰে ৪,৫০০ এম ভি এৰ পৰা ১৫,০০০ এম ভি এলৈ উন্নীত কৰা হৈছে।

(১৫৭) মই জনাবলৈ পাই আনন্দিত হৈছোঁ যে ১২০ মেগাৱাট নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পৰ কাম চলিত বৰ্ষৰ ডিচেম্বৰ মাহত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। ইয়াৰ উপৰি এছ জে ভি এনৰ দ্বাৰা তেজপুৰ আৰু

ধুবুৰী জিলাত ৩০০ মেগাৱাট সৌৰশক্তি প্ৰকল্পৰ নিৰ্মাণ খৰতকীয়াকৈ আগবাঢ়িছে।

(১৫৮) ৬,৫০০ মেগাৱাট সেউজ শক্তি উৎপাদনৰ বাবে আমাৰ চৰকাৰে নে'ভেলি লিগনাইট ক'ৰ্পৰেছন ইণ্ডিয়া লিমিটেড (এন এল চি আই এল), ছটলুজ জলবিদ্যুৎ নিগম (এছ জে ভি এন), অ' এন জি চি ত্ৰিপুৰা পাৱাৰ কোম্পানী (অ' টি পি চি) আৰু অইল ইণ্ডিয়া লিমিটেডসহ আগশাৰীৰ কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। অতিৰিক্তভাৱে, দ্বিপাক্ষিক প্ৰকল্পৰ জৰিয়তে এন টি পি চি, এম চি এল আৰু এন এল চি আই এলকে ধৰি বিভিন্ন উৎপাদনকাৰীৰ পৰা ৩,০০০ মেগাৱাট শক্তি ক্ৰয় কৰাৰ বাবে অসম শক্তি বিতৰণ কোম্পানীয়ে শক্তি ক্ৰয় চুক্তি (PPA) স্বাক্ষৰ কৰিছে।

(১৫৯) এই পদক্ষেপসমূহৰ জৰিয়তে ইতিমধ্যে অসমে ইয়াৰ ভৱিষ্যতৰ বিদ্যুৎ প্ৰয়োজনীয়তা নিশ্চিত কৰিছে, যাৰ ফলত ৰাজ্যখনত অধিক উদ্যোগ স্থাপনৰ বাবে উদ্যোগপতিসকলৰ মাজত আত্মবিশ্বাসৰ সৃষ্টি হৈছে। ইয়াৰ উপৰি, উদ্যোগৰ বাবে 'দুৱাৰমুখত বিদ্যুৎ' নীতিৰ অধীনত চৰকাৰে সকলো প্ৰয়োজনীয় সংবহন লাইন আৰু উপকেন্দ্ৰৰ ব্যয় বহন কৰিছে।

(১৬০) প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোজনাৰ অধীনত চাদত ৩ কিলোৱাটৰ সৌৰ প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৮৫,৮০০ টকা পৰ্যন্ত ৰাজসাহায্য দিছে আৰু আমাৰ চৰকাৰে অতিৰিক্ত ৪৫,০০০ টকা পৰ্যন্ত আগবঢ়াইছে। এতিয়ালৈকে ২.৯ লাখখন আৱেদন লাভ কৰা হৈছে আৰু ৭,০০০ সৌৰ প্ৰকল্প স্থাপন কৰা হৈছে।

(১৬১) বিভাগটোলৈ মই ২,৬২৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলোঁ।

## জনস্বাস্থ্য কাৰিকৰী বিভাগ

***জনস্বাস্থ্যৰ বাবে অনাময় ব্যৱস্থা শক্তিশালীকৰণ***

(১৬২) ভাৰত চৰকাৰে 'জন ভাগিদাৰী'ৰ জৰিয়তে আন্তঃগাঁথনিৰ গুণগতমান উন্নয়ন আৰু নলযোগে পানী যোগান আঁচনিৰ কাৰ্য্য-পৰিচালনাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি জলজীৱন মিছন ২০২৮ চনলৈ বৃদ্ধি কৰিছে।

(১৬৩) জলজীৱন অভিযানৰ সফলতাত জলমিত্ৰ সকল আৰু স্বচ্ছ ভাৰত অভিযান তথা জলজীৱন অভিযানৰ কৰ্মচাৰীসকলৰ অৰিহণাৰ প্ৰতি লক্ষ্য ৰাখি জলমিত্ৰসকলক 'স্বচ্ছ জলমিত্ৰ' হিচাপে নামকৰণ কৰিব বিচৰা হৈছে, যাতে তেওঁলোকক প্ৰতিখন গাঁও স্বচ্ছ আৰু মুকলিত মলত্যাগমুক্ত কৰাৰ বাবে চালিকা শক্তি হিচাপে অতিৰিক্ত দায়িত্ব অৰ্পণ কৰিব পৰা যায়। জলমিত্ৰসকলৰ ক্লান্তিহীন প্ৰয়াসক স্বীকৃতি জনাই তেওঁলোকৰ পাৰিতোষিক ১,০০০ টকা বৃদ্ধি কৰা হ'ব। জলজীৱন মিচন ২.০ৰ অংশ হিচাপে আমাৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ বাবে প্ৰদৰ্শনৰ লগত জড়িত উদগণি (Performance Linked Incentives) ব্যৱস্থা প্ৰৱৰ্তন কৰিম।

(১৬৪) জনস্বাস্থ্য কাৰিকৰী বিভাগে গুৰুত্বপূৰ্ণ ঔদ্যোগিক প্ৰকল্প চলি থকা ৰতন টাটা বৈদ্যুতিন চহৰ, জাগীৰোড, হাইলাকান্দি, কৰিমগঞ্জ আৰু যোৰহাট নগৰত সকলো সময়তে নলযোগে খোৱাপানী যোগান ধৰাৰ বাবে অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে আৰু ইয়াৰ কামো দ্ৰুতভাৱে আগবাঢ়িছে। বদৰপুৰ আৰু লালা চহৰলৈও অনুৰূপ প্ৰকল্প সম্প্ৰসাৰণৰ পৰিকল্পনা কৰা হৈছে।

(১৬৫) চাহপাত তোলাৰ কষ্টকৰ কামৰ সময়ত বনুৱাসকলৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি চাৰিখন আসনযুক্ত ৮০০ ভ্ৰাম্যমাণ শৌচাগাৰ যোগান ধৰা হ'ব।

(১৬৬) বিভাগটোলৈ মই ৫,১৯০ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ

***প্ৰগতিশীল ভৱিষ্যতৰ বাবে শক্তিশালী আন্তঃগাঁথনি***

(১৬৭) লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগে বিভিন্ন খণ্ডৰ আন্তঃগাঁথনি উন্নয়নৰ দিশত সক্ৰিয়ভাৱে কাম কৰি আছে। স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰত উত্তৰ লখিমপুৰ, ধুবুৰী, নগাঁও, নলবাৰী আৰু কোকৰাঝাৰত স্থাপন কৰা চিকিৎসা মহাবিদ্যালয়সমূহ কাৰ্যক্ষম কৰি তোলা হৈছে

আৰু তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনৰো কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। একে সময়তে গুৱাহাটীৰ কালাপাহাৰত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদালয় আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৮০০খন বিছনাযুক্ত সাধাৰণ চিকিৎসালয় নিৰ্মাণৰ কাম চলি আছে।

(১৬৮) চিকিৎসা শিক্ষা আৰু চিকিৎসা ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ ধেমাজি, তামুলপুৰ, গোলাঘাট, বঙাইগাঁও, বিশ্বনাথ, চৰাইদেউ, মৰিগাঁও, শিৱসাগৰ, কৰিমগঞ্জ, গোৱালপাৰা আৰু দৰঙত নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব আৰু ২০২৫ চনৰ ডিচেম্বৰৰ ভিতৰত ইয়াৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

(১৬৯) সমান্তৰালভাৱে জাইকাৰ (JICA) পুঁজিৰ অধীনত ছয়খন চিকিৎসা মহাবিদ্যালয়ত ছুপাৰ স্পেচিয়েলিটী উইংছৰ লগতে নাৰ্ছিং মহাবিদ্যালয় আৰু আয়ুস চিকিৎসালয় স্থাপনৰ প্ৰকল্পৰ বাবেও সাহায্য আগবঢ়োৱা হৈছে।

(১৭০) চৰকাৰে সংখ্যালঘু অধ্যুষিত অঞ্চলত ৯ খন মহিলা মহাবিদ্যালয় আৰু ২১ খন আদৰ্শ আৱাসিক বিদ্যালয় স্থাপন কৰিবলৈ লৈছে।

(১৭১) মাধ্যমিক বিদ্যালয়, আইন মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু আই টি আই প্ৰতিষ্ঠানত বিশেষ বিনিয়োগৰ ব্যৱস্থা কৰা হৈছে। ছয়খন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। টাটা টেকন'ল'জীছৰ অংশীদাৰিত্বত পলিটেকনিক আৰু আই টি আইৰ উন্নয়ন সাধন কৰি তেনেবোৰ প্ৰতিষ্ঠানক উৎকৰ্ষতা কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰক্ৰিয়া চলি আছে।

(১৭২) ক্ৰীড়া আন্তঃগাঁথনিৰ দিশত গুৱাহাটীৰ আমিনগাঁৱত ২০,০০০ দৰ্শক বহিব পৰাকৈ এখন ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ কাম চলি আছে আৰু এই প্ৰকল্প ২০২৬ চনৰ ভিতৰত সাজু হৈ উঠিব বুলি আশা কৰা

হৈছে। তদুপৰি ৰাজ্যখনৰ বিভিন্ন সমষ্টিত ১১ খন জিলা ষ্টেডিয়াম আৰু ৪১ খন মিনি ষ্টেডিয়াম নিৰ্মাণকাৰ্য চলি আছে। আন ক্ৰীড়া প্ৰকল্পৰ ভিতৰত কোকৰাঝাৰত এখন অত্যাধুনিক ষ্টেডিয়াম আৰু আমিনগাঁৱত ১০০ খন বিছনাযুক্ত ক্ৰীড়া আৱাস নিৰ্মাণৰ কামো চলি আছে।

(১৭৩) আনহাতে, গুৱাহাটীত ইউনিটী মল (Unity Mall), যোৰহাটত স্বাধীনতা আন্দোলন বিষয়ক (Freedom Movement Park) উদ্যান আৰু শিৱসাগৰত ৰংঘৰৰ সৌন্দৰ্যবৰ্দ্ধনৰ কামৰ জৰিয়তে সাংস্কৃতিক প্ৰকল্পক অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। অসমৰ সাংস্কৃতিক ঐতিহ্য বিকশাই তোলাৰ উদ্দেশ্যে পৰ্যটন আৰু সাংস্কৃতিক ক্ষেত্ৰ বিশেষকৈ বটদ্ৰৱা থান আৰু মাধৱদেৱৰ কলাক্ষেত্ৰৰ উন্নয়নৰ কাম চলি আছে। আলাবৈ ৰণক্ষেত্ৰত লাচিত বৰফুকন সংগ্ৰহালয়, ছহিদ স্মাৰক ক্ষেত্ৰ আৰু ১০০ ফুট দৈৰ্ঘ্যৰ হেংদাং কীৰ্তিচিহ্ন নিৰ্মাণৰ কামো প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত।

(১৭৪) বিভিন্ন এজেন্সীৰ অধীনত ৩,৮০০ কিলোমিটাৰকৈও অধিক ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে অসম লোক নিৰ্মাণ বিভাগৰ অধীনত ১,৮০০ কিলোমিটাৰতকৈও অধিক পথ নিৰ্মাণৰ জৰিয়তে পথ যোগাযোগৰ ক্ষেত্ৰত উল্লেখযোগ্য সম্প্ৰসাৰণ দেখিবলৈ পোৱা গৈছে। এই পথসমূহ চাৰিলেনযুক্ত আৰু ছয় লেনযুক্ত পথলৈ উন্নীতকৰণৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে।

(১৭৫) তদুপৰি, আই আই টি গুৱাহাটীৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ সুৰক্ষাৰ বাবে ক্ষেত্ৰ মূল্যায়ন আৰু ভগ্ন পথ মেৰামতি নিশ্চিত কৰিব বিচৰা হৈছে। স্বাস্থ্য, শিক্ষা, ক্ৰীড়া, সাংস্কৃতিক, পথ আৰু প্ৰশাসনীয় ক্ষেত্ৰক সামৰি চলাই থকা প্ৰকল্পসমূহৰ জৰিয়তে অসমৰ উজ্জ্বল ভৱিষ্যতৰ বাবে আন্তঃগাঁথনিৰ ৰূপান্তৰ কৰিবলৈ বিভাগ প্ৰতিশ্ৰুতিবদ্ধ।

(১৭৬) মই ইয়াৰ বাবে এই বিভাগলৈ ৩,২৮৫ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## লোক নিৰ্মাণ (পথ) বিভাগ

***অৰ্থনৈতিক ৰূপান্তৰৰ বাবে মানসম্পন্ন পথ যোগাযোগ***

(১৭৭) পথ আৰু দলঙে গাঁৱৰ পৰা মহানগৰলৈ সংযোগ স্থাপন কৰে আৰু ইয়ে ব্যৱসায় বৃদ্ধিত সহায় কৰাৰ লগতে নিয়োগৰ সুযোগ প্ৰদান কৰে।

(১৭৮) প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনা-III (PMGSY-III)ৰ অধীনত ৩,৪১৭ কিলোমিটাৰ পথ সম্পূৰ্ণ কৰা হৈছে। আন ৫৬৪ কিলোমিটাৰ পথ পৰিৱেশ অনুকূল প্ৰযুক্তিৰ সৈতে নিৰ্মাণ কৰা হ'ব। আমি লগতে PMGSY-IVৰো প্ৰস্তুতি চলাই আছোঁ, যিয়ে সকলো বতৰৰ উপযোগী পথ ব্যৱস্থাৰে ৪০০০ খন গাঁও সংযোগ কৰিব।

(১৭৯) মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ৪,৮৪৬ কিলোমিটাৰ পথৰ বাবে অনুমোদন জনোৱা হৈছিল আৰু ইয়াৰে ১,৩৬১ কিলোমিটাৰ পথ সম্পূৰ্ণ কৰি তোলা হৈছে। আনহাতে মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ৩,৩৫৭ কিলোমিটাৰ পথত অনুমোদন জনোৱা হৈছিল য'ত ৭৪১ কিলোমিটাৰ পথ সম্পূৰ্ণ হৈ উঠিছে। মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আঁচনিয়ে মথাউৰি পথৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এই আঁচনিৰ অধীনত ৯৯০ কিলোমিটাৰ পথত অনুমোদন জনোৱা হৈছিল আৰু ৪৬১ কিলোমিটাৰ পথ সম্পূৰ্ণ কৰি তোলা হৈছে। একেদৰে মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ আঁচনিৰ অধীনত ৩,৫৫৫ কিলোমিটাৰ পথ মেৰামতিৰ কাম হাতত লোৱা হৈছিল আৰু ইয়াৰে ২,২৩৯ কিলোমিটাৰ পথৰ মেৰামতি সম্পূৰ্ণ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ নগৰীয়া পকীপথ নিৰ্মাণ আঁচনিৰ জৰিয়তে নগৰাঞ্চলত ৬০১ কিলোমিটাৰ নগৰীয়া পথৰ কাম হাতত লোৱা হৈছিল আৰু ইয়াৰে ১৬৩ কিলোমিটাৰ পথ সম্পূৰ্ণ কৰি তোলা হৈছে।

(১৮০) অসম মালাৰ অধীনত ৩৪৩ কিলোমিটাৰ উচ্চ গতিসম্পন্ন পথ আৰু ২৬ খন দলং নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছিল আৰু ইয়াৰ ভিতৰত ৩১২ কিলোমিটাৰ পথ আৰু ১৯ খন দলঙৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে।

(১৮১) গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত ১.২৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখনৰ নিৰ্মাণৰ কাম ৮৯ শতাংশ সম্পূৰ্ণ হৈছে আৰু শীঘ্ৰে এই দলংখন মুকলি কৰা হ'ব। একেদৰে পলাশবাৰী আৰু শুৱালকুছিৰ মাজৰ ৩.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখনৰ নিৰ্মাণৰ কামো পূৰ্ণ গতিত চলি আছে।

(১৮২) মই ইয়াৰ বাবে বিভাগটোলৈ ১০,২০০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

***জীৱনৰ নিৰাপত্তা, ভূমিৰ সুৰক্ষা***

(১৮৩) ভূমি ৰাজহ পৰিশোধ সহজ কৰি তুলিবলৈ বিভাগটোৱে ২০২৪ চনৰ জুলাই মাহত ষষ্ঠ অনুসূচী এলেকা, কাছাৰ আৰু হাইলাকান্দিৰ বাহিৰে সমগ্ৰ ৰাজ্যতে ই-খাজনাৰ সুবিধা আৰম্ভ কৰিছে। এতিয়া পট্টাদাৰসকলে সেৱা সেতু প'ৰ্টেলৰ জৰিয়তে অনলাইনযোগে ভূমি ৰাজহ পৰিশোধ কৰিব পাৰিব। তদুপৰি, প্ৰতিখন জিলাতে ভূমি প্ৰশাসনশালা (লেণ্ড গভৰ্নেন্স লেব) স্থাপন কৰিছে আৰু ৰাজহ বিষয়াসকলৰ বাবে তথ্য-প্ৰযুক্তি সম্পৰ্কীয় আন্তঃগাঁথনি উন্নীত কৰা হৈছে।

(১৮৪) ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহত ই-ডীড মডিউল আৰু ৰাজহ আদালত গোচৰ ব্যৱস্থাপনা ব্যৱস্থা (RCCMS) আৰম্ভ কৰা হৈছে, যাৰ ফলস্বৰূপে মানুহে অনলাইনত দলিল প্ৰস্তুত আৰু পঞ্জীয়ন কৰিব পাৰিব আৰু ৰাজহ সম্পৰ্কীয় তেওঁলোকৰ গোচৰসমূহ ডিজিটেল ব্যৱস্থাৰে পৰিচালনা কৰিব পাৰিব।

(১৮৫) দুৰ্যোগ ব্যৱস্থাপনাকো অগ্ৰাধিকাৰ দিয়া হৈছে। অসম ৰাজ্যিক দুৰ্যোগ

ব্যৱস্থাপনা প্ৰাধিকৰণে সামূহিক প্ৰশিক্ষণ, মকড্ৰিল আৰু স্পৰ্শকাতৰ শ্ৰেণীৰ লোকসমূহৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচীৰ ওপৰত কাম কৰি আছে। জিলা দুৰ্যোগ উদ্ধাৰ বাহিনী (DDRF) আৰু চক্ৰ দ্ৰুত সঁহাৰি দল (CQRT)ক শক্তিশালী কৰা হৈছে তথা দুৰ্যোগৰ সময়ত উন্নত সঁহাৰিৰ বাবে ডি আৰ আই এম এছ আৰু আই ডি এছ -ডি আৰ আৰৰ দৰে নতুন টেক প্লেটফৰ্ম ব্যৱহাৰ কৰা হৈছে।

(১৮৬) জলবায়ুৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ অসম সংহত নদী অৱবাহিকা ব্যৱস্থাপনা কাৰ্যসূচী (AIRBMP) মুকলি কৰা হৈছে।

(১৮৭) তদুপৰি, ভূমি নথকা খিলঞ্জীয়া সম্প্ৰদায়সমূহক সহায় কৰিবলৈ নগৰীয়া অঞ্চলত ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত ৬০০ ৰো অধিক হোমষ্টেড ভূমি প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে।

(১৮৮) ভূমি প্ৰশাসনৰ ক্ষেত্ৰত ডিজিটেল ৰূপান্তৰক আৰু অধিক প্ৰসাৰিত কৰাৰ লক্ষ্যৰে সংহত ভূমি ৰেকৰ্ড ব্যৱস্থাপনা পদ্ধতিৰ অন্তৰ্গত ই-গাঁওপ্ৰধান আৰু ই-মৌজাদাৰ ব্যৱস্থাৰ জৰিয়তে গাঁওপ্ৰধান আৰু মৌজাদাৰসকলৰ কাৰ্যাৱলী ডিজিটাইজ কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

(১৮৯) ইয়াৰ উপৰি শিক্ষানুষ্ঠান, বেচৰকাৰী সংস্থা আৰু অন্যান্য সংস্থাসমূহকো ভূমি প্ৰদান কৰা হৈছে। তদুপৰি, অসম ভূমি আৰু ৰাজহ আইন, ১৮৮৬ৰ অধীনত বালিপাৰা ট্ৰাইবেল বেল্টত আহোম, কোচ-ৰাজবংশী আৰু গোৰ্খা জনগোষ্ঠীক সুৰক্ষিত শ্ৰেণীৰ মৰ্যাদা প্ৰদান কৰি তেওঁলোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰা হৈছে।

(১৯০) মই ইয়াৰ দ্বাৰা বিভাগটোৰ বাবে ৩,১৮৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## বিদ্যালয় শিক্ষা বিভাগ

***গুণগত শিক্ষাৰ জৰিয়তে যুৱ মানসিকতাৰ সবলীকৰণ***

(১৯১) ছাত্ৰ-ছাত্ৰীক সমৰ্থন আৰু অনুপ্ৰেৰণা যোগোৱাৰ বাবে বিভিন্ন ছাত্ৰ-বৃত্তি কাৰ্যসূচীৰ জৰিয়তে বিত্তীয় সাহায্য প্ৰদান কৰি থকা হৈছে। তাৰ

ভিতৰত পঞ্চম আৰু অষ্টম শ্ৰেণীৰ ৩২,১২০জন ছাত্ৰ-ছাত্ৰীক মুখ্যমন্ত্ৰীৰ বিশেষ মেধাবৃত্তি আঁচনিৰ অধীনত ৫,০০০ টকাকৈ প্ৰদান কৰা হৈছে। তদুপৰি নৱম শ্ৰেণীৰ ৩.২৩ লাখ ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া চাইকেল লাভ কৰাৰ লগতে ১২ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া পাঠ্যপুথিৰ সুবিধা লাভ কৰিছে।

(১৯২) প্ৰযুক্তিগত শিক্ষাক অগ্ৰাধিকাৰ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে আধুনিক শৈক্ষিক সঁজুলিৰ উপলব্ধতা নিশ্চিত কৰাৰ বাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তি পৰীক্ষাগাৰ (ICT Lab) আৰু স্মাৰ্ট শ্ৰেণীকোঠা স্থাপন কৰাৰ উপৰি ড° বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। বিদ্যালয়ত ছাত্ৰ আৰু শিক্ষকৰ উপস্থিতি আৰু পাৰদৰ্শিতা নিৰীক্ষণৰ বাবে 'বিদ্যা সমীক্ষা কেন্দ্ৰ' আৰু 'শিক্ষা সেতু' এপ ব্যৱহাৰ কৰা হৈছে।

(১৯৩) চৰকাৰে সামগ্ৰিক শিক্ষা প্ৰদানৰ বাবে থকা নিজৰ দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়ৰ বাহিৰত ৰৈ যোৱা শিশুসকলক মূলসূতিলৈ অনা, শৈশৱৰ প্ৰাৰম্ভিক কালৰ শিক্ষাৰ সম্প্ৰসাৰণ আৰু 'নিযুত মইনা'ৰ দৰে আঁচনিৰ জৰিয়তে ছোৱালীৰ শিক্ষাক উৎসাহ যোগোৱা আদিত গুৰুত্ব প্ৰদান কৰিছে। ৩১.৭৫ লাখ শিশুৰ পৰিপুষ্টি নিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী পোষণ আঁচনি অব্যাহত ৰখা হৈছে।

(১৯৪) আগন্তুক বিত্তীয় বৰ্ষত আমি ৫,৫৫০ গৰাকী নতুন শিক্ষক নিয়োগ কৰিম।

(১৯৫) এইবোৰ পদক্ষেপৰ সহায়ক হোৱাকৈ মই বিভাগটোৰ বাবে ১৮,৭৩৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ

***এক অধিক উন্নততৰ ভৱিষ্যতৰ বাবে উদ্ভাৱনৰ প্ৰসাৰ***

(১৯৬) এই বিত্তীয় বৰ্ষত মহাকাশ অন্বেষণৰ বাবে শিক্ষাৰ্থীক দূৰবীক্ষণ আৰু ভাৰ্চুৱেল ৰিয়েলিটী সামগ্ৰী যোগানেৰে গ্ৰামীণ অসমত ১০টা

জ্যোতির্বিজ্ঞান পৰীক্ষাগাৰ স্থাপন কৰা হ'ব। 'খাগোল দূত' কাৰ্যসূচীৰ অধীনত যুৱ বিজ্ঞান উৎসাহীসকলৰ মাজত নেতৃত্ব বিকাশৰ বাবে শিক্ষাদান কৰা হ'ব।

(১৯৭) জলবায়ু পৰিৱৰ্তনৰ মোকাবিলা কৰাৰ বাবে ২৫ কোটি টকাৰে এটা জলবায়ু কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াত পৰিৱেশ বহনক্ষমতা সন্দৰ্ভত নাগৰিকক শিক্ষিত কৰাৰ বাবে ইণ্টাৰেক্টিভ ডিছপ্লে'ৰ লগতে সৌৰ শক্তি, বৰষুণৰ  পানী সংৰক্ষণ আৰু পানী পুনঃ ব্যৱহাৰ প্ৰদৰ্শন কৰা হ'ব।

(১৯৮) অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰ (ASSAC)ই কৃষি, বান নিয়ন্ত্ৰণ আৰু নগৰ পৰিকল্পনাৰ বাবে উপগ্ৰহীয় তথ্যৰ অধিক ব্যৱহাৰৰ প্ৰচেষ্টা গ্ৰহণ কৰিব।

(১৯৯) শিক্ষাৰ্থী, পৰিয়াল আৰু সাধাৰণ ৰাইজৰ মাজত বৈজ্ঞানিক সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে গুৱাহাটীত অসমৰ প্ৰথমখন বিজ্ঞান নগৰ চলিত বৰ্ষত আৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছে।

(২০০) বিভাগটোলৈ মই ৯০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

**দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ**

***বিশ্বজনীন স্বীকৃতিৰ বাবে থলুৱা শিল্পক উদ্‌গনি***

(২০১) বিভাগটোৰ বিভিন্ন আঁচনিৰ অধীনত ৪০০০ৰো অধিক আই টি আই প্ৰশিক্ষাৰ্থীয়ে বৃত্তি লাভ কৰিছে। উত্তৰ-পূব দক্ষতা কেন্দ্ৰই চাৰিটা বিষয়ত এবছৰীয়া চাৰ্টিফিকেট পাঠ্যক্ৰমত ৮০০ শিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰিছে। তেওঁলোকৰ ৩৮০ গৰাকীয়ে নিয়োগৰ সুবিধা লাভ কৰিছে। ইয়াৰে ২৫গৰাকী বাহৰেইন আৰু সংযুক্ত আৰব আমিৰশ্বাহীত সংস্থাপিত হৈছে।

(২০২) ৩১ কোটি টকা ব্যয়েৰে নলবাৰী জিলাৰ ধমধমাত নিৰ্মাণ কাৰ্যৰ দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। বৃহৎ জীৱিকা পৰামৰ্শদান কাৰ্যসূচীয়ে ১৪,০০০ শিক্ষাৰ্থীক সামৰি লৈছে।

(২০৩) দক্ষতা যাত্ৰাৰ দ্বিতীয় পৰ্যায়ত ৯৭,০০০ৰো অধিক শিক্ষাৰ্থীক সামৰি লোৱা হৈছে। ইয়াৰে ৩০,০০০ৰো অধিক শিক্ষাৰ্থীয়ে মানসিক সক্ষমতা

পৰীক্ষা আৰু পৰামৰ্শৰ সুবিধা লাভ কৰি আছে। তৃতীয় পৰ্যায়ত ২১খন জিলাৰ ২৮,০০০ শিক্ষাৰ্থীক সামৰি লোৱা হ'ব।

(২০৪) ইয়াৰ উপৰি 'সংকল্প' (SANKALP) কাৰ্যসূচীৰ জৰিয়তে আই আই টি, গুৱাহাটীত ১২০গৰাকী হিতাধিকাৰীক ঔদ্যোগিক ইণ্টাৰনেট অব থিংছ (IoT) আৰু কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ প্ৰশিক্ষণ, ১০০ কয়দীক বৃত্তিমুখী দক্ষতা প্ৰশিক্ষণ আৰু ৫০০ গৰাকী হিতাধিকাৰীক ই-বাহন ব্যৱস্থাপনাৰ প্ৰশিক্ষণ দিয়া হৈছে।

(২০৫) ডাছ'ল্ট ছিষ্টেমছ (Dassault Systems)ৰ সহযোগত অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত স্থাপন কৰা এটা উৎকৰ্ষ কেন্দ্ৰই ১০,০০০ শিক্ষাৰ্থী, পেছাদাৰী ব্যক্তি আৰু ক্ষুদ্ৰ, লঘু আৰু মজলীয়া প্ৰতিষ্ঠান (MSME)ক তিনি বছৰৰ ভিতৰত বৈমানিক, বৈদ্যুতিক বাহন আৰু ডিজিটেল নিৰ্মাণৰ প্ৰশিক্ষণ প্ৰদান কৰিব।

(২০৬) এই বিভাগলৈ মই ৩৪০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলোঁ।

## সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ

*কল্যাণ আৰু উন্নয়নৰ জৰিয়তে সামগ্ৰিক বিকাশ*

(২০৭) চৰকাৰে সকলো সম্প্ৰদায়ৰ বিকাশ নিশ্চিত কৰা আৰু সামগ্ৰিক সমৃদ্ধি দ্ৰুততৰ কৰাৰ বাবে নিজৰ দায়বদ্ধতাক দোহাৰিছে। এইক্ষেত্ৰত বিভিন্ন সম্প্ৰদায় যেনে— কমতাপুৰ, মৰাণ আৰু মটক স্বায়ত্তশাসিত পৰিষদক তেওঁলোকৰ প্ৰশাসনিক সক্ষমতা বৃদ্ধি কৰা আৰু আৰ্থ-সামাজিক প্ৰগতি তৰান্বিত কৰাৰ বাবে পৰ্যাপ্ত অৰ্থ সাহায্য প্ৰদান কৰা হৈছে।

(২০৮) অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰাৰ বাবে অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিত্তীয় সাহায্য দিয়াৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ হোৱা অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকক বিশেষ আৰ্থিক সমৰ্থন দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(২০৯) দিব্যাংগসকলক দক্ষতাৰ প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে অসম দক্ষতা বিকাশ

অভিযানৰ সহযোগত 'দীনদয়াল দিব্যাংগজন পুনৰ সংস্থাপন আঁচনি' নামেৰে এখন গুৰুত্বপূৰ্ণ আঁচনি গ্ৰহণ কৰা হৈছে।

(২১০) তদুপৰি, চৰকাৰী ব্ৰেইলী ছপাশালে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ব্ৰেইলী পাঠ্যপুথি ছপোৱা আৰু বিতৰণৰ কাম অতি সক্ৰিয়ভাৱে কৰি আছে। শাৰীৰিকভাৱে বাধাগ্ৰস্ত লোকসকলৰ অধিকাৰ আৰু প্ৰাপ্য সুবিধাসমূহ নিশ্চিত কৰাৰ বাবে এতিয়ালৈকে ২,২১,০০০ একক বাধাগ্ৰস্ত পৰিচয়পত্ৰ (UDID) প্ৰদান কৰা হৈছে।

(২১১) চৰকাৰে গুৱাহাটীত এটা উৎসৰ্গীকৃত আশ্ৰয় গৃহ স্থাপন কৰি তৃতীয় লিংগৰ লোকসকলক সহায় কৰি আছে।

(২১২) ইয়াৰ দ্বাৰা মই এই বিভাগৰ বাবে ৪১৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## ভূমি সংৰক্ষণ বিভাগ

***বহনক্ষম সংৰক্ষণৰ জৰিয়তে পৰিৱেশতন্ত্ৰৰ শক্তিশালীকৰণ***

(২১৩) ২০২৪-২৫ বৰ্ষত বিভাগে ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি (SOPD)ৰে ৬০০০ হেক্টৰৰো অধিক বৰ্ষা-নিৰ্ভৰ কৃষি ভূমিৰ উন্নয়ন সাধন কৰিছে। তাৰ বাবে ১,৩৫২.৩৫ লাখ টকাৰ বাজেট মঞ্জুৰী দিয়া হয়।

(২১৪) তদুপৰি, কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ জলচ্ছেদ উন্নয়ন উপাদান (WDC-PMKSY)ৰ অধীনত অসমৰ ১.৩ লাখ হেক্টৰ কৃষিভূমি সামৰি লৈ অহা পাঁচ বছৰত ৩১০ কোটি টকা ব্যয় সাপেক্ষে ৩১ টা জলচ্ছেদ প্ৰকল্পত অনুমোদন জনাইছে। ইয়াৰ উপৰি তিনিখন পাৰ্বত্য জিলাত জল সুৰক্ষাৰ উন্নয়ন আৰু জলবায়ুৰ সুস্থিৰতা ৰক্ষাৰ বাবে এটা জান-জুৰি ব্যৱস্থাপনা পদক্ষেপ গ্ৰহণ কৰি ৩৬ টা জান-জুৰি পুনৰুজ্জীৱিত কৰাৰ বাবে চিনাক্ত কৰা হৈছে।

(২১৫) ইয়াৰ দ্বাৰা মই এই বিভাগৰ বাবে ১৪৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ

*সুযোগৰ সদ্ব্যৱহাৰে যুৱ সবলীকৰণ*

(২১৬) এই বিভাগে ইউনিচেফৰ সহযোগ পাছপ'ৰ্ট টু আৰ্নিং (P2E) কাৰ্যসূচী আৰম্ভ কৰি আছে। ইয়াৰ অধীনত যুৱক-যুৱতীসকলক নিয়োগৰ অধিক সুবিধা লাভত সহায় কৰাৰ বাবে বিনামূলীয়া প্ৰশিক্ষণ আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব।

(২১৭) যুৱক-যুৱতীসকলক নিজস্ব মতামত প্ৰকাশ কৰাৰ লগতে দৰকাৰী তথ্য লাভ কৰাত সহায় কৰিবলৈ বিভাগে ইউ-ৰিপ'ৰ্ট নামেৰে এক বিনামূলীয়া ম'বাইল এপ্লিকেশ্যনো আৰম্ভ কৰি আছে।

(২১৮) মহিলা ক্ৰীড়াবিদসকলক সহায় কৰিবলৈ আমি ১০খন মহানগৰীত অস্মিতা চিটী লীগ (১৭ বছৰ অনূৰ্ধ্ব) অনুষ্ঠিত কৰি আছোঁ। ইয়াক সফল কৰাৰ বাবে চৰকাৰে প্ৰতিখন মহানগৰীলৈ ২ লাখকৈ টকা আগবঢ়াই আছে।

(২১৯) বি ডব্লিউ এফ ৱৰ্ল্ড জুনিয়ৰ চেম্পিয়নশ্বিপ ২০২৫ ৰাজ্যখনে সগৌৰৱে গুৱাহাটীত অনুষ্ঠিত কৰিব।

(২২০) মই বিভাগটোলৈ ১৯০ কোটি টকাৰ আবণ্টন আগবঢ়ালোঁ।

## উদ্ভাৱন, ইনকিউবেচন আৰু ষ্টাৰ্টআপ বিভাগ

*চিন্তাৰ সবলীকৰণ, বিকাশৰ ইন্ধন*

(২২১) আমাৰ চৰকাৰে উদ্ভাৱন আৰু উদ্যমিতা বিকাশৰ বাবে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যত ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰক অধিক শক্তিশালী কৰি তুলিবলৈ নীতিসমূহৰ প্ৰতি সমৰ্থন, বিত্তীয় সহায় আৰু সহায়তামূলক (mentorship) সুবিধা প্ৰদান কৰিব। এডভাণ্টেজ আছামে বিশ্বব্যাপী বিনিয়োগ আকৰ্ষণ কৰি ৰাজ্যৰ ব্যৱসায়িক ক্ষেত্ৰখন অধিক উন্নত কৰি তুলিছে।

(২২২) মই এই বিভাগলৈ ৬০ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগ

***কল্যাণকামী পদক্ষেপেৰে সমাজৰ উত্তৰণ***

(২২৩) যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদান কৰা আৰু সমূহীয়া অনুষ্ঠানৰ বাবে উপযুক্ত স্থানৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে ৫০০টা জগন্নাথ সমূহীয়া আৰু দক্ষতা কেন্দ্ৰ নিৰ্মাণ কৰি আছে। এই সকলো কেন্দ্ৰৰ নিৰ্মাণকাৰ্য এই বিত্তীয় বৰ্ষত সম্পূৰ্ণ হ'ব।

(২২৪) তদুপৰি, সম্প্ৰদায়টোৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে বোকাখাতৰ হাতীখুলিত *অসম চাহ জনগোষ্ঠীয় সমন্বয় কলাক্ষেত্ৰ* নিৰ্মাণ কৰি থকা হৈছে।

(২২৫) চাহকৰ্মীৰ পৰিয়ালৰ বকেয়া বিদ্যুৎ বিল পৰিশোধৰ বাবে ২০২৪-২৫ বিত্তীয় বৰ্ষত আমাৰ চৰকাৰে এ পি ডি চি এলক ২৭ কোটি টকা প্ৰদান কৰিছে। তদুপৰি, ৰাজ্যৰ নিজস্ব অগ্ৰাধিকাৰপ্ৰাপ্ত পুঁজিৰ অধীনত ১১৮ খন চাহ বাগিচা বিদ্যালয় সম্পূৰ্ণ কৰা হৈছে আৰু গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি-XXVIII ৰ অধীনত ১০০ খন আদৰ্শ চাহ বাগিচা বিদ্যালয় নিৰ্মাণ কৰি থকা হৈছে।

(২২৬) শিক্ষণক উৎসাহিত কৰাৰ বাবে বিভিন্ন পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক জলপানি প্ৰদান কৰি থকা হৈছে। কেন্দ্ৰীয় লোকসেৱা আয়োগ/অসম লোকসেৱা আয়োগৰ অধীনৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীক সহায় কৰিবলৈ চৰকাৰে ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰত্যেককে ৭৫,০০০ টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে।

(২২৭) প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ কাৰণে অসামৰিক সেৱা, চিকিৎসা, অভিযান্ত্ৰিক আৰু বেংকৰ পৰীক্ষাৰ উচ্চ শিক্ষাৰ বাবে প্ৰশিক্ষণ আঁচনিৰ অধীনত ৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক বাছনি কৰা হৈছে।

(২২৮) ৰঙাপৰা আৰু চোটা তিংৰাইত ল'ৰাৰ বাবে ফুটবল একাডেমী আৰু সোণাৰিত ছোৱালীৰ বাবে এখন আৰ্চাৰী একাডেমী নিৰ্মাণ কৰি থকা হৈছে।

মই ইয়াৰ দ্বাৰা বিভাগটোলৈ ২১৬ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## পৰ্যটন বিভাগ

***ঐতিহ্যৰ উন্মোচন, অভিজ্ঞতাৰ সমৃদ্ধি***

(২২৯) The New York Times বাতৰি কাকতখনে ২০২৫ বৰ্ষত ভ্ৰমণ কৰিবলগীয়া বিশ্বৰ ৫২ টা স্থানৰ তালিকাত অসমক চতুৰ্থ স্থান প্ৰদান কৰিছে। অসমৰ চহকী ঐতিহ্য, প্ৰাকৃতিক সৌন্দৰ্য আৰু উষ্ম আতিথ্যৰ বাবে ৰাজ্যখনে এই স্বীকৃতি লাভ কৰিছে। বিগত তিনিটা বৰ্ষত ৰাজ্যখনলৈ পৰ্যটকৰ আগমন ৩১৫ শতাংশ বৃদ্ধি পাইছে।

(২৩০) অসম পৰ্যটন উন্নয়ন নিগম, এমালগেমেটেড প্লেনটেচনছ প্ৰাইভেট লিমিটেড আৰু আই এইচ চি এলৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ উদ্দেশ্যে হৈছে কাজিৰঙাত দুখন উচ্চমানৰ চাহ পৰ্যটন ৰিজৰ্ট স্থাপন কৰা আৰু অসমৰ ঐতিহ্যপূৰ্ণ চাহ বাগিচাসমূহৰ মাজত বিলাসী অভিজ্ঞতা প্ৰদান কৰা।

(২৩১) তদুপৰি, অসমে চাহ পৰ্যটন আন্তঃগাঁথনি আঁচনিৰ লেখীয়া পদক্ষেপৰ জৰিয়তে ইয়াৰ পৰ্যটনৰ পৰিৱেশ শক্তিশালী কৰি তুলিছে। ৰাজ্যখনে দুটা পৰ্যায়ত ৫৯ খন চাহ বাগিচাত সা-সুবিধা সম্প্ৰসাৰণ কৰিছে। ৰাজ্যখনে কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মাৰ্ট, ২০২৪ আয়োজন কৰি বিশ্বৰ মঞ্চত ইয়াৰ সম্ভাৱনা প্ৰদৰ্শন কৰিছে আৰু স্বদেশ দৰ্শন ২.০ৰ অধীনত প্ৰকল্পসমূহে যোৰহাট আৰু কোকৰাঝাৰত পৰ্যটনৰ প্ৰসাৰ ঘটাব। ইয়াৰ উপৰি আন কেতবোৰ উল্লেখযোগ্য পদক্ষেপ হ'ল জোঙাল বলহু ক্ষেত্ৰৰ ৰূপান্তৰকৰণ, উত্তৰণ আঁচনিৰ অধীনত গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহ, কাজিৰঙাত এন ই চি সমৰ্থিত সা-সুবিধাৰ উন্নয়ন সাধন আৰু নগাঁৱৰ শিলঘাটত এটা যাত্ৰী নিৱাস নিৰ্মাণ।

(২৩২) অসমৰ পৰ্যটন খণ্ডক অধিক শক্তিশালী কৰাৰ লগতে ইয়াৰ বিকাশ অটুট ৰাখিবলৈ মই এই বিভাগলৈ ১০১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## ৰূপান্তৰ আৰু উন্নয়ন বিভাগ

### *উদ্ভাৱন আৰু স্থিতিস্থাপকতাৰ জৰিয়তে সৰ্বাংগীণ বিকাশ*

(২৩৩) আকাংক্ষিত জিলা কাৰ্যসূচীত ৭খন জিলাৰ স্বাস্থ্য, শিক্ষা আৰু আন্তঃগাঁথনি খণ্ডত গুৰুত্ব প্ৰদান কৰা হৈছে। অতিৰিক্তভাৱে অসমৰ বহনক্ষম বিকাশ লক্ষ্যৰ সাফল্যাংক ২০১৮ চনৰ ৪৯ৰ পৰা ২০২৪ চনত ৬৫লৈ বৃদ্ধি হৈছে। ফলত অসম এখন অগ্ৰগামী ৰাজ্যত পৰিগণিত হৈছে। দৰিদ্ৰতা ৩৬ শতাংশৰ পৰা ১৯ শতাংশলৈ হ্ৰাস, গ্ৰামাঞ্চলত খোৱাপানীৰ উপলব্ধতা ২৬ শতাংশৰ পৰা ৭৭ শতাংশলৈ বৃদ্ধি আৰু নিবনুৱা ৭.১ শতাংশৰ পৰা ১.৭ শতাংশলৈ হ্ৰাস পাইছে। নিবনুৱাৰ এই হাৰ ভাৰতৰ ভিতৰত দ্বিতীয় সৰ্বনিম্ন।

(২৩৪) ৰাজ্য চৰকাৰ বিভিন্ন প্ৰকল্পত উত্তৰ-পূব উন্নয়ন (ড'নাৰ) মন্ত্ৰালয়ৰ অংশীদাৰ হৈছে। উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনি (NESIDS)এ পথৰ লগতে আন আন্তঃগাঁথনিমূলক প্ৰস্তাৱত ধন যোগান ধৰাৰ বিপৰীতে প্ৰধানমন্ত্ৰীৰ উত্তৰ-পূব অঞ্চলৰ বাবে উন্নয়ন পদক্ষেপ (PM-DevINE)এ মা কামাখ্যা মন্দিৰ কৰিড'ৰ, শিৱসাগৰ চিকিৎসা মহাবিদ্যালয়ৰ দৰে গুৰুত্বপূৰ্ণ প্ৰকল্পলৈ সহায় আগবঢ়াইছে।

(২৩৫) চলিত বৰ্ষতো বিভাগটোৱে বিধায়কৰ স্থানীয় এলেকা উন্নয়ন (MLALAD) পুঁজি, আছুতীয়া (UNTIED) পুঁজি আৰু অসম দৰ্শনৰ অধীনত অনুদান যোগান অব্যাহত ৰাখিব।

(২৩৬) বিভাগটোলৈ মই ৫৫০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## পৰিবহণ বিভাগ

### *ৰাষ্ট্ৰীয় ঘাইপথ, নদীপথ আৰু ইয়াৰ পৰিধি নেওচি সেতুবন্ধন*

(২৩৭) আবেদনকাৰী কাৰ্যালয়ত পদাৰ্পণৰ প্ৰয়োজনীয়তা দূৰ কৰিবলৈ গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ আৰু পঞ্জীয়নৰ প্ৰমাণপত্ৰ এতিয়া নিজা প্ৰিণ্টযোগ্য পি ডি এফ ফৰমেটত প্ৰদান কৰা হৈছে। চি এম-ট্ৰান্স

(CM-TRANS) ব্যৱস্থাই জিলা পৰিবহণ বিষয়াসকলৰ কামৰ দায়িত্ব (randomized) সুনিশ্চিত কৰাৰ লগতে মধ্যভোগী ৰোধ আৰু কাৰ্যদক্ষ সেৱাৰ উপলব্ধতা নিশ্চিত কৰে।

(২৩৮) তদুপৰি, ২০২৫ চনৰ মাৰ্চলৈকে নতুন ইলেকট্ৰিক বাহনৰ বাবে ২ শতাংশ যান-বাহন কৰ ৰেহাই প্ৰদান কৰা হৈছে আৰু নতুন ইলেকট্ৰিক বাহনৰ পঞ্জীয়ন মাচুল ৰেহাই দিয়া হৈছে। অসম ৰাজ্যিক পৰিবহণ নিগমে পৰিৱেশ অনুকূল পৰিবহণ ব্যৱস্থাৰ প্ৰসাৰ কৰিবলৈ বৰ্তমান ২৭১খন বৈদ্যুতিক বাছ চলাই আছে।

(২৩৯) আভ্যন্তৰীণ জল পৰিবহণ বিভাগে জাহাজঘাটৰ আধুনিকীকৰণ, জাহাজসমূহৰ উন্নীতকৰণ আৰু যাত্ৰীৰ সুৰক্ষা বৃদ্ধি কৰিছে। তদুপৰি দুখন এফ আৰ পি কেটামাৰন (FRP Catamarans) ক্ৰয় কৰা হৈছে আৰু অতি সোনকালে মহানগৰ ফেৰী সেৱাৰ বাবে ইয়াক মুকলি কৰা হ'ব।

(২৪০) লগতে ব্ৰহ্মপুত্ৰ নদৰ সৈতে বিভিন্ন ফেৰী পথত নৈশ নেভিগেচন পদ্ধতি এতিয়া কাৰ্যকৰীকৰণ কৰা হৈছে।

(২৪১) মই ইয়াৰ বাবে বিভাগটোলৈ ৫৬৯ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ

***সকলোৰে বাবে মৰ্যাদা, অধিকাৰ আৰু সুযোগ সুনিশ্চিতকৰণ***

(২৪২) ২০২৪-২৫ বিত্তীয় বৰ্ষত অৰ্থনৈতিকভাৱে পিছপৰা অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰাৰ অৰ্থে প্ৰাক্-প্ৰৱেশিকা জলপানিৰ বাবে ৫০০ লাখ টকাতকৈ অধিক ধন আৰু প্ৰৱেশিকোত্তৰ জলপানিৰ বাবে ৬,৮০০ লাখ টকাতকৈ অধিক ধন আবণ্টন দিয়া হৈছে।

(২৪৩) বিভাগে বিভিন্ন জনগোষ্ঠীসমূহৰ উত্তৰণৰ অৰ্থে ১১খন উন্নয়ন পৰিষদক সহায় কৰাৰ পৰিকল্পনা কৰিছে। ইয়াৰ উপৰি পৰৱৰ্তী বছৰটোত

জনজাতীয় উপ-পৰিকল্পনা (TSP)ৰ অধীনত বিভাগে জনজাতীয় অঞ্চলসমূহৰ উন্নয়নৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।

(২৪৪) মই এই বিভাগলৈ ৭৩৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## জলসম্পদ বিভাগ

***বিকাশ আৰু বহনক্ষমতাৰ বাবে পানীৰ সদ্ব্যৱহাৰ***

(২৪৫) মাটি আৰু মানুহ উভয়ৰে সংৰক্ষণৰ বাবে বিভাগে ৪,৫০০ কিলোমিটাৰৰ অধিক দৈৰ্ঘ্য সামৰি ৰাজ্যখনত এক বিশাল মথাউৰি ব্যৱস্থা গঢ়ি তুলিছে। এই মথাউৰিসমূহ অধিক মজবুত কৰাৰ উদ্দেশ্যে জলস্তৰ বৃদ্ধিৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰায় ১,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি অধিক শক্তিশালী কৰা হৈছে। যিবোৰ এলেকাত পৰম্পৰাগত মথাউৰিয়ে সুফল দিয়া নাই তেনে অঞ্চল, বিশেষকৈ ধেমাজি, বজালী আদি জিলাৰ বাবে পূৰ্ব-প্ৰস্তুত মথাউৰি আৰু জিঅ' টিউবৰ দৰে নতুন পদ্ধতি ব্যৱহাৰ কৰি থকা হৈছে।

(২৪৬) বিভাগে ২০২৪-২৫ বিত্তীয় বৰ্ষত ২২০ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ, ১,২০০খন গাঁৱক সুৰক্ষা প্ৰদান আৰু ৩৫ লাখতকৈ অধিক ব্যক্তিক লাভান্বিত কৰি ৮৪টা বান আৰু খহনীয়া ব্যৱস্থাপনা প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিছে।

(২৪৭) অনাগত বৰ্ষটোৰ বাবে বিভাগে ৪৬ খন নতুন আঁচনিৰ পৰিকল্পনা কৰিছে। গুৰুত্বপূৰ্ণ বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ জৰিয়তে বুঢ়ীদিহিং আৰু বেঁকী নদীৰ লগতে ব্ৰহ্মপুত্ৰই স্পৰ্শ কৰা পাঁচটা স্থান— তিনিচুকীয়া, ডিব্ৰুগড়, মৰিগাঁও, কামৰূপ আৰু গোৱালপাৰাত বানপানীৰ সংশয় ব্যৱস্থাপনা আৰু নদীৰ পাৰ সুৰক্ষা ব্যৱস্থা হাতত লৈ থকা হৈছে।

(২৪৮) অঞ্চলসমূহৰ মাজত অধিক সামঞ্জস্যকৰণৰ বাবে উত্তৰ-পূব জল ব্যৱস্থাপনা প্ৰাধিকৰণ স্থাপনৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বান নিয়ন্ত্ৰণৰ বাবে ভৱিষ্যতে এক দীৰ্ঘম্যাদী পৰিকল্পনাৰ দিশত বিভাগে কাম কৰি আছে।

(২৪৯) মই বিভাগটোলৈ ১,৫৯৯ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## বড়োলেণ্ড কল্যাণ বিভাগ

*ঐতিহ্য সংৰক্ষণ, সুযোগ বৃদ্ধি*

(২৫০) বড়োলেণ্ড ক্ষেত্ৰীয়  অঞ্চলত ২০২২-২৩ চনৰ পৰা গুডউইল মিছনৰ অধীনত ৭০২.৩৯  কিলোমিটাৰ  সকলো বতৰৰ বাবে উপযোগী পথ আৰু মুখ্যমন্ত্ৰী পথ নবীকৰণ আঁচনিৰ অধীনত ৪০০.৫৪ কিলোমিটাৰ পথ নিৰ্মাণ সম্পূৰ্ণ হৈছে।

(২৫১) ৪৬ বছৰৰ অন্তত ধনশিৰি জলসিঞ্চন প্ৰকল্প এতিয়া সম্পূৰ্ণ হৈছে। ইয়াৰ জৰিয়তে ৭০ খনৰো অধিক গাঁও আৰু ৩২,০০০ কৃষক পৰিয়াল উপকৃত হৈছে।

(২৫২) বিভাগটোৱে সাংস্কৃতিক ঐতিহ্য আৰু স্থানীয় শিল্পক উৎসাহিত কৰি আৰোনাই, দখোনা, এৰী ৰেচম/এণ্ডি ৰেচম আৰু জৌমগ্ৰাকে ধৰি ২১ বিধ সামগ্ৰীৰ বাবে ভৌগোলিক সূচাংক (GI) প্ৰমাণপত্ৰ সফলতাৰে লাভ কৰিবলৈ সক্ষম হৈছে।

(২৫৩) বড়োলেণ্ড ক্ষেত্ৰীয় অঞ্চল (বি টি আৰ) চুক্তিৰ সৈতে সংগতি ৰাখি ৬,৬০০ ৰো অধিক এন ডি এফ বি ৰ প্ৰাক্তন সদস্যক অনুদানৰ জৰিয়তে আৰ্থ- সামাজিক পুনৰ সংস্থাপন দিয়া হৈছে আৰু ছহিদ পৰিয়াললৈ এককালীন সাহায্য প্ৰদান কৰাৰ লগতে কেডাৰসকলৰ  বিৰুদ্ধে থকা ২৭০ টাৰো অধিক গোচৰ প্ৰত্যাহাৰ কৰা হৈছে ।

(২৫৪) ছহিদ সুজিত নাৰ্জাৰীৰ প্ৰতি সন্মান জনাই তেখেতৰ স্মৃতিত বড়োলেণ্ড ক্ষেত্ৰীয় অঞ্চল (বি টি আৰ) ৰ ৪০ টা পৰিষদীয় সমষ্টিত ৭০০খন আসনযুক্ত ৪০টা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰি থকা হৈছে।

(২৫৫) মই বিভাগটোলৈ ৪,১৬০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলোঁ।

## সংখ্যালঘু কল্যাণ বিভাগ

***সকলোৰে বাবে অধিকাৰ, মৰ্যাদা আৰু সা-সুবিধাৰ সুনিশ্চিতকৰণ***

(২৫৬) বিগত বৰ্ষত বিভাগটোৱে নিবনুৱা যুৱক-যুৱতীসকলক ই-ৰিক্সা আৰু পাৱাৰটিলাৰ প্ৰদান কৰাৰ লগতে মহিলাসকলৰ মাজত চিলাই মেচিন,

ফেশ্বন ডিজাইন মেচিন আৰু অটোমেটিক পেপাৰ প্লেণ্ট মেকিং মেচিন বিতৰণ কৰিছে। এইবোৰৰ উপৰি বৰ্ণশংকৰ শাক-পাচলিৰ টোপোলা আৰু উদ্যান শস্যৰ সা-সঁজুলিৰ টোপোলা বিতৰণ কৰা হৈছে।

(২৫৭) চিকিৎসা পৰীক্ষাগাৰ প্ৰযুক্তি, ফিজিঅ'থৈৰাপি, জেনেৰেল নাৰ্ছিং আৰু ধাত্ৰীবিদ্যা তথা চিকিৎসা ৰেডিঅ'গ্ৰাফিক প্ৰযুক্তিৰ ডিপ্লʼমা আৰু ডিগ্ৰী পাঠ্যক্ৰমৰ সৈতে পেছাদাৰী শিক্ষাক প্ৰসাৰ কৰা হৈছে। ইয়াৰ উপৰি কেন্দ্ৰীয় লোকসেৱা আয়োগ আৰু অসম লোকসেৱা আয়োগৰ প্ৰতি আগ্ৰহী যুৱক-যুৱতীৰ প্ৰশিক্ষণৰ বাবে প্ৰাৰ্থীৰ সংখ্যা ৩১ গৰাকীলৈ বৃদ্ধি কৰিছে।

(২৫৮) মই ইয়াৰ দ্বাৰা বিভাগটোৰ বাবে ৯১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## মহিলা আৰু শিশু উন্নয়ন বিভাগ

*প্ৰতিজন শিশুৰ বাবে উজ্জ্বল ভৱিষ্যৎ গঢ়াৰ বাবে*

(২৫৯) অসম চৰকাৰে মহিলা আৰু শিশুসকলৰ কল্যাণক অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে। অংগনৱাড়ী সেৱাৰ জৰিয়তে শিশুৰ ৬ বছৰ বয়সলৈকে আৰু মাতৃসকললৈ শিক্ষা, পুষ্টি আৰু স্বাস্থ্যসেৱা নিশ্চিত কৰা হৈছে। ৬২,০০০তকৈ অধিক কেন্দ্ৰত ৩০.৬৮ লাখ হিতাধিকাৰীক এই সেৱাসমূহ প্ৰদান কৰা হৈছে।

(২৬০) ভাৰত চৰকাৰৰ সহযোগিতাত অসম চৰকাৰে ৱান ষ্টপ চেণ্টাৰ, শক্তি সদন, কৰ্মজীৱী মহিলা আবাস, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা (PMMVY), বেটী বচাও বেটী পঢ়াও, কিশোৰীসকলৰ বাবে আঁচনি আদি কাৰ্যসূচীৰ সহায়ত মহিলাৰ কল্যাণ আৰু সবলীকৰণক বহুলভাবে প্ৰসাৰিত কৰিছে।

(২৬১) মই বিভাগটোলৈ ৪,৪৪৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## অংশ-II

মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া চৰকাৰৰ কৰাৰোপণ আৰু ৰাজহ সংগ্ৰহৰ বিষয়ে অৱলোকন কৰিব বিচাৰিছোঁ, যিটো অৰ্থনৈতিক অগ্ৰগতিৰ মূল চালিকা শক্তি। বিগত চাৰিটা বছৰত ৰাজ্যিক ৰাজহ সংগ্ৰহ উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে। ৰাজ্যৰ নিজা ৰাজহ সংগ্ৰহৰ পৰিমাণ ২০২০-২১ বিত্তীয় বৰ্ষৰ ২০,০৩৩ কোটি টকাৰ পৰা ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ৩২,৮৮৬ কোটি টকালৈ বৃদ্ধি পাইছে যিয়ে উল্লেখনীয় ৬৪.২ শতাংশ বৃদ্ধিৰ হাৰ প্ৰতিফলিত কৰিছে।

এই চৰকাৰে বিভিন্ন কৰ সংস্কাৰ গ্ৰহণ কৰাৰ বাবে আজি আমি এনে অৱস্থাত উপনীত হৈছোঁ যে আমাৰ নিজস্ব উৎসৰ জৰিয়তে দৰমহা দিব পৰা হৈছোঁ। অসমৰ ক্ষেত্ৰত এইটো হৈছে অভূতপূৰ্ব আৰু ঐতিহাসিক বিষয়।

**বাণিজ্যিক কৰ**

(২৬২) ২০২৩-২৪ বিত্তীয় বৰ্ষত কৰাৰোপণ বিভাগে ২২,৫৮০ কোটি টকা সফলতাৰে সংগ্ৰহ কৰি তাৰ আগৰ বছৰৰ তুলনাত উল্লেখনীয় ১৫ শতাংশ বৃদ্ধি সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। ২০২৫ চনৰ ফেব্ৰুৱাৰীলৈ জি এছ টি আৰু অনা জি এছ টি উপাদানসহ ৰাজহ সংগ্ৰহ ৫ শতাংশ বৃদ্ধিৰে ২১,৫৭৮ কোটি টকা হৈছে।

(২৬৩) বিৱৰ্তিত কৰাৰোপণ পৰিদৃশ্যক স্বীকৃতি প্ৰদান কৰি আমাৰ চৰকাৰে কৰ বিষয়াসকলৰ দক্ষতা বৃদ্ধিৰ লগতে কৰ প্ৰশাসনৰ পাৰদৰ্শিতা বৃদ্ধিৰ বাবে তথ্য-প্ৰযুক্তিৰ আহিলাৰ ব্যৱহাৰৰ বাবে নিৰন্তৰ বিনিয়োগ কৰি আহিছে।

(২৬৪) মহোদয়, আমাৰ চৰকাৰ আজি চাহ উদ্যোগে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে সম্পূৰ্ণ অৱগত। অসম কৰাৰোপণ (নিৰ্দিষ্ট ভূমিত) আইন ১৯৯০ৰ অধীনত সেউজীয়া চাহপাতৰ ওপৰত কৰ ৰেহাইৰ ব্যৱস্থা ২০২৫ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ আৰু দুবছৰলৈ বৃদ্ধি কৰাৰ কথা মই ঘোষণা কৰিলোঁ।

(২৬৫) আমাৰ পৰিশ্ৰমী মধ্যবিত্ত পৰিয়াললৈ সকাহ দিয়াৰ উদ্দেশ্যে, অসম বৃত্তি, বাণিজ্য, জীৱিকা আৰু নিয়োগ কৰাৰোপণ আইন ১৯৪৭ (Assam Professions, Trades, Callings and Employments Taxation Act, 1947)ৰ অধীনত মাহিলি ১৫,০০০ টকালৈ উপাৰ্জন কৰা ব্যক্তিসকলৰ বৃত্তিগত কৰ মই ৰেহাই দিয়াৰ প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ দ্বাৰা ১.৪৩ লাখ কৰদাতা/ পৰিয়াল উপকৃত হ'ব আৰু তেওঁলোকৰ ক্ৰয় ক্ষমতা বৃদ্ধি পাব।

(২৬৬) আমাৰ কাঁহ-পিতল শিল্পৰ সৈতে জড়িত ব্যৱসায়ীসকলে সন্মুখীন হৈ অহা সমস্যাৰ বিষয়ে চৰকাৰ অৱগত। মই এইক্ষেত্ৰৰ বাবে এছ জি এছ টি উভতাই দিয়াৰ কথা ঘোষণা কৰিলো। এই সম্পৰ্কত বিস্তৃত জাননী অহা মে' ২০২৫ৰ ভিতৰত জাৰী কৰা হ'ব।

**আবকাৰী বিভাগ**

(২৬৭) মহোদয়, আমাৰ চৰকাৰে সমগ্ৰ ৰাজ্যখনতে চুলাই মদৰ অবৈধ বিক্ৰীৰ বিৰুদ্ধে কঠোৰ অভিযান আৰম্ভ কৰিছে। বিভাগে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ৩১ জানুৱাৰী, ২০২৫ লৈ ১৬,৯৫৭ টা আবকাৰী অপৰাধ ধৰা পেলোৱাৰ লগতে ১৯,০৮,৩৮৭ লিটাৰ চুলাই মদ আৰু ১,৬৬,৩১০ লিটাৰ অবৈধ সুৰা জব্দ কৰিবলৈ সক্ষম হৈছে।

(২৬৮) অধ্যক্ষ মহোদয়, আমি কেতবোৰ নিৰ্দ্ধাৰিত পৰ্যটক ৰিজৰ্ট, হোটেল আৰু লজৰ বাহিৰে গ্ৰামাঞ্চলত নতুন আই এম এফ এল 'অন' অনুজ্ঞাপত্ৰ প্ৰদান বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। গ্ৰামাঞ্চলত বৰ্তমানৰ অনুজ্ঞাপত্ৰধাৰীসকলক ৰূপান্তৰ মাচুলৰ সৈতে নিয়ন্ত্ৰিত পদ্ধতিৰে 'অন' অনুজ্ঞাপত্ৰক 'অফ' অনুজ্ঞাপত্ৰলৈ ৰূপান্তৰিত কৰাৰ বিকল্প আগবঢ়োৱা হ'ব। এই পদক্ষেপে গাঁৱত অত্যধিক সুৰা সেৱন ৰোধ কৰাত সহায় কৰিব আৰু একে সময়তে জীৱিকাৰ ক্ষেত্ৰতো হঠাৎ কোনো প্ৰভাৱ নপৰাটো সুনিশ্চিত কৰিব।

(২৬৯) সম্প্ৰতি এইটো দেখা গৈছে যে অসমত বাহাল থকা তুলনামূলকভাৱে উচ্চ আবকাৰী শ্লেবৰ পৰিপ্ৰেক্ষিত বহুতো স্থানীয় বাসিন্দাই বিমানযোগে

ৰাজ্যৰ বাহিৰৰ পৰা প্ৰিমিয়াম সুৰা ক্ৰয় কৰিছিল। এই প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ বিমান বন্দৰৰ ভিতৰত থকা সুৰাৰ বিপনীসমূহত আবকাৰী শ্লেব এক যুক্তিসংগত পৰ্যায়লৈ হ্ৰাস কৰাৰ বাবে মই প্ৰস্তাৱ কৰিছোঁ।

(২৭০) বৰ্তমান দেশত নিৰ্মিত বিদেশী সুৰা (IMFL)ৰ দোকানত দেশীয় সুৰা বিক্ৰীৰো অনুমতি প্ৰদান কৰা হৈছে। এতিয়া দেশীয় সুৰাৰ দোকানতো উপযুক্ত অনুজ্ঞাপত্ৰৰ জৰিয়তে বিদেশী সুৰা (IMFL) বিক্ৰীৰ অনুমতি প্ৰদান কৰা হ'ব।

**খনি আৰু খনিজ বিভাগ**

(২৭১) অধ্যক্ষ মহোদয়, ডিমা হাচাওত ৫ শতাংশ প্ৰিমিয়ামত চাৰিটা চূনশিলৰ ব্লক নিলাম কৰা হৈছিল, যাৰ ফলত মুঠ ১,৯৭৬ কোটি টকা উপাৰ্জন হৈছিল আৰু অহা ৫০ বছৰত ৰাজ্যখনৰ বাবে আনুমানিক ২৮,৩১৫ কোটি টকাৰ ৰাজহ লাভ কৰিব পৰা যাব। দ্বিতীয় পৰ্যায়ত ১,১৬২ কোটি টকাৰ অতিৰিক্ত তিনিটা এনে ব্লকৰ নিলাম হ'ব। যিহেতু মূল্য বৃদ্ধি পাই আছে, সেয়েহে ৰাজহৰ সম্ভাৱনা অধিক বৃদ্ধি পাব।

(২৭২) কাৰ্বি আংলঙত থকা এটা চিলিমেনাইট ভাণ্ডাৰ (Deposit) (০.৮০ মিলিয়ন টন) ৫০ বছৰৰ বাবে লীজত দিয়া হৈছিল, যাৰফলত বছৰি ৯.৬০ লাখ টকা উপাৰ্জন হৈছিল। ইয়াৰ উপৰি ছয়টা গ্ৰেনাইট ব্লক আৰু দুটা চিনামাটিৰ ব্লকৰ নিলামৰ দ্বাৰা ৰাজ্যৰ ৰাজকোষলৈ অধিক ৰাজহৰ বৰঙনি আগবঢ়োৱাৰ সম্ভাৱনা আছে।

(২৭৩) তদুপৰি বেদান্ত আৰু অইল ইণ্ডিয়া লিমিটেডে অ' এ এল পি ব্লকত কৰা খননে ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। ৰেয়াৰ আৰ্থ এলিমেন্টচ্ (REE) আৰু লিথিয়ামৰ ক্ষেত্ৰতো অসমৰ যথেষ্ট সম্ভাৱনা আছে। এই ক্ষেত্ৰত কাৰ্বি আংলং, মৰিগাঁও, কামৰূপ আৰু কোকৰাঝাৰ জিলাত ইয়াৰ অন্বেষণৰ কাম চলি আছে। ২০২৪-২৫

বিত্তীয় বৰ্ষত ভৰত চৰকাৰৰ কয়লা মন্ত্ৰালয়ৰ অধীনৰ Central Mine Planing and Design Institute Limited-য়ে চৰাইদেউ জিলাৰ বিমলাপুৰ এলেকাত কয়লা অন্বেষণৰ কাৰিকৰী অনুমোদন প্ৰদান কৰিছে। এই অম্বেষণৰ কাম ২০২৫-২৬ বিত্তীয় বৰ্ষত কৰা হ'ব।

**পৰিবহণ বিভাগ**

(২৭৪) ২০২৪ চনত অসম যান-বাহন কৰ আইন, ১৯৩৬ৰ সংশোধনীৰ জৰিয়তে কৰ কাঠামো সহজ, যুক্তিসংগত আৰু জনসাধাৰণৰ অনুকুল কৰি তোলাৰ লক্ষ্যৰে পুৰ্নগঠন কৰা হয়। ই-ৰিক্সা/ই-কাৰ্টকে ধৰি তিনিচকীয়া বাহন আৰু নিৰ্দিষ্ট ক্ষুদ্ৰ বাণিজ্যিক বস্তু-বাহানি কঢ়িওৱা/ যাত্ৰীবাহী যান-বাহনসমূহ এককালীন কৰ ব্যৱস্থাৰ অধীনলৈ অনা হৈছে যাতে এই শ্ৰেণীৰ যান-বাহনসমূহে বাৰে বাৰে কৰ পৰিশোধ কৰাৰ পৰা পৰিত্ৰাণ পায়। চলিত বৰ্ষত, যান-বাহনৰ ফিটনেছ আৰু ড্ৰাইভিং লাইচেঞ্চ পৰীক্ষাৰ লগত জড়িত প্ৰক্ৰিয়াসমূহৰ স্বয়ংক্ৰিয়কৰণৰ দ্বাৰা মেনুৱেল হস্তক্ষেপৰ অন্ত পেলোৱা হ'ব।

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ**

(২৭৫) ভূমি ৰাজহ সংগ্ৰহ ব্যৱস্থাক অধিক আধুনিক তথা সকলোৰে বাবে সহজতে উপলব্ধ কৰিবৰ বাবে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

(২৭৬) 'এক দেশ, এক ছফ্‌টৱেৰ' পদক্ষেপৰ অধীনত 'নেশ্যনেল জেনেৰিক ডকুমেণ্ট ৰেজিষ্ট্ৰেশ্যন ছিষ্টেম' (এন জি ডি আৰ এছ) গ্ৰহণেৰে পৰিৱৰ্তনৰ দিশতো আমি আগবাঢ়িছোঁ।

(২৭৭) ইয়াৰ উপৰি, সংশোধিত জৰিমনা প্ৰযোজ্য হোৱাৰ পূৰ্বে আমি এবছৰীয়া নিষ্পত্তি ব্যৱস্থাৰ বাবে তথা ভূমিৰ নিৰ্ভুল মূল্যায়নৰ বাবে জিঅ' স্পাটিয়েল সঁজুলিৰ ব্যৱহাৰ আৰু সুৰক্ষিত তথা দ্ৰুত আদান-প্ৰদানৰ বাবে (NGDRS)ত ব্লক চেইন ৰূপায়ণৰ বাবে পৰিকল্পনা হাতত লৈছো।

## পৰিৱেশ আৰু বন বিভাগ

(২৭৮) ২০২২-২৩ বিত্তীয় বৰ্ষত বিভাগটোৰ বৰঙণি ৪৫২ কোটি টকাৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষত ৫৬৫ কোটি টকালৈ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে আৰু ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে বিভাগটোৱে ৪১৬ কোটি টকা সংগ্ৰহ কৰিছে। কৰাৰোপণ আৰু ৰয়েল্টী সংগ্ৰহৰ উপৰি আমাৰ চৰকাৰে পৰিৱেশানুকূল পৰ্যটন (Eco-tourism) তথা সাংস্কৃতিক ঐতিহ্য প্ৰকল্পত বিনিয়োগ কৰি আছে আৰু ই দীৰ্ঘম্যাদী ৰাজহ সৃষ্টিকাৰী হিচাপে কাম কৰাৰ লগতে পৰিৱেশজনিত সংৰক্ষণক প্ৰসাৰ কৰিব।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ ওপৰত কোনোধৰণৰ বিত্তীয় বোজা আৰোপ নকৰাকৈ বাজেট দাখিল কৰি এক মহৎ উদাহৰণ দাঙি ধৰিছে আৰু বিধি কাঠামো (Rule Framework)ৰ যথাসম্ভৱ সৰলীকৃত কৰি সকাহ প্ৰদান কৰিছে।

তেখেতৰ দৰ্শনক অনুসৰণ কৰি জনসাধাৰণৰ ওপৰত কোনোধৰণৰ অতিৰিক্ত কৰ আৰোপ নকৰাৰ নিশ্চিতি প্ৰদানেৰে মই আজি মোৰ বাজেট উত্থাপন কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ।

## বাজেট প্ৰাক্কলন

২০২৫-২৬ বৰ্ষৰ বাজেট প্ৰাক্কলনত ৰাজ্যখনৰ একত্ৰীকৃত নিধিত মুঠ ১৫৫৪২৮.৭৫ কোটি টকাৰ প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰে ১১৭২২৫.৯৭ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ৩৮২০২.৭৮ কোটি টকা মূলধন শিতানত। বিভিন্ন উৎসৰ পৰা অহা একত্ৰীকৃত নিধিৰ আনুমানিক প্ৰাপ্তিৰ হিচাপ মই তালিকা নং ১ত উল্লেখ কৰিছোঁ। ৰাজহুৱা শিতানত ১০৫৪৮৫.১৭ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনত ২০০০.০০ কোটি টকা যোগ হোৱাৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ২৬২৯১৩.৯২ কোটি টকা। ইয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ পৰা সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ১৫৫৯৮৫.১৪ কোটি টকা বুলি অনুমান কৰা হৈছে; ইয়াৰে ৰাজহ শিতানত ১১৭২২৫.৯৬ কোটি টকা, মূলধন শিতানত ৩৮৭৫৯.১৮ কোটি টকা। ২০২৫-২৬ বৰ্ষত একত্ৰীকৃত নিধিৰ মঞ্জুৰি অনুযায়ী ব্যয়সমূহৰ প্ৰাক্কলন তালিকা নং ২ত দেখুওৱা হৈছে। ৰাজহুৱা শিতানত হোৱা ব্যয় ১০২৯৭৪.১০ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনত ২০০০.০০ কোটি টকাৰে বছৰটোৰ সৰ্বমুঠ প্ৰাক্কলিত ব্যয়ৰ পৰিমাণ হ'ব ২৬০৯৫৯.২৪ কোটি টকা। এইদৰে বছৰটোত হোৱা প্ৰাক্কলিত লেনদেনৰ বাবদ আনুমানিক ১৯৫৪.৬৮ কোটি টকা ৰাহি হ'ব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণি ঘাটি ২৫৭৪.৯৫ কোটি টকাৰ হিচাপ মিলালে ২০২৫-২৬ বৰ্ষৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ ৬২০.২৭ কোটি টকা হ'বগৈ।

মই অসমৰ জনসাধাৰণলৈ আগন্তুক ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।

অধ্যক্ষ মহোদয়, ড° ভূপেন হাজৰিকাৰ গানৰ এই কলিৰে মই বাজেট ভাষণৰ সামৰণি মাৰিছোঁ।


Table- 1

**Estimates of Inflow into the Consolidated Fund of the State during 2025-26**

(Rs. in Crore)

| Component | 2025-26 BE | % of Total against 2025-26 |
|---|---|---|
| State Tax Revenue | 34823.04 | 22.40 |
| Non-Tax Revenue | 8361.24 | 5.38 |
| Share of Central Taxes | 44494.04 | 28.63 |
| Centrally Sponsored Schemes | 24754.58 | 15.93 |
| Finance Commission Grants | 4482.18 | 2.88 |
| Other Transfer/Grants to States with Legislature | 310.88 | 0.20 |
| Public Debt | 36185.00 | 23.28 |
| Recoveries of Loans & Advances | 2017.78 | 1.30 |
| **Total** | **155428.75** | **100.00** |

**Where Rupee Comes From**



## তালিকা - ২

## ২০২৩-২০২৪ বৰ্ষত ৰাজ্যৰ একত্ৰীকৃত নিধি আৰু ৰাজহুৱা শিতানৰ পৰা হ'বলগীয়া মঞ্জুৰী অনুসৰি আনুমানিক বহিৰ্গমন

*(টকাৰ হিচাপত)*

| মঞ্জুৰী নং/ বিনিয়োজন | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| | লোকসেৱা আয়োগ | ৰাজহ | ০.০০ | ২১৮৬৯৪০০০.০০ | ২১৮৬৯৪০০০.০০ |
| | | মুলধন | ০.০০ | ৬৬৫০০০০.০০ | ৬৬৫০০০০.০০ |
| | ৰাজ্যিক মুৰব্বী | ৰাজহ | ০.০০ | ১৪৪৫০৫০০০.০০ | ১৪৪৫০৫০০০.০০ |
| | | মুলধন | ০.০০ | ৬৩১০০০০.০০ | ৬৩১০০০০.০০ |
| | ৰাজহুৱা ঋণ আৰু ঋণ সেৱা | ৰাজহ | ০.০০ | ১১৬৮৭০৬৯০০০০.০০ | ১১৬৮৭০৬৯০০০০.০০ |
| | | মুলধন | ০.০০ | ৯৩৪৩১০৫৪০০০.০০ | ৯৩৪৩১০৫৪০০০.০০ |
| ১ | ৰাজ্যিক বিধানমণ্ডল | ৰাজহ | ১৪২২১২৩০০০.০০ | ১৪৬৭৫০০০.০০ | ১৪৩৬৭৯৮০০০.০০ |
| | | মুলধন | ১১১৪৭৬২০০০.০০ | ০.০০ | ১১১৪৭৬২০০০.০০ |
| ২ | মন্ত্ৰী পৰিষদ | ৰাজহ | ১৩৭৫০০০০০.০০ | ০.০০ | ১৩৭৫০০০০০.০০ |
| | | মুলধন | ১০০০০০০০.০০ | ০.০০ | ১০০০০০০০.০০ |
| ৩ | ন্যায় প্ৰশাসন | ৰাজহ | ৬৫০৩৬৭৮০০০০.০০ | ১১৬০১৬৯০০০.০০ | ৭৬৬৩৮৪৯০০০.০০ |
| | | মুলধন | ১৩৪৯৬১৬০০০.০০০ | ১২২০৫৮০০০.০০ | ১৪৭১৬৭৪০০০.০০০ |
| ৪ | নিৰ্বাচন | ৰাজহ | ৪২১১৭৯৮০০০.০০ | ০.০০ | ৪২১১৭৯৮০০০.০০ |
| | | মুলধন | ৩০২৭৫০০০.০০ | ০.০০ | ৩০২৭৫০০০.০০ |
| ৫ | বিক্ৰীকৰ আৰু অন্যান্য কৰ | ৰাজহ | ৫৬৫৮৩৮১০০০.০০ | ০.০০ | ৫৬৫৮৩৮১০০০.০০ |
| | | মুলধন | ৪২০৫১২০০০.০০ | ০.০০ | ৪২০৫১২০০০.০০ |
| ৬ | ভূমি ৰাজহ | ৰাজহ | ৫৫৮২৪২৯০০০.০০ | ০.০০ | ৫৫৮২৪২৯০০০.০০ |
| | | মুলধন | ২৬০৮১৪০০০.০০ | ০.০০ | ২৬০৮১৪০০০.০০ |
| ৭ | টিকট আৰু পঞ্জীয়ন | ৰাজহ | ৪৭৫৭২৬০০০.০০ | ০.০০ | ৪৭৫৭২৬০০০.০০ |
| | | মুলধন | ৮৩৫৬৬০০০.০০ | ০.০০ | ৮৩৫৬৬০০০.০০ |
| ৮ | ৰাজ্যিক আবকাৰী | ৰাজহ | ১০৬৫৬৯২০০০.০০ | ০.০০ | ১০৬৫৬৯২০০০.০০ |
| | | মুলধন | ৪১২৩৮০০০.০০ | ০.০০ | ৪১২৩৮০০০.০০ |
| ৯ | পৰিবহন সেৱা | ৰাজহ | ৩৮০৪৭০৮০০০.০০ | ০.০০ | ৩৮০৪৭০৮০০০.০০ |
| | | মুলধন | ১৮৮১৯৫৮০০০.০০ | ০.০০ | ১৮৮১৯৫৮০০০.০০ |
| ১০ | অন্যান্য অৰ্থনৈতিক সেৱা | ৰাজহ | ৩৮৯১৬০০০.০০ | ০.০০ | ৩৮৯১৬০০০.০০ |
| ১১ | সাধাৰণ প্ৰসাশন (সচিবালয় আৰু সংলগ্ন কাৰ্যালয়সমূহ) | ৰাজহ | ৬৩৬৬২০৪০০০ | ০.০০ | ৬৩৬৬২০৪০০০ |
| | | মুলধন | ১৯২১৮২৩০০০ | ০.০০ | ১৯২১৮৩০০০ |
| ১২ | সাধাৰণ প্ৰসাশন (জিলা আৰু মহকুমা) | ৰাজহ | ৭২০৭০৮৫০০০.০০ | ০.০০ | ৭২০৭০৮৫০০০.০০ |
| | | মুলধন | ৬৩১৯৫৪০০০.০০ | ০.০০ | ৬৩১৯৫৪০০০.০০ |
| ১৩ | কোষাগাৰ আৰু হিচাপ প্ৰশাসন | ৰাজহ | ১৩৭৬০৩৭০০০.০০ | ০.০০ | ১৩৭৬০৩৭০০০.০০ |
| | | মুলধন | ৪৮৩৩৮০০০.০০ | ০.০০ | ৪৮৩৩৮০০০.০০ |
| ১৪ | আৰক্ষী | ৰাজহ | ৬৫৫৮৬৩৮৬০০০.০০ | ৫৩৩৯০০০০.০০ | ৬৫৬৩৯৭৭৬০০০.০০ |
| | | মুলধন | ৫৯১১৭৫৯০০০.০০ | ০.০০ | ৫৯১১৭৫৯০০০.০০ |
| ১৫ | কাৰাগাৰ | ৰাজহ | ১১১৬০২৪০০০.০০ | ২৮৫০০০০.০০ | ১১১৮৮৭৪০০০.০০ |
| | | মুলধন | ২৭১৮৯০০০০.০০ | ০.০০ | ২৭১৮৯০০০০.০০ |
| ১৬ | মুদ্ৰণ আৰু লেখন, তথ্য আৰু জনসংযোগ | ৰাজহ | ১৯১৯৩৩৬০০০.০০ | ০.০০ | ১৯১৯৩৩৬০০০.০০ |
| | | মুলধন | ১১৭৬১৫০০০.০০ | ০.০০ | ১১৭৬১৫০০০.০০ |
| ১৭ | প্ৰশাসনীয় আৰু কাৰ্যালয় ভৱন | ৰাজহ | ৩৩৬৬২৪১০০০.০০ | ০.০০ | ৩৩৬৬২৪১০০০.০০ |
| | | মুলধন | ২৬০৭৭৬২৮০০০.০০ | ০.০০ | ২৬০৭৭৬২৮০০০.০০ |
| ১৮ | অগ্নিনিৰ্বাপক আৰু আপাতকালীন সেৱা | ৰাজহ | ২৩৯৫৯৯০০০০.০০ | ০.০০ | ২৩৯৫৯৯০০০০.০০ |
| | | মুলধন | ৪৯৯০৬৮০০০.০০ | ০.০০ | ৪৯৯০৬৮০০০.০০ |
| ১৯ | নিৰীক্ষণ আয়োগ আৰু অন্যান্য আৰু সামাজিক নিৰাপত্তা আৰু কল্যাণ (মুক্তিযোদ্ধা) | ৰাজহ | ২৮৬৮৫৪৯০০০.০০ | ০.০০ | ২৮৬৮৫৪৯০০০.০০ |
| | | মুলধন | ২৬৯৮০০০০.০০ | ০.০০ | ২৬৯৮০০০০.০০ |

| মঞ্জুৰী নং/ বিনিয়োজন | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| ২০ | অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী | ৰাজহ | ৪০১১৬৬৯০০০.০০ | ০.০০ | ৪০১১৬৬৯০০০.০০ |
| | | মুলধন | ১৬৩৭৮৫০০০.০০ | ০.০০ | ১৬৩৭৮৫০০০.০০ |
| ২১ | অতিথিশালা, চৰকাৰী নিবাস | ৰাজহ | ৫১৫৮৬৫০০০.০০ | ০.০০ | ৫১৫৮৬৫০০০.০০ |
| | | মুলধন | ২৬৮৮৪৫০০০.০০ | ০.০০ | ২৬৮৮৪৫০০০.০০ |
| ২২ | প্ৰশাসনীয় প্ৰশিক্ষণ | ৰাজহ | ২০৯৩৮০০০০.০০ | ০.০০ | ২০৯৩৮০০০০.০০ |
| | | মুলধন | ৯৪৮৭১০০০.০০ | ০.০০ | ৯৪৮৭১০০০.০০ |
| ২৩ | পেঞ্চন আৰু অন্যান্য অৱসৰকালীন সুবিধাসমূহ | ৰাজহ | ২০৮৯৪৮৯৫২০০০.০০ | ০.০০ | ২০৮৯৪৮৯৫২০০০.০০ |
| ২৪ | সাহায্য সামগ্ৰী | ৰাজহ | ১০০০০০.০০ | ০.০০ | ১০০০০০.০০ |
| ২৫ | অন্যান্য সাধাৰণ সেৱা | ৰাজহ | ৭৯২৮৫২৭২০০০.০০ | ০.০০ | ৭৯২৮৫২৭২০০০.০০ |
| | | মুলধন | ১২২৬২৬৮৩০০০.০০ | ০.০০ | ১২২৬২৬৮৩০০০.০০ |
| ২৬ | উচ্চ শিক্ষা | ৰাজহ | ৩৭০০৫১৪৪০০০.০০ | ০.০০ | ৩৭০০৫১৪৪০০০.০০ |
| | | মুলধন | ৯৫৯৩৫৪০০০.০০ | ০.০০ | ৯৫৯৩৫৪০০০.০০ |
| ২৭ | কলা আৰু সংস্কৃতি | ৰাজহ | ১৮২৩২২৫০০০.০০ | ০.০০ | ১৮২৩২২৫০০০.০০ |
| | | মুলধন | ৩৩৭৮০৯০০০.০০ | ০.০০ | ৩৩৭৮০৯০০০.০০ |
| ২৮ | চিকিৎসা শিক্ষা আৰু গৱেষণা | ৰাজহ | ১৯১১২৭০১০০০.০০ | ০.০০ | ১৯১১২৭০১০০০.০০ |
| | | মুলধন | ৬৩০৯৭৪২০০০.০০ | ০.০০ | ৬৩০৯৭৪২০০০.০০ |
| ২৯ | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ৰাজহ | ৫১২২৪৫৭৯০০০.০০ | ২২৪২০০০০.০০ | ৫১২৪৬৯৯৯০০০.০০ |
| | | মুলধন | ২৬৮৭৮৯১০০০.০০ | ০.০০ | ২৬৮৭৮৯১০০০.০০ |
| ৩০ | পানীযোগান আৰু অনাময় | ৰাজহ | ৮৯৪৫৯৭৯০০০.০০ | ৯৫৯২৩০০০.০০ | ৯০৪১৯০২০০০.০০ |
| | | মুলধন | ৪২৮৫৬৫৯৬০০০.০০ | ০.০০ | ৪২৮৫৬৫৯৬০০০.০০ |
| ৩১ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (নগৰ আৰু গাঁও পৰিকল্পনা) | ৰাজহ | ৪৪৬১১৮২০০০.০০ | ০.০০ | ৪৪৬১১৮২০০০.০০ |
| | | মুলধন | ৩৮২৪১০৪০০০.০০ | ০.০০ | ৩৮২৪১০৪০০০.০০ |
| ৩২ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (গৃহ নিৰ্মাণ) | ৰাজহ | ৯৭৫০০০০০.০০ | ০.০০ | ৯৭৫০০০০০.০০ |
| ৩৩ | আৱাস গৃহ | ৰাজহ | ২৭৯০৮০০০.০০ | ০.০০ | ২৭৯০৮০০০.০০ |
| | | মুলধন | ৪১৮০০০০.০০ | ০.০০ | ৪১৮০০০০.০০ |
| ৩৪ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (পৌৰ প্ৰশাসন) | ৰাজহ | ৮৩৫০৫৬৬০০০.০০ | ০.০০ | ৮৩৫০৫৬৬০০০.০০ |
| | | মুলধন | ১০০৩৫২৩০০০.০০ | ০.০০ | ১০০৩৫২৩০০০.০০ |
| ৩৫ | দক্ষতা, নিয়োগ আৰু উদ্যমিতা | ৰাজহ | ১৬৩০৮৮২০০০.০০ | ০.০০ | ১৬৩০৮৮২০০০.০০ |
| | | মুলধন | ১৭৬৯৩৯৫০০০.০০ | ০.০০ | ১৭৬৯৩৯৫০০০.০০ |
| ৩৬ | শ্ৰমিক কল্যাণ | ৰাজহ | ১০১৮২২৬০০০.০০ | ০.০০ | ১০১৮২২৬০০০.০০ |
| | | মুলধন | ৬৮৬২২০০০.০০ | ০.০০ | ৬৮৬২২০০০.০০ |
| ৩৭ | খাদ্য, ভঁড়াল আৰু পণ্যাগাৰ | ৰাজহ | ১০৪৭২৪৬৭০০০.০০ | ০.০০ | ১০৪৭২৪৬৭০০০.০০ |
| | | মুলধন | ১৬৩৯৫০০০.০০ | ০.০০ | ১৬৩৯৫০০০.০০ |
| ৩৮ | জনজাতি পৰিক্ৰমা (ভৈয়াম) | ৰাজহ | ৬৭২৯০০০০০০.০০ | ০.০০ | ৬৭২৯০০০০০০.০০ |
| | | মুলধন | ৬৫২০৫১০০০.০০ | ০.০০ | ৬৫২০৫১০০০.০০ |
| ৩৯ | নাৰী আৰু শিশু কল্যাণ | ৰাজহ | ৩৯৩৫৮৬৭৪০০০.০০ | ০.০০ | ৩৯৩৫৮৬৭৪০০০.০০ |
| | | মুলধন | ৫১৩২১২৭০০০.০০ | ০.০০ | ৫১৩২১২৭০০০.০০ |
| ৪০ | সামাজিক ন্যায় আৰু সবলীকৰন | ৰাজহ | ৩৮৯৪৬৪৭০০০.০০ | ০.০০ | ৩৮৯৪৬৪৭০০০.০০ |
| | | মুলধন | ২৭৪৪২৭০০০.০০ | ০.০০ | ২৭৪৪২৭০০০.০০ |
| ৪১ | প্ৰাকৃতিক দুৰ্যোগ | ৰাজহ | ২৪৭৫৫৯০৫০০০.০০ | ০.০০ | ২৪৭৫৫৯০৫০০০.০০ |
| | | মুলধন | ৬০০০০০০০.০০ | ০.০০ | ৬০০০০০০০.০০ |
| ৪২ | অন্যান্য সামাজিক সেৱাসমূহ (সংখ্যালঘুৰ কল্যাণ আৰু উন্নয়ন) | ৰাজহ | ৯০৯৫৫৬০০০.০০ | ০.০০ | ৯০৯৫৫৬০০০.০০ |
| | | মুলধন | ৫১৭৮০০০.০০ | ০.০০ | ৫১৭৮০০০.০০ |
| ৪৩ | সমবায় | ৰাজহ | ১৮৫০৪৬৩০০০.০০ | ০.০০ | ১৮৫০৪৬৩০০০.০০ |
| | | মুলধন | ১৫৬১৬১০০০.০০ | ০.০০ | ১৫৬১৬১০০০.০০ |

| মঞ্জুৰী নং/ বিনিয়োজন | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| ৪৪ | উত্তৰ পূব পৰিষদ আঁচনি | মুলধন | ০.০০ | ০.০০ | ৪৯৩০০০০০০.০০ |
| ৪৫ | লোকপিয়ল, জৰীপ আৰু পৰিসংখ্যা | ৰাজহ | ৫৭৯৯৮৯০০০.০০ | ০.০০ | ৫৭৯৯৮৯০০০.০০ |
| | | মুলধন | ৪০৮২২০০০.০০ | ০.০০ | ৪০৮২২০০০.০০ |
| ৪৬ | গ্ৰাহক বিবাদ নিষ্পত্তি | ৰাজহ | ১৫৫২৫৫০০০.০০ | ০.০০ | ১৫৫২৫৫০০০.০০ |
| | | মুলধন | ১৮০৫০০০০.০০ | ০.০০ | ১৮০৫০০০০.০০ |
| ৪৭ | বাণিজ্যিক উপদেষ্টা | ৰাজহ | ২১৫৪৬০০০.০০ | ০.০০ | ২১৫৪৬০০০.০০ |
| ৪৮ | কৃষি | ৰাজহ | ১৫৮২৩৬৯৪০০০.০০ | ১১৭২২০০০০.০০ | ১৫৯৪০৯১৪০০০.০০ |
| | | মুলধন | ৩৬১৫০৯৭০০০.০০ | ০.০০ | ৩৬১৫০৯৭০০০.০০ |
| ৪৯ | জলসিঞ্চন | ৰাজহ | ৬১০২৮২০০০০.০০ | ০.০০ | ৬১০২৮২০০০০.০০ |
| | | মুলধন | ৩৫৩৭১৪১০০০.০০ | ০.০০ | ৩৫৩৭১৪১০০০.০০ |
| ৫০ | অন্যান্য বিশেষ এলেকা আঁচনি (সীমা সুৰক্ষা আৰু উন্নয়ন) | ৰাজহ | ৪১০০৫০০০.০০ | ০.০০ | ৪১০০৫০০০.০০ |
| | | মুলধন | ২৫৪৯৫৫০০০.০০ | ০.০০ | ২৫৪৯৫৫০০০.০০ |
| ৫১ | ভূমি আৰু জল সংৰক্ষন | ৰাজহ | ৮১০২৫০০০০.০০ | ০.০০ | ৮১০২৫০০০০.০০ |
| | | মুলধন | ৬৭৭৭১৫০০০.০০ | ০.০০ | ৬৭৭৭১৫০০০.০০ |
| ৫২ | পশুধন আৰু পশুপালন | ৰাজহ | ৫০৫৮৭১৬০০০.০০ | ০.০০ | ৫০৫৮৭১৬০০০.০০ |
| | | মুলধন | ৪২০৮৪৮০০০.০০ | ০.০০ | ৪২০৮৪৮০০০.০০ |
| ৫৩ | দুগ্ধ উন্নয়ন | ৰাজহ | ৪৩৩২৯০০০০.০০ | ০.০০ | ৪৩৩২৯০০০০.০০ |
| | | মুলধন | ৪৪৭১৫৪০০০.০০ | ০.০০ | ৪৪৭১৫৪০০০.০০ |
| ৫৪ | মীনমহল | ৰাজহ | ১০৯৯৪৯৪০০০.০০ | ০.০০ | ১০৯৯৪৯৪০০০.০০ |
| | | মুলধন | ৫৩২২০০০০০.০০ | ০.০০ | ৫৩২২০০০০০.০০ |
| ৫৫ | পৰিৱেশ আৰু বন | ৰাজহ | ১২৩১৮২৬৮০০০.০০ | ০.০০ | ১২৩১৮২৬৮০০০.০০ |
| | | মুলধন | ৫৭৯২৪১০০০.০০ | ০.০০ | ৫৭৯২৪১০০০.০০ |
| ৫৬ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (পঞ্চায়ত) | ৰাজহ | ২৪৪০৮৪০৮০০০.০০ | ১৭১৪৭৭০০০.০০ | ২৪৫৭৯৮৮৫০০০.০০ |
| | | মুলধন | ১৯০০১০০০.০০ | ৬১৭৫০০০.০০ | ২৫১৭৬০০০.০০ |
| ৫৭ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (গ্ৰামোন্নয়ন) | ৰাজহ | ৪৮৮৩৯৬৩৮০০০.০০ | ২৯২৫৫০০০.০০ | ৪৮৮৬৮৮৯৩০০০.০০ |
| | | মুলধন | ১২২৯৫৪২০০০.০০ | ০.০০ | ১২২৯৫৪২০০০.০০ |
| ৫৮ | উদ্যোগ আৰু বাণিজ্য | ৰাজহ | ১৫৩৬৩৬৫১০০০.০০ | ০.০০ | ১৫৩৬৩৬৫১০০০.০০ |
| | | মুলধন | ৮৬০৯৯৭৮০০০.০০ | ৩৮০০০০০.০০ | ৮৬১৩৭৭৮০০০.০০ |
| ৫৯ | ৰেচম আৰু বয়ন | ৰাজহ | ৩০৮১২০৬০০০.০০ | ০.০০ | ৩০৮১২০৬০০০.০০ |
| | | মুলধন | ২৩২৪৩৬০০০.০০ | ০.০০ | ২৩২৪৩৬০০০.০০ |
| ৬০ | কুটিৰ শিল্প | ৰাজহ | ৭৩৬০১৫০০০.০০ | ০.০০ | ৭৩৬০১৫০০০.০০ |
| ৬১ | খনি আৰু খনিজ দ্ৰব্য | ৰাজহ | ২১৭০৭০০০০.০০ | ০.০০ | ২১৭০৭০০০০.০০ |
| | | মুলধন | ২২৯৯০০০০.০০ | ০.০০ | ২২৯৯০০০০.০০ |
| ৬২ | শক্তি (বিদ্যুৎ) | ৰাজহ | ৫৫৪৫২৭০০০০.০০ | ০.০০ | ৫৫৪৫২৭০০০০.০০ |
| | | মুলধন | ২০৭১৫৬৭২০০০.০০ | ০.০০ | ২০৭১৫৬৭২০০০.০০ |
| ৬৩ | জলসম্পদ | ৰাজহ | ৪৯০৪৪৯৭০০০.০০ | ০.০০ | ৪৯০৪৪৯৭০০০.০০ |
| | | মুলধন | ১১০৮৬০৪৪০০০.০০ | ০.০০ | ১১০৮৬০৪৪০০০.০০ |
| ৬৪ | পথ আৰু দলং | ৰাজহ | ১১০৩১৬০৫০০০.০০ | ৯৫০০০০০০.০০ | ১১১২৬৬০৫০০০.০০ |
| | | মুলধন | ৯৪২৪৬৫১৯০০০.০০ | ০.০০ | ৯৪২৪৬৫১৯০০০.০০ |
| ৬৫ | পৰ্যটন | ৰাজহ | ৭৮০২২০০০০.০০ | ০.০০ | ৭৮০২২০০০০.০০ |
| | | মুলধন | ২৩০৭৫০০০০.০০ | ০.০০ | ২৩০৭৫০০০০.০০ |
| ৬৬ | স্থানীয় নিকায় আৰু পঞ্চায়তীৰাজ সংস্থাসমূহলৈ ক্ষতিপূৰণ | ৰাজহ | ৯৭৬২৬৭৬০০০.০০ | ০.০০ | ৯৭৬২৬৭৬০০০.০০ |
| ৬৭ | উদ্যান শস্য | ৰাজহ | ২০৯৪৬৭৪০০০.০০ | ০.০০ | ২০৯৪৬৭৪০০০.০০ |
| | | মুলধন | ৭৭২০৬০০০.০০ | ০.০০ | ৭৭২০৬০০০.০০ |
| ৬৮ | চৰকাৰী চাকৰিয়াললৈ ঋণ, অগ্ৰিম ইত্যাদি | মুলধন | ০.০০ | ০.০০ | ৪০০০০০০০০.০০ |
| ৬৯ | বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন | ৰাজহ | ২৮৪৮১৩০০০.০০ | ০.০০ | ২৮৪৮১৩০০০.০০ |
| | | মুলধন | ৬১৩৯০৬০০০.০০ | ০.০০ | ৬১৩৯০৬০০০.০০ |

| মঞ্জুৰী নং/ বিনিয়োজন | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| ৭০ | পাৰ্ব্বত্য অঞ্চল | ৰাজহ | ৫৯৪১২০০০.০০ | ০.০০ | ৫৯৪১২০০০.০০ |
| | | মুলধন | ১৫৯৪৩০০০.০০ | ০.০০ | ১৫৯৪৩০০০.০০ |
| ৭১ | বিদ্যালয় শিক্ষা | ৰাজহ | ১৭৪৭৭৪০৮৭০০০.০০ | ০.০০ | ১৭৪৭৭৪০৮৭০০০.০০ |
| | | মুলধন | ১২৫৬৮৮৮৪০০০.০০ | ০.০০ | ১২৫৬৮৮৮৪০০০.০০ |
| ৭২ | সামাজিক নিৰাপত্তা আৰু কল্যাণ (সাহায্য আৰু পুনৰ | ৰাজহ | ৬৫০১৯০০০০.০০ | ০.০০ | ৬৫০১৯০০০০.০০ |
| ৭৩ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (গুৱাহাটী উন্নয়ন) | ৰাজহ | ১৮১৭২১১০০০.০০ | ০.০০ | ১৮১৭২১১০০০.০০ |
| | | মুলধন | ৭৪৮৮৬১৭০০০.০০ | ০.০০ | ৭৪৮৮৬১৭০০০.০০ |
| ৭৪ | ক্ৰীড়া আৰু যুৱ কল্যাণ | ৰাজহ | ১৮৭৭৪০৯০০০.০০ | ০.০০ | ১৮৭৭৪০৯০০০.০০ |
| | | মুলধন | ১৮৮২৩০০০.০০ | ০.০০ | ১৮৮২৩০০০.০০ |
| ৭৫ | তথ্য আৰু প্ৰযুক্তি | ৰাজহ | ৫৫২৬৭৮০০০.০০ | ০.০০ | ৫৫২৬৭৮০০০.০০ |
| | | মুলধন | ৬৪৯১০০০.০০ | ০.০০ | ৬৪৯১০০০.০০ |
| ৭৬ | কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ | ৰাজহ | ১৮৫৬৩৬২৫০০০.০০ | ০.০০ | ১৮৫৬৩৬২৫০০০.০০ |
| | | মুলধন | ২১০০০০০০০০.০০ | ০.০০ | ২১০০০০০০০০.০০ |
| ৭৭ | ডিমা হাছাও স্বায়ত্বশাসিত পৰিষদ | ৰাজহ | ৯২৭১১১৪০০০.০০ | ০.০০ | ৯২৭১১১৪০০০.০০ |
| | | মুলধন | ৭৫০০০০০০০.০০ | ০.০০ | ৭৫০০০০০০০.০০ |
| ৭৮ | বড়োলেণ্ড টেৰিট'ৰিয়েল অঞ্চল | ৰাজহ | ৩৮৩৬৯০১৯০০০.০০ | ০.০০ | ৩৮৩৬৯০১৯০০০.০০ |
| | | মুলধন | ২৮২২২৩০০০.০০ | ০.০০ | ২৮২২২৩০০০.০০ |
| ৭৯ | বড়োভূমি কল্যাণ | ৰাজহ | ৩৬০০০০০০০.০০ | ০.০০ | ৩৬০০০০০০০.০০ |
| | | মুলধন | ৫০০০০০০০.০০ | ০.০০ | ৫০০০০০০০.০০ |
| ৮০ | খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি | ৰাজহ | ৪৪০১২১০০০.০০ | ০.০০ | ৪৪০১২১০০০.০০ |
| | | মুলধন | ১৪১৭৪০০০০.০০ | ০.০০ | ১৪১৭৪০০০০.০০ |
| ৮১ | বৰাক উপত্যকা উন্নয়ন | ৰাজহ | ৫০৭৫৯০০০.০০ | ০.০০ | ৫০৭৫৯০০০.০০ |
| | | মুলধন | ১০০০০০০০০০.০০ | ০.০০ | ১০০০০০০০০০.০০ |
| ৮২ | উদ্ভাৱন, উন্মায়ন আৰু ষ্টাৰ্ট | ৰাজহ | ৬০০০০০০০০.০০ | ০.০০ | ৬০০০০০০০০.০০ |
| ৮৩ | চাহ জনজাতি আৰু আদিবাসী কল্যাণ | ৰাজহ | ৬৪১০৫৯০০০.০০ | ০.০০ | ৬৪১০৫৯০০০.০০ |
| | | মুলধন | ১৫১৮৫৫৬০০০.০০ | ০.০০ | ১৫১৮৫৫৬০০০.০০ |
| | **মুঠ** | **ৰাজহ** | **১০৫৩২৬৩৪০১০০০.০০** | **১১৮৯৯৬২৬৮০০০.০০** | **১১৭২২৫৯৬৬৯০০০.০০** |
| | | **মুলধন** | **২৯৪০১৫৭৩৯০০০.০০** | **৯৩৫৭৬০৪৭০০০.০০** | **৩৮৭৫৯১৭৮৬০০০.০০** |
| | **মঞ্জুৰী মুঠ** | | **১৩৪৭২৭৯১৪০০০০.০০** | **২১২৫৭২৩১৫০০০.০০** | **১৫৫৯৮৫১৪৫৫০০০.০০** |

২০২৫

অসম চৰকাৰী ছপাশালত মুদ্রিত
গুৱাহাটী-২১